

# শিৱসাগৰ ছোৱালী কলেজ আলোচনী



# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

1966-1979

The Sibsagar Girls' College

শ্ৰদ্ধা ও প্ৰীতিৰে,

প্ৰতি—

..........................................................................

..........................................................................

সম্পাদিকা
ইন্দিৰা শইকীয়া
শিৱসাগৰ ছোৱালী কলেজ আলোচনী
১৯৭৮-৭৯ চন

ভাৰপ্ৰাপ্ত অধ্যাপকদ্বয় :

অধ্যাপক শিৰীষ কুমাৰ ভট্টাচাৰ্য্য
অধ্যাপিকা যমুনা বৰগোহাঁই

সম্পাদিকা :

ইন্দিৰা শইকীয়া

## সম্পাদনা সমিতি ঃ

অধ্যক্ষ বীৰেন বৰকটকী, সভাপতি ঃ ছাত্ৰী একতা সভা
উপাধ্যক্ষা নীলিমা বৰুৱা, উপ-সভানেত্ৰী ঃ ছাত্ৰী একতা সভা

অধ্যাপক শিৰীষ কুমাৰ ভট্টাচাৰ্য্য
অধ্যাপক সোণাৰাম বৰুৱা
অধ্যাপিকা যমুনা বৰগোহাঁই
শ্ৰীঅঞ্জুলীমা বৰুৱা, সাধাৰণ সম্পাদিকা ঃ ছাত্ৰী একতা সভা
শ্ৰীইন্দিৰা শইকীয়া, সম্পাদিকা ঃ কলেজ আলোচনী

## উপদেষ্টা ঃ

অধ্যাপক শিৰীষ কুমাৰ ভট্টাচাৰ্য্য
অধ্যাপিকা যমুনা বৰগোহাঁই

**বেটুপাত অঙ্কণ ঃ**

ধীৰেন নাথ
শিৱসাগৰ

**বেটুপাত পৰিচয় ঃ**

শিৱসাগৰ পুখুৰী পাৰত অৱস্থিত আটাইতকৈ ওখ শিৱসিংহ সৰ্গদেউৰ দ্বিতীয় মহিষী অম্বিকাই ১৭৩৪ খৃঃত সজোৱা শিৱদলৰ গাত খোদিত চিত্ৰকলাৰ নিদৰ্শন।

**মুদ্ৰক ঃ**

শ্ৰীহেম কুমাৰ গগৈ
দি অসম পেপাৰ ইণ্ডাষ্ট্ৰি
উদ্যোগ পাম ঃ তিনিচুকীয়া-৭৮৬ ১২৫
ফোন ঃ ৮০৭

# সূচীপত্ৰ


৮ সম্পাদকীয়—

প্ৰবন্ধ ঃ

| | | |
|---|---|---|
| * জ্যোতিপ্ৰসাদৰ নাট্য প্ৰতিভা আৰু কাৰেঙৰ লিগিৰী | ॥ ১ ॥ | পুৰবী মাধুৰী নেওগ |
| * নৈতিক শিক্ষাত এপলক | ॥ ৬ ॥ | অণিমা বড়া |
| * মিচিং জনজাতিৰ দুটা উৎসৱ 'আলি আই লিগাং' আৰু 'দবুৰ' | ॥ ২০ ॥ | পদ্মা মিলি |
| * আধুনিক অসমীয়া উপন্যাস সাহিত্য | ॥ ২২ ॥ | অঞ্জুলীমা বৰুৱা |
| * বেঙ্কৰ সেৱা ঃ এটি সমীক্ষা | ॥ ৩৮ ॥ | অমলা দেবী |
| * কবি দুৰৰাৰ 'আপোন সুৰ' এটি আলোচনা | ॥ ৪২ ॥ | ইন্দিৰা শইকীয়া |
| * নলিনীবালাৰ 'সন্ধিয়াৰ সুৰ' | ॥ ৫৭ ॥ | যোগমায়া সন্দিকৈ |
| * "ৰুক্মিণী হৰণ" নাটকৰ ৰস | ॥ ৬৯ ॥ | কুমাৰী তিলো গগৈ |

জীৱনী ঃ

| | | |
|---|---|---|
| * মাদাৰ টেৰছা | ॥ ৭২ ॥ | ৰেখা বৰঠাকুৰ |

ৰস ৰচনা ঃ

| | | |
|---|---|---|
| * বলদৰ বক্তব্য | ॥ ৭৫ ॥ | সুলোচনা বৰা |
| * জনশ্ৰুতিৰ এটি ফিৰিঙতি | ॥ ৫৪ ॥ | অনুপমা দেৱী |

একাঙ্কিকা ঃ

| | | |
|---|---|---|
| * আমি বিপ্লৱী | ॥ ৮৬ ॥ | অধ্যাপিকা মনোৱাৰা বেগম |

গল্প ঃ

* নিয়তিৰ পৰিহাস ॥ ১৫ ॥ মৃণালিনী চেতিয়া
* যুৱতীজনী [ অনুবাদ ] ॥ ৩০ ॥ বন্দিতা বুঢ়াগোহাঁই
* দায়ী কোন ? ॥ ৪৮ ॥ সোণমাই বৰুৱা
* নিশাৰ উচুপনি ॥ ৬৩ ॥ জিন্নু কাকতি

কৱিতা ঃ

* গীতালি ॥ ৭৭ ॥ অধ্যাপক সুৰেশ ফুকন, এম, এ,
* শিল্পী বন্ধুলৈ এটি অনুৰোধ ॥ ৭৮ ॥ ইন্দিৰা শইকীয়া
* এই জুই বুভুক্ষাৰ ... ॥ ৭৯ ॥ জিন্নু কাকতী
* মুহূত্বৰ পিচত ॥ ৮১ ॥ উষা দত্ত
* বঙা সূৰুয ॥ ৮১ ॥ জ্যোতিৰেখা বুঢ়াগোহাঞি
* ভালপোৱাৰ প্ৰতিদান ॥ ৮২ ॥ কুমাৰী টুনুৰাণী গগৈ
* জীৱন নদীত তেজৰ জুই ॥ ৮৩ ॥ পূৰবী চক্ৰৱৰ্ত্তী
* অনুবোধ ॥ ৮৩ ॥ কুমাৰী নিৰ্ম্মলা দেৱী হাজৰীকা
* সংগ্ৰাম/জীৱনব ॥ ৮৪ ॥ দীপিকা গগৈ
* অনন্ত বিশ্বাস ? ভগ্ন হিয়াৰ ॥ ৮৫ ॥ সোণমাই বৰুৱা

# শিৱসাগৰ ছোৱালী কলেজ

# আ
# লো
# চ
# নী

## অসমীয়া বিভাগ

উপদেষ্টা ঃ

অধ্যাপক শিৰীষ কুমাৰ ভট্টাচাৰ্য্য

অধ্যাপিকা যমুনা বৰগোহাঁই

সম্পাদিকা ঃ

ইন্দিৰা শইকীয়া

# সম্পাদকীয়

## বহিৰাগতৰ প্ৰব্ৰজনত

## অসমৰ শোচনীয়তা

স্বাধীনতাৰ পূৰ্ব্বৱৰ্ত্তী আৰু পৰৱৰ্ত্তী সময়ছোৱাৰ ইতিহাসলৈ লক্ষ্য কৰিলে অসমৰ বিভিন্ন সমস্যাৰ মাজত এটি বিশেষ সমস্যা প্ৰকট হৈ উঠে। অৱশ্যে স্বাধীনতাৰ পূৰ্ব্বৱৰ্ত্তী অৱস্থাত ই বিশেষ সমস্যা ৰূপে পৰিগণিত হোৱা নাছিল। এই সমস্যা হৈছে অসমলৈ বহিৰাগতৰ প্ৰব্ৰজন। অসমত থলুৱা জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে বহিৰাগতৰ প্ৰব্ৰজনেও এক ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দেশ বিভাজনৰ পাছত অসমৰ গাঁতে লাগি থকা পূব পাকিস্থানৰ পৰা অসমলৈ অহা ভগনীয়া শ্ৰেণীৰ লোকৰ প্ৰব্ৰজন বৃদ্ধি পালে। এই গুৰুতৰ সমস্যাৰ সন্মুখীন হৈ ১৯৪৯ চনত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সমস্যা সমাধানৰ দাবী উত্থাপন কৰিছিল। ভাৰত-পাকিস্থান- সংঘৰ্ষ আৰু ১৯৭১ চনৰ বাংলাদেশৰ মুক্তিযুদ্ধৰ সময়ত অসমলৈ বাংলাদেশীয় লোকৰ অবিৰাম সোঁত বৱলৈ আৰম্ভ কৰিলে। বাংলা দেশৰ স্বাধীনতাৰ পাছতো একাংশলোক অসমতে নিগাজীকৈ থাকি গ'ল। ১৯৭৪ চনৰ প্ৰৱল বানপানীৰ সময়ত ৰংপুৰ মৈমনচিং এলেকাৰ বহুত বাংলাদেশী লোক অসমত সোমাল। বিভিন্ন ভাৰতীয় ৰাজ্যৰ বহিৰাগত প্ৰব্ৰজনৰ উপৰিও আটাইতকৈ গুৰুত্ব দিব লগীয়া হৈছে বিদেশী প্ৰব্ৰজনৰ বিষয়টোৰ ওপৰতহে।

অসমলৈ বহিৰাগতৰ সোঁতে বৰ্ত্তমান চূড়ান্ত সমস্যাৰ ৰূপ ধাৰণ কৰিছে। অসমীয়া ভাষা, সংস্কৃতি, অৰ্থনীতি আৰু সাহিত্যৰ ওপৰত বহিৰাগতৰ প্ৰব্ৰজনে আক্ৰমণাত্মক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা কাৰ্য্যত অসমবাসীয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।

অসম ৰাজ্যিক চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে অসমৰ এই সমস্যা সমাধানৰ আৱশ্যকীয়

ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমি আশা ৰাখিলোঁ। এই বিষয়টো কেৱল পুলিচৰ হাতত ন্যস্ত কৰিলেই সমস্যাৰ পূৰ্ণ সমাধান হ'ব যেন মনে নধৰে। বহিৰাগতৰ সোঁত বন্ধ কৰিবৰ বাবে সীমান্ত চকীবোৰত পহৰাৰ ব্যৱস্থা শক্তিশালী কৰিব লাগে। এই সমস্যাৰ সমাধান চৰকাৰৰ হাতত সম্পূৰ্ণ ৰূপে এৰি দি জনসাধাৰণে নিশ্চিন্তে থকাটো অসমৰ জাতীয় স্বাৰ্থৰ হকে মঙ্গলজনক নহ'ব। এই ক্ষেত্ৰত জনসাধাৰণৰ সচেতনতা আৰু সহযোগিতা অধিক হোৱাটো নিতান্তই বাঞ্ছনীয়।

## অসমৰ ঔদ্যোগিক উন্নতিত স্থবিৰতা

সমস্যা বহুল ভাৰতৰ ততোধিক সমস্যা পূৰ্ণ অসমৰ বিভিন্ন দিশলৈ লক্ষ্য কৰিলে উন্নতি তথা প্ৰগতিৰ অভিলেখনৰ পৰিবৰ্ত্তে দৃষ্টিগোচৰ হয় সমস্যাত জৰ্জৰিত অসমৰ উন্নতিত স্থবিৰতাৰ নিচান। অন্ন বস্ত্ৰৰ সমস্যাই অহোৰাত্ৰ আগুৰি থকাৰ উপৰিও জনসংখ্যা বৃদ্ধিৰ লগে লগে শিক্ষিত নিবনুৱাৰ সমস্যাই বৰ্ত্তমান অসমত এক অনিৰ্বাপিত সমস্যাৰূপে থিয় দি উঠিছে। পৰিকল্পিত অৰ্থনীতিৰ সূচনা যদিও ২৬ বছৰৰ আগতেই হয়, পাঁচটা পঞ্চবাৰ্ষিক পৰিকল্পনাই যদিও ইতিমধ্যে ৰাজনীতিৰ পাত চুই যায়, তথাপি দেশৰ সৰ্ব্বসাধাৰণৰ এক দশমাংশও উন্নতি আজি পৰিমিত হোৱা নাই। আজিও দেশৰ ষাঠি শতাংশ লোক দৰিদ্ৰ সীমা ৰেখাৰ তলত। স্বাধীনতাৰ পাচৰ ৩০ বছৰৰ ভিতৰত অৰ্থ নৈতিক উন্নয়ণৰ ঢাক-ঢোলহে বজোৱা হ'ল, কিন্তু কাৰ্য্যক্ষেত্ৰত বিশেষ উন্নতি একো দেখা নগ'ল। জনসাধাৰণৰ মাজত কৃষি শিক্ষাৰ অভাৱৰ বাবে কৃষিৰ ক্ষেত্ৰতো সন্তোষজনক উন্নতি নহ'ল, অথচ ১৯৭৬-৭৭ চনৰ হিচাপ মতে ১৭৪ লাখ লোক কেৱল কৃষি-কৰ্মতে নিযুক্ত থাকে। অৰ্থ নৈতিক উন্নয়ণৰ লগে লগে ভয়ঙ্কৰ ৰূপত বাঢ়ি অহা নিবনুৱা সমস্যা সমাধান কৰিবলৈ হলে কুটিৰ শিল্প উদ্যোগ সম্প্ৰসাৰণ কৰিব লাগিব। ৰাজ্যখনত নিবনুৱা লোকৰ সংখ্যা ১৫ লাখতকৈয়ো অধিক। ইয়াৰে প্ৰায় ১১ লাখ নিবনুৱা লোক গাৱঁৰ আৰু বাকী ৪ লাখ চহৰৰ। নিয়োগ পঞ্জীয়ণ অনুসৰি নিবনুৱাৰ সংখ্যা ১৯৭০ চনৰ ৭৮,০৫০ জনৰ পৰা ১৯৭৭ চনৰ মে' মাহত ২,৩২ লাখলৈ বৃদ্ধি পায়। অৱশ্যে এই সংখ্যাৰ সঠিক হিচাব পোৱা সম্ভৱ নহয়।

নিবনুৱা সমস্যা সমাধানৰ বাবে গাৱঁৰ শিক্ষিত, অৰ্দ্ধশিক্ষিত লোক সকলক চহৰমুখী নকৰি গাৱঁতে বিভিন্ন ধৰণৰ উৎপাদনমূলক কামত নিযুক্তি দিব লাগে। হাঁহ-কুকুৰা পালন, দুগ্ধ পাম, বিভিন্ন শিল্প উদ্যোগ, বাহঁ বেতৰ উদ্যোগ, মৌ পালন, চাবোন উদ্যোগ আদি স্থাপন কৰি তাত কৰ্ম্ম সংস্থাপন দিয়াৰ বাবে চৰকাৰে বিশেষ ভাবে চকু দিব লাগে।

## ৰাজনৈতিক অস্থিৰতা আৰু ছাত্ৰৰ কৰ্ত্তব্য

কেন্দ্ৰৰ ৰাজনৈতিক মঞ্চত দ্ৰুততৰ পট পৰিবৰ্ত্তনৰ লগে লগে ৰাজ্যসমূহতো ইয়াৰ প্ৰভাৱ অধিক স্পষ্ট হৈ পৰিছে। বিভিন্ন দলৰ ক্ষমতা হস্তগতৰ চক্ৰান্ত ৰাজনৈতিক মঞ্চত মঞ্চস্থ হ'বই লাগিছে। বিভিন্ন প্ৰতিক্ৰিয়াশীল দলে স্বাৰ্থসিদ্ধিৰ বাবে নতুন পুৰুষ চামক যাতে হাতৰ পুতলা ৰূপে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে ছাত্ৰসকল বিশেষকৈ ছাত্ৰনেতাসকল সচেতন হ'ব লাগিব। এমুঠিমান লোকৰ ব্যক্তিগত স্বাৰ্থৰ বাবে জনসাধাৰণৰ বিৰাট স্বাৰ্থত আঘাত কৰিব লগা কোনো কাৰ্য্যতে যাতে (ভুল পথেৰে পৰিচালিত কৰি) ছাত্ৰ শক্তিক খটুৱাব নোৱাৰে তাৰ বাবে ছাত্ৰ শক্তি সদায় জাগ্ৰত অৱস্থাত থাকিব লাগিব। ছাত্ৰ শক্তিয়ে শিক্ষাৰ্থীৰ মহৎ উদ্দেশ্য আৰু লক্ষ্যৰ পৱিত্ৰতা ক্ষুন্ন হ'বলৈ নিদিয়াকৈ জনসাধাৰণৰ উন্নতি তথা প্ৰগতিৰ পথত অৱদান আগবঢ়াবলৈ সক্ষম হ'ব লাগিব। তেতিয়াহে ছাত্ৰশক্তিৰ ওপৰত সমাজৰো আস্থা বাঢ়িব।

## অশ্ৰু অঞ্জলি যাচিছোঁ।

আমাৰে দুৰ্ভাগ্য, একেটা বছৰৰ ভিতৰতে আমি অসমী আইৰ কেইবাজনো সুযোগ্য সন্তান তথা কলা জগতৰ উজ্জ্বল মাণিক হেৰুৱাৰ লগাত পৰিলোঁ। সুযোগ্য সন্তান পদ্মশ্ৰী নলিনীবালা দেৱীৰ দৰে এগৰাকী আধ্যাত্মিক কবি আৰু প্ৰথিতযশা কবি তথা বাগ্মীবৰ সাহিত্যিক ককা নীলমণি ফুকনৰ মৃত্যুৱে সমগ্ৰ অসমকে কন্দুৱাই গ'ল। প্ৰতিশ্ৰুতি পূৰ্ণ উদীয়মান শিল্পী জয়ন্ত হাজৰিকাৰ অপমৃত্যুৱে সমগ্ৰ অসম তথা প্ৰতিজন অসমীয়াৰ অন্তৰতে কৰুণ মূৰ্চ্ছনা তুলি ৰ'ল। এইসকলৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে ভগৱানক কাতৰ প্ৰাৰ্থনা জনাই, শোকাভিভূত হৈ শ্ৰদ্ধাৰে আমাৰ অশ্ৰু অঞ্জলি যাচিছোঁ।

## মোৰ দৃষ্টিৰে

এখন আলোচনীৰ সম্পাদিকা হোৱাতো কোনো টান কাম নহয়, এই বিষয়ে কোৱাৰ ইচ্ছাও নাই, কথা হ'ল, আলোচনীৰ সম্পাদিকা হিচাবে যাৱতীয় কামখিনি সম্পাদন কৰিব পাৰিছোনে নাই ? সদ্‌উত্তৰ দিবলৈ গলে মৌনতাৰ বাহিৰে কোনো উপায় নেদেখো। এখন

মহাবিদ্যালয় পৰ্য্যায়ৰ আলোচনী সৰ্ব্বতো প্ৰকাৰে আসোঁৱাহ মুক্ত কৰি সম্পাদনা কৰি উলিওৱাৰ ক্ষেত্ৰত সম্পাদিকাৰ যি দায়িত্ব আছে ততোধিক দায়িত্ব আছে মহাবিদ্যালয়ৰ প্ৰত্যেক গৰাকী ছাত্ৰীৰে। কিন্তু এইক্ষেত্ৰত ছাত্ৰী বান্ধৱীসকলৰ সচেতনতাপূৰ্ণ মনোযোগ কিমান পালো ???

সৰ্ব্বাঙ্গসুন্দৰ আলোচনী এখন সম্পাদনা কৰি উলিওৱাৰ হেঁপাহ যথেষ্টই আছিল। এখন আলোচনী সুন্দৰ হয় ভিতৰৰ বিষয়বস্তুৰ বাবেহে, বেটুপাতৰ বাবে নহয়— এই আশাকে মনত ৰাখি লিখিত ভাৱে বহুবাৰ আৱেদন নিৱেদন কৰাৰ পাছতো উপযুক্ত মানদণ্ডৰ আৰু উপযুক্ত পৰিমাণৰ প্ৰৱন্ধপাতি সংগ্ৰহৰ ক্ষেত্ৰত ব্যৰ্থ হ'লো। কিন্তু কিয় ???

দুখ লাগে,আলোচনীখন 'College Standard'-ৰ নহ'ল বুলি আক্ষেপ কৰা সকলে আলোচনী খনৰ শ্ৰীবৃদ্ধিলৈ পিঠি দিয়া দেখিলে; সঁচাকৈয়ে দুখ লাগে, ব্যক্তিগত ভাৱে লগ ধৰি প্ৰৱন্ধপাতিৰ কথা কলে 'সময় নাই' বুলি হাত জোকৰা ছাত্ৰী বান্ধৱীসকলৰ কথা ভাবিলে।

শিক্ষাৰ্থীসকলৰ মাজত প্ৰতিশ্ৰুতি পূৰ্ণ প্ৰতিভা সুপ্ত অৱস্থাত থাকে। সেই প্ৰতিভা বিকাশৰ বাবে লাগে মাধ্যম। ভাৱ প্ৰকাশৰ মাধ্যম হৈছে সাহিত্য। শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভাক জাগ্ৰত অৱস্থাত দাঙি ধৰাৰ প্ৰধান মাধ্যম হৈছে শিক্ষানুস্থানৰ মুখপত্ৰ সমূহ। ভৱিষ্যতৰ ৰাজনীতিবিদ, অৰ্থনীতিবিদ, সমাজকৰ্মী, বৈজ্ঞানিক, সাহিত্যিক আদিক দুপ জীয়াতে ৰাচি দিয়াৰ চেকণি হৈছে এই মুখপত্ৰ সমূহেই।

সেয়েহে আমাৰ মহাবিদ্যালয়ৰ সুদায়িত্বপূৰ্ণ মুখপত্ৰ খনিলৈ সম্পাদিকা হিচাবে "আন্তৰিক ওলগ" জ্ঞাপনৰ লগে লগে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী সকললৈ (যি সকল ভৱিষ্যতেও আহিব) মোৰ অনুৰোধ থাকিল যাতে সকলোটিয়েই সচেতনতা পূৰ্ণ মনোযোগেৰে, তেওঁলোকৰ সাধ্য সাধনাৰে আলোচনীখনিক জীয়াই ৰাখিবলৈ চেষ্টাৰ ত্ৰুটী নকৰে। শিক্ষানুস্থানৰ এই মহৎ সম্পদটিক জীয়াই ৰাখিব লাগিব ছাত্ৰী সকলৰ আত্মবিকাশৰ মাধ্যমেদি। এই সুদায়িত্বটোৰ অৰ্থ উপলব্ধিৰ মাজেদি তেওঁলোকে প্ৰকৃত কৰ্ত্তব্যক অৱগাহণ কৰি ভৱিষ্যতৰ পথত আগবাঢ়ি যাবলৈ সক্ষম হ'ব লাগিব। আশা ৰাখিছোঁ, ছাত্ৰীসকলৰ ঐকান্তিক আগ্ৰহৰ দ্বাৰা শিৱসাগৰ ছোৱালী কলেজৰ আলোচনীৰ পৰৱৰ্ত্তী সংখ্যা সমূহৰ শ্ৰীবৃদ্ধি হওঁক। আশা ৰাখিছোঁ শিৱসাগৰ ছোৱালী কলেজৰ আলোচনী অৰ্থাৎ 'আমাৰ আলোচনী' খনি দীৰ্ঘজীৱি হওঁক।

# কৃতজ্ঞতা জ্ঞাপন

আৰম্ভণিতেই, শিৱসাগৰ ছোৱালী কলেজৰ আলোচনী সম্পাদিকাৰ দৰে এটি গুৰুদায়িত্ব অৰ্পণ কৰি সেৱা কাৰ্য্যত আত্মনিয়োগ কৰিবৰ বাবে যিসকল ছাত্ৰী বান্ধৱীয়ে সুবিধা দিলে, সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনী খনৰ সম্পাদনৰ কামত সকলো প্ৰকাৰে সহায় কৰা ভাৰপ্ৰাপ্ত অধ্যাপকদ্বয় শ্ৰীশিৰীষ কুমাৰ ভট্টাচাৰ্য্য আৰু শ্ৰীযমুনা বৰগোহাঞিৰ ওচৰত মই চিৰঋণী। সময়ে সময়ে আলোচনী সম্পৰ্কে দিহাপৰামৰ্শ দি উৎসাহিত কৰা বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু আন আন অধ্যাপক অধ্যাপিকালৈ মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল। প্ৰৱন্ধ পাতিৰে আলোচনীখনৰ সৌষ্ঠৱ বঢ়োৱাৰ কাৰণে ছাৰ বাইদেউ আৰু মোৰ বান্ধৱী সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। মহৎলোকৰ বাণীকেইটি সংগ্ৰহ কৰি দিয়া বাবে মোৰ বান্ধৱী অমলা দেৱীলৈ ধন্যবাদ থাকিল। লগতে কেইটিমান প্ৰৱন্ধৰ পাণ্ডুলিপি ঠিক কৰি দিয়াৰ বাবে সেইসকল ছাত্ৰী বান্ধৱীলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ। অনেক শ্ৰম কৰি বেটুপাত আঁকি দিয়াৰ বাবে শিল্পী শ্ৰীধীৰেন্দ্ৰ নাথলৈ সশ্ৰদ্ধ কৃতজ্ঞতা জনালোঁ। প্ৰেছৰ সমূহ কৰ্ম্মীলৈও মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**শ্ৰীইন্দিৰা শইকীয়া**

সম্পাদিকা,

শিৱসাগৰ ছোৱালী কলেজ আলোচনী।

# জ্যোতিপ্ৰসাদৰ নাট্যপ্ৰতিভা আৰু কাৰেঙৰ লিগিৰী —

পুৰতী মাধুৰী নেওঁগ
স্নাতক ২য় বাৰ্ষিক

১৯০৩ চনত ১৭ জুনত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে ডিব্ৰুগড়ৰ মদাৰখাট মৌজাৰ তামোলবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰে। জোনাকী যুগৰ 'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ ভায়েক পৰমানন্দ আগৰৱালা আছিল জ্যোতি প্ৰসাদৰ পিতৃ। মাতৃ হ'ল শিৱসাগৰৰ বলিয়াঘাটৰ জগন্নাথ তিৰু কাকতিৰ জীয়ৰী কিৰণময়ী, যি গৰাকীৰ মুখেদি মৌসনা জুৰলা মাত বৰষিছিল; আইনাম, বিয়ানাম, নিচুকণি গীত গালে অমৃত নিগৰি আহিছিল। পিতৃ পৰমানন্দ আছিল সুন্দৰ বেহেলা বাদক আৰু সু-গায়ক। ঐতিহ্যপূৰ্ণ কাৰেং যেন পকী-ঘৰত, আভিজাত্যৰ প্ৰসাদ লাভ কৰি জ্যোতিপ্ৰসাদে শৈশৱৰ পৰা মৰম চেনেহত ডাঙৰহৈ বৰ অঘাইতং প্ৰকৃতিৰ আছিল। ঘৰত ভাই-ভনীয়েকহঁতৰ ওপৰত নেতাহৈ এবাৰ গছত উঠে, দেৱালৰ ওপৰেদি খোজ কাঢ়ে, সাপৰ নেজত ধৰি মূৰৰ ওপৰেদি ঘুৰাই মৰ-সাহ দেখুৱায়। সেউজবুলীয়া ঘাঁহনিত লৰ মাৰে— তেওঁৰ ব্যক্তিত্ব লৰালি অতপালিৰ মাজেদি প্ৰকাশ পাইছিল।

তেজপুৰ হাইস্কুলৰ পৰা টেষ্ট পৰীক্ষা দিয়ে। তাৰ পাচতেই অসহযোগ আন্দোলনত লাগে আৰু কলিকতাত চিত্তৰঞ্জন দাসে প্ৰতিষ্ঠা কৰা নেশ্যনেল স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাচ কৰে। ১৯২৬ চনত উচ্চ শিক্ষাৰ বাবে তেওঁ বিলাতলৈ যায়। এডিনবৰা বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ আগতেই বাৰ্লিনলৈ গুচি যায়। বিশ্ববিদ্যালয়ৰ পাঠ্যপুথিৰ মাজতে কেৱল আবদ্ধ নাথাকিছিল। ইংলণ্ডত থকা সময়ত তেওঁ ইংৰাজী থিয়েটাৰ আৰু পাশ্চাত্য সঙ্গীত সম্পৰ্কে শিক্ষা লাভ কৰে। বাৰ্লিনত থাকোতে হিমাংশু ৰায়ৰ সহায়ত তেওঁ ফিল্ম প্ৰযোজনা আৰু পৰিচালনা সম্পৰ্কে অভিজ্ঞতা অৰ্জন কৰে। ১৯৩০ চনত বিলাতফিৰত জ্যোতিপ্ৰসাদে নেকটাই আৰু পেণ্ট দলিয়াই অসমৰ আইন অমান্য আন্দোলনত জপিয়াই পৰে। তেতিয়াই সৃষ্টি হয় "লুইতৰ পাৰৰে আমি ডেকা লৰা

মৰিবলৈ ভয় নাই………।" ১৯৩২ চনত তেওঁ ১৫ মাহ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত হয়। সেইসময়ত তেওঁৰ স্বাস্থ্য ভাগি পৰে। তথাপি ১৯৪২ ৰ আন্দোলনত তেওঁ আছিল মুখ্য নায়ক।

১৯৩৪ চনত প্ৰথম অসমীয়া বোলছবি 'জয়মতী' উলিয়ায়। এই ছবিখন কৰিবলৈ গৈ জ্যোতিপ্ৰসাদ সৰ্ব্বস্বান্ত হ'ল, যি অপৰিমেয় ঐশ্বৰ্য্যেৰে অসমৰ সংস্কৃতি ভাণ্ডাৰ তেখেতে পূৰ্ণ কৰি গ'ল, সেয়া সুঁৱৰি আজি অসমীয়াই গুণ গুণাই সেই অশ্ৰুসজল গানটি—"লুইতৰে পানী, যাবি অই বই… … …।"

বিষ্ণুৰাভাৰ ভাষাৰে— "ইমান কম আঠ-চল্লিচ বছৰ বয়সতে দধিচীৰ দৰে অগ্নিতপ্ত শৰীৰ, হিমালয়ৰ দৰে চিৰ উন্নত শিৰ, প্ৰশান্ত মহাসাগৰৰ দৰে প্ৰশান্ত হৃদয় যাৰ, সেই অসমৰ চিৰ আপোন কবি, গায়ক, চিত্ৰকৰ, নৰ্ত্তক, অভিনেতা, বোলছবি নিৰ্ম্মাতা, সাহিত্যিক, দূৰদৃষ্টা ঋষি জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৫১ চনত ১৭ জানুৱাৰী তাৰিখে অসমীয়াৰ পৰা, ভাৰতবৰ্ষৰ পৰা, বিশ্বলোকৰ পৰা চিৰ বিদায় ল'লে।"

অসমৰ নৃত্য গীত আৰু কাব্যত, অসমীয়া সাংস্কৃতিক জীৱনত এক অভিনৱত্ব আনি দি সৰ্ব্ব ভাৰতৰ অৰ্থাৎ সংস্কৃতিৰ লগত সমগ্ৰ অসমীয়া জাতিক সাঙুৰি দি সু-কুমাৰ কলা সাধনাৰ বাট প্ৰশস্ত কৰি দিওঁতা সেইজনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পাছতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ বুলি কব পাৰোঁ। সদৌ অসম শিল্পী সংঘৰ পোন প্ৰথম অধিবেশন (শিৱসাগৰ ১৮৭০ শক) সভাপতিৰ অভিভাষণত আগৰৱালাদেৱে এই বুলি কৈছিল—"শ্ৰীমন্ত শঙ্কৰে দি যোৱা সু-কুমাৰ কলা—আলেখ্য ভাস্কৰ্য্য, সঙ্গীত, স্থাপত্যৰেই স্বৰূপ চাই তাৰ বৈশিষ্টতাৰ কাৰিকৰি বুজি বাজিলৈ আজি শিল্পীয়ে সাধনৰে—কলা, নৈপুণ্যতা, ৰূপদক্ষতা, সুক্ষ্মাদিতম কলা কৌশলতা অৰ্জ্জন কৰি যদি আজি নতুন যুগৰ অসমীয়া সু-কুমাৰ কলা, পুৰণি অসমীয়া কলা কৌশলৰ বৈশিষ্টতাৰ আলমলৈ সৃষ্টি কৰি তাৰ মাজেদি অসমীয়া সংস্কৃতিৰ বিশ্বৰূপৰ বিশ্ববিমোহন প্ৰকাশ দিব পাৰে তেন্তে নিশ্চয়েই আমি অসমীয়া জাতিটো অকনমান হৈয়ো এখণ্ড সৰু হীৰাৰ দৰে জ্বলি থাকি জগতক পোহৰাব পাৰিম।" এইদৰে শিল্পীয়ে সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ শুদ্ধ অন্তঃকৰণেৰে সাজু হবলৈ সকলোকে অনুৰোধ কৰিছিল আৰু নিজেও দৃঢ় প্ৰতিজ্ঞ আছিল।

অসমীয়া নাট্য সাহিত্যলৈ জ্যোতিপ্ৰসাদৰ অৱদান হিচাবে আমি এইকেইখন নাটক পাওঁ— (১) শোণিত কুঁৱৰী — (১৯২৫), (২) কাৰেঙৰ লিগিৰী — (১৯৪৭) (৩) লভিতা (১৯৫৮) (৪) ৰূপালীম— (১৯৬০ ? ১৯৬৯ ?) (৫) নিমাতী কইনা— (১৯৬৪), (৬) সোণপখিলী—(১৯৬৪)।

আমাৰ আলোচ্য বিষয় হ'ল জ্যোতিপ্ৰসাদৰ দ্বিতীয় নাটক 'কাৰেঙৰ লিগিৰী'। এইখনেই

তেখেতৰ শ্ৰেষ্ঠ নাটক। জোতিপ্ৰসাদৰ নাটকৰ ভিতৰতেই নহয় অসমীয়া নাট্য-সাহিত্যৰ ভিতৰতেই শ্ৰেষ্ঠ আসন লাভ কৰিছে।

জাতীয় জীৱনৰ উদ্দীপনা, জাতীয় চৰিত্ৰৰ অনুভাৱনা ৰঙ্গমঞ্চত অভিনয় কৌশলেৰে ৰচনা ৰীতিৰ আসাধাৰণ কাব্যময় অনুপ্ৰেৰণাৰে প্ৰগতিশীল বাটত আগবঢ়াই নিয়াৰ গুৰিতে ৰূপকোঁৱৰ জোতিপ্ৰসাদৰ অৱদান সবাতোকৈ শ্ৰেষ্ঠ। জ্যোতিপ্ৰসাদে নতুন কৌশল, নতুন চৰিত্ৰ সৃষ্টিৰ উদ্ভাৱনাৰে অসমৰ সমস্ত ৰঙ্গমঞ্চত বিপ্লৱৰ যি সূচনা কৰিলে সি আজিও অদ্বিতীয়। আগেয়ে ৰচিত হোৱা আন আন লিখকৰ নাটকক চেব পেলাই জ্যোতিপ্ৰসাদৰ প্ৰত্যেকখন নাটকেই নাটকীয় কাৰিকৰিফালৰ পৰা অতুলনীয়। নাটকীয় কাৰিকৰি কি এই বিষয়ে ব্যাখ্যা কৰি জ্যোতিপ্ৰসাদে নিজেই কৈছে: "নাটকীয় কাৰিকৰি ( dramatic technique ) হৈছে নাট্যকাৰৰ হাতৰ উপায় (means) যিহৰ দ্বাৰাই নাট্যকাৰে নাটকৰ মাজেদি দৰ্শকক, পঢ়োতাক কয়। নাটকৰ বিষয়বস্তু, সাধু, নাটকীয় সৃষ্টি, নাটকীয় চৰিত্ৰাঙ্কন, নাটকীয় বচন (dramatic dialoque), ঘটনা সজোৱা (Plot making), পৰিস্থিতি সৃষ্টি (atmosphere creation) আৰু ঘটনা সজাওঁতে unity, suspense, climax, tempo, movement, interest, নাটকীয় বচনৰ লক্ষণালক্ষণ, interesting, brilliant, witty, condensed, informative, প্ৰাঞ্জল ইত্যাদিকৈ আৰু নাট্যকাৰে এইবোৰ সুচাৰুকৈ কৰিব পৰা ক্ষমতা আৰু নাট লিখোঁতাৰ নাটক লিখাৰ কাৰণে কিছুমান মানসিক বিশ্লেষণ আৰু পৰ্য্যবেক্ষণ কৰিব পৰা শক্তি (power of observation) ইত্যাদি কলাবোৰ আমি নাটকীয় কাৰিকৰি অন্তৰ্গত নাট্যকাৰৰ অভিলষিত গুণাগুণ দৰ্শকৰ মনত সৃষ্টি কৰি উদ্দেশ্য সফল কৰাৰ উপায় বা অবলম্বন বুলিব পাৰোঁ। এইবোৰ নাট্যকাৰে যিমান পাৰদৰ্শিতাৰে কৰিব পাৰে বা প্ৰয়োগ কৰিব পাৰে নাট্যকাৰে সেই অনুপাতে সফলতা লাভ কৰি দৰ্শকৰ মনোৰঞ্জন কৰিব পাৰে, অৱশ্যে নাটকীয় কাৰিকৰিৰ সূক্ষ্ম প্ৰয়োগৰ উপৰিও নাট্যকাৰৰ বিষয়বস্তু, নাট্যকাৰৰ ভাৱৰ গভীৰত্ব সৃষ্টি, দৃষ্টি আৰু মেধাৰ তীক্ষ্ণতাৰ ওপৰতহে আচলতে নাটকৰ মহত্ব (greatness) আৰু সাহিত্যিক মূল্য নিৰ্ভৰ কৰে।

উপৰোক্ত কথাখিনি জ্যোতিপ্ৰসাদে যদিও বেজবৰুৱাৰ নাটকৰ সম্পৰ্কত কৈছে তথাপি এই আটাইখিনি কথা তেওঁৰ নাটকত ফট্‌ফটীয়াকৈ পৰিলক্ষিত হোৱা দেখা পাইছোঁ। নাটকীয় কাৰিকৰি গুণেৰে ভূষিত এখনি অপূৰ্ব নাটক 'কাৰেঙৰ লিগিৰী'। এই নাটকখনিত ৰূপকোঁৱৰে চৰিত্ৰ সৃষ্টিত যি শিল্প প্ৰতিভা আৰোপ কৰিছে, সেই অনুপাতে ঘটনাৰ সংঘাত অনাত, কাহিনী শক্তি অভিভূত কৰাত, পৰিবেশ পৰিস্থিতি পৰিস্ফুট কৰাত, কথোপকথনত নাটকীয় কাৰিকৰি নিহিত কৰাত যি গভীৰত্ব দেখুৱাইছে, সি সঁচাকৈয়ে অপূৰ্ব। অসমীয়া নাটকত ট্ৰেজেডীৰ গভীৰতাত, প্ৰেম প্ৰণয়ৰ সংঘাতত জীৱন যৌৱনৰ দাৰ্শনিক ভাৱ উপলব্ধিৰ মহত্ব দেখুৱাত আজিলৈকে কেৱল

জ্যোতিপ্ৰসাদেই সমৰ্থ হৈছে 'কাৰেঙৰ লিগিৰী' নাটকৰ জৰিয়তেহে।

জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য্য পিয়াসী মনে নাৰীৰ প্ৰেম আৰু গৰিমাত যেনেকৈ মুগ্ধহৈ পুৰুষৰ বহল হিয়াত ৰসৰ সাগৰ সৃষ্টি কৰিছে, তাৰ একমাত্ৰ পৰিণতি কেৱল মাথোন 'কাৰেঙৰ লিগিৰী'তহে দেখিবলৈ পোৱা যায়। পশ্চিমীয়া নাট্যকাৰ গলছৱৰ্দী, ইবছেনে নাটকীয় পৰিৱেশ আৰু পৰিস্থিতি ফুটাই তুলি চৰিত্ৰক আগুৱাই নিয়াৰ দৰে জ্যোতিপ্ৰসাদেও ইয়াত তাকেই ফুটাই তোলাত কৃতকাৰ্য্যতা লাভ কৰিছে।

শ্ব (Shaw), গলছৱৰ্দী (Galsworthy) আদিৰ নাটত যেনেকৈ বিশদ বহল নাটকীয় নিৰ্দ্দেশনা পোৱা যায় 'কাৰেঙৰ লিগিৰী'তো আমি তেনেধৰণৰ বহল নিৰ্দ্দেশনা পাওঁ প্ৰত্যেক দৃশ্যৰ মুখবন্ধৰূপে। এনে নিৰ্দ্দেশনাই পৰিস্থিতি, চৰিত্ৰ আৰু কাৰ্য্যকলাপৰ স্বৰূপ উপলব্ধি কৰাত দৰ্শকক সহায় কৰে। গদ্যই ছন্দৰ স্থান লৈছে। দৃশ্য পৰম্পৰা সজাওঁতে নাটকীয় প্ৰয়োজনীয়তা আৰু ঔচিত্যালৈ লক্ষ্য ৰাখিছে। অযথা সংলাপ আৰু দৃশ্য সংযোগ কৰা নাই। যিটো দৃশ্যত সংলাপ নিদিলেও চলে, সাজ-সৰ্জ্জা আৰু চৰিত্ৰৰ অৱস্থিতি বা অৱস্থাই দৰ্শনীয় কথা পৰিস্ফুট কৰিব পাৰে, তাত সংলাপ দিয়া নাই। উদাহৰণ স্বৰূপে, প্ৰথম অঙ্কৰ চতুৰ্থ দৰ্শন আৰু পঞ্চম অঙ্কৰ শেষ দৰ্শন। এই দুটা দৃশ্যত সংলাপৰ ব্যৱহাৰ নাই। কিন্তু পৰিস্থিতিৰ ৰূপায়ণ ৰীতিয়ে বক্তব্য বিষয়খিনি পৰিস্ফুট কৰিছে।

ওপৰৰ আলোচনাৰ পৰা আমি কব পাৰো যে জ্যোতিপ্ৰসাদ অসমৰ প্ৰকৃত জাতীয় নাট্যকাৰ। মধ্যযুগীয় অসমৰ আহোম শাসন-কালৰ সামাজিক কাহিনী ৰচনা কৰি অসমীয়া জাতিৰ জাতীয় জীৱনৰ বজাৰ ৰাজ কাৰেঙৰ শোৱণী কোঠা, সোণ খটোৱা ছালপীৰা, ৰূপৰ দাপোন, সোণৰ শৰাই, কলডিলীয়া বৰজাপী, শলিতাৰ বন্তি, বৰপীৰা, গড়ৰ দুৱাৰ, ফুলকটা বস্তুৰ বৰ্ণনা অসমীয়া জাতিৰেই নিদৰ্শন। তাৰোপৰি অসমীয়া মানুহে ব্যৱহাৰ কৰা গৰখীয়া কাপোৰ, বুৰৰ আধাসোলোকা পাগ, অসমীয়াৰেই স্বৰূপ। জ্যোতিপ্ৰসাদ আছিল তীব্ৰ কল্পনা প্ৰৱণ, ভাবুক শিল্পী। কাল্পনিক সত্ত্বাৰে নাটকীয় সৌন্দৰ্য্য সজাই পৰাই মানুহৰ মনত ৰস সঞ্চাৰ কৰাত তেওঁ সিদ্ধহস্ত।

জ্যোতিপ্ৰসাদৰ নিজৰ কথাৰেই তেওঁৰ নিজৰ প্ৰতিভাৰ কথা প্ৰতিপন্ন কৰিব পাৰি; "নাটকীয় অভিনৱ চৰিত্ৰ সৃষ্টি কৰাত আৰু চৰিত্ৰ অঁকাত, নাটকীয় বচন ৰচনাৰ চাতুৰ্য্যত, নাটকীয় ঘটনাৱলী সজোৱাত, নাটকীয় চৰিত্ৰ আঁকি মৌলিকতা দেখুৱাত, আৰু এনেবোৰ চৰিত্ৰ বিচিত্ৰকৈ সুচিত্ৰিত কৰিব পৰাত, যাবতীয় নাটকীয় কাৰিকৰি মৌলিকতাৰে, বিচক্ষণ-ভাৱে খটুৱাই নাটকৰ শাৰীৰ নামে গামে অসমীয়া নাটক গীতে মাতে মিঠাকৈ দিব পৰাত সুদক্ষ প্ৰথম শ্ৰেণীৰ নাট লিখোতা" জ্যোতিপ্ৰসাদকে অসমৰ জাতীয় নাট্যকাৰৰ মুকুট পিন্ধাব পাৰি।

শেষত স্বৰ্গীয় ডিম্বেশ্বৰ নেওঁগদেৱৰ ভাষাত কবলৈ গলে— "জ্যোতিপ্ৰসাদৰ বিষয়ে এতিয়ালৈকে প্ৰসংশামূলক বহুত প্ৰৱন্ধই ওলাইছে। ই ভাল কথা; কিন্তু জ্যোতি-প্ৰসাদে অসমীয়া সংগীত আদি সংস্কাৰৰ বাবে ঠিক কি কি কেইটা কাম কৰিলে আৰু তাৰ বিকাশ সাধনৰ বাবে তেওঁৰ অনুগামীবিলাকে কি কৰিব পাৰে এনে বহুমুখী আলোচনা বিৰল যেন লাগে। জ্যোতিপ্ৰসাদে যে এক আৰম্ভনিৰ আৰম্ভ কৰিলে সন্দেহ নাই; কিন্তু যোৱা কুৰি বছৰে তাক আগবঢ়াই নিবলৈ আমাৰ মাজত কিথিনি গঠনমূলক কাম হৈছে বা হব পাৰে তেনে আঁচনিহে জ্যোতিপ্ৰসাদৰ যত্নৰ কাৰ্য্যকৰী শলাগনি হব পাৰে।" ★

---

"……যি জনতাই নিজৰ বুকুৰ তেজ যুগে যুগে দিও সংস্কৃতিক জীয়াই ৰাখি দুষ্কৃতিৰ পৰা সিহঁতৰ যাউতি যুগীয়া দুখ কষ্ট গুচাই, জীৱনৰ হাঁহি ফুলাব বুলি বাট চাই আছে, আজি শিল্পিয়ে প্ৰথমেই সকলো ভয়, দুৰ্বলতা ভ্ৰান্তি গচকি, খচকি, সুকুমাৰ কলাৰ অস্ত্ৰ লৈ সেই দুৰ্ভগীয়া জনতাৰ মাজতেই থিয় হবগৈ লাগিব— মোহমুক্ত অৰ্জ্জুন যেনেকৈ থিয় হৈছিল সংগ্ৰামৰ কাৰণে। আজি আমাৰ সাৰথি হৈছে সংস্কৃতি আৰু আমাৰ শত্ৰু হৈছে দুষ্কৃতি।"

—জ্যোতি প্ৰসাদ আগৰৱালা।

# নৈতিক শিক্ষাত এপলক

অনিমা বৰা
স্নাতক ১ম বাৰ্ষিক

আজিৰ ছাত্ৰই হৈছে ভবিষ্যত দেশৰ নেতা। গতিকে এই নেতাস্বৰূপ ছাত্ৰসকলৰ ভবিষ্যত গঢ়ি তোলাতো শিক্ষাৰ এক উল্লেখযোগ্য উদ্দেশ্য হোৱা বাঞ্চনীয়। যিহেতু তেওঁলোকক সুশিক্ষাৰে শিক্ষিত কৰি তুলিব পৰাতেই জাতি, সমাজ তথা ভবিষ্যৎ নিৰ্ভৰশীল। আনহাতে, দেশৰ ভবিষ্যৎ আশা ভৰসাৰ স্থল, এই ছাত্ৰসকলক আৱশ্যকীয় পৰা উপযুক্ত শিক্ষাপ্ৰদান কৰি একো একোজন আদৰ্শ ব্যক্তি হিচাপে গঢ়ি তোলাৰ দায়িত্ব শিক্ষা ব্যৱস্থাৰ ওপৰত। সেয়েহে শিক্ষা আঁচনিত শিশুৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশৰ বাবে বিভিন্ন বিষয় সন্নিবিষ্ট কৰা হৈছে। তাৰোপৰি গণতান্ত্ৰিক নাগৰিকৰ দায়িত্বপালন আৰু জীৱিকা উপাৰ্জনৰ যোগ্যতা আহৰণৰ সুবিধাও শিক্ষা ব্যৱস্থাই কৰি দিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে ব্যক্তিৰ ব্যক্তিত্ব গঠনৰ এটি অতি আৱশ্যকীয় বিষয়ৰ প্ৰতি আমি অদ্য পৰিমিত সুষ্ঠভাৱে মনোনিবেশ কৰা নাই, যাৰ পৰিণতিস্বৰূপে দেশত শিক্ষিতৰ সংখ্যা অধিক পৰিমাণে বাঢ়িছে যদিও তেওঁলোকৰ বেছিভাগৰে মনত জ্ঞানৰ জ্যোতি বিয়পিব পৰা নাই। সেয়েহে বিভিন্ন বিষয়ত জ্ঞানলাভৰ সম্মান লাভ কৰিলেও, সামাজিক জীৱন যাপনৰ পথত পদে পদে উজুতি খাব লগা হৈছে। ফলত, ব্যক্তি আৰু সমাজৰ মাজত সম্বন্ধ স্থাপনৰ প্ৰশ্নও জটিল হৈ পৰিছে। এই ক্ষেত্ৰত ৰাধাকৃষ্ণণৰ এটি উক্তি প্ৰণিধানযোগ্য বুলি বিবেচনা কৰিব পাৰি। তেওঁ কৈছে— "We are taught to fly in the sky like birds, we are taught to swim in water like fishes, but how to live in this world we donot know."

সমাজৰ একশ্ৰেণীলোকে জীৱনৰ প্ৰাৰম্ভতে এক উদ্দেশ্য স্থিৰ কৰি, সেই উদ্দেশ্যৰ দ্বাৰা প্ৰণোদিত হৈ শিক্ষালাভ কৰাৰ ফলত তেওঁলোকৰ জীৱন উদ্দেশ্যমুখীহৈ পৰিছে আৰু উদ্দেশ্য পূৰণৰ ক্ষেত্ৰত ন্যায় অন্যায় বা আন কোনো বিষয়ৰ চিন্তা কৰাৰ প্ৰয়োজন আৰু অৱসৰ দুয়োটাই প্ৰায় নোহোৱাৰ নিচিনা। এইসকলৰ বাহিৰেও 'জনসাধাৰণৰ সেৱাই জীৱনৰ ব্ৰত'— বুলি প্ৰতিশ্ৰুতি গ্ৰহণ কৰা চিকিৎসকসকলেও লোক দৃষ্টিৰ আঁৰলৈ নানা ধৰণৰ পাশৱিক কাৰ্য্যত ব্ৰতী হোৱাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰমাণ, ভুক্তভোগীৰ লগত হোৱা সাক্ষাৎকাৰ আৰু বাতৰি কাকত তথা আলোচনীৰ

পাতত পোৱা যায়। এনে অমানুষিক কাৰ্য্যই বৰ্ত্তমান যুগতো মানুহৰ মাজত আদিম বন্যপ্ৰকৃতিৰ উন্মেষ ঘটাইছে আৰু লগে লগে শিক্ষাৰ মানদণ্ডও যে যথেষ্ট নিম্নগামী কৰিছে তাক দোহাৰিবৰ প্ৰয়োজন নাই। লগতে এনে পৰিস্থিতিত সামাজিক জীৱনতো হা-হুতাশৰ সৃষ্টি কৰিছে। বৰ্ত্তমান বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ আশ্চৰ্য্যজনক অগ্ৰগতিয়ে বিশ্বৰ বুকুলৈ প্ৰগতিৰ সম্ভাৱনীয়তা কঢ়িয়াই আনিছে ই বাস্তৱিকতে সত্য; কিন্তু এই সম্ভাৱনীয়তাই স্থায়ী আৰু কাৰ্য্যকৰী ৰূপ লাভ কৰিব তেতিয়াহে, যেতিয়া শিক্ষা ব্যৱস্থাত সাধাৰণ শিক্ষাৰ লগত 'নৈতিক শিক্ষা' ৰ সমন্বয় ঘটোৱাৰ ব্যৱস্থা কাৰ্য্যকৰী হব।

৩) 'নৈতিকতা' হৈছে ব্যক্তিত্বৰ এক সংলক্ষণ যি ব্যক্তিৰ আভ্যন্তৰীণ প্ৰকৃতিৰ সৈতে ঐক্যবদ্ধ হৈ থাকে আৰু যাক সামাজিক ব্যৱস্থাৰে মূল্যায়ণ কৰা হয়। 'নৈতিক' শিক্ষাৰ অৰ্থ হৈছে ব্যক্তিত্ব, সাধুতা, বিশ্বাস, ন্যায়, সত্যবাদিতা, শৃঙ্খলাবদ্ধতা, আত্মনিয়ন্ত্ৰণ, স্বাধীনতা আদি নৈতিক গুণৰ প্ৰশিক্ষণ দিয়া।

পৃথিৱীৰ জীৱ-জগত আৰু জড়জগত ভগৱানৰ এক অনুপম সৃষ্টি। এই জীৱ আৰু জড়জগতৰ নিচিনাকৈ সৃষ্টিকৰ্ত্তাই পৃথিৱীত কিছুমান ৰীতি-নীতিৰ প্ৰৱৰ্ত্তন কৰিছে, যাক অনুসৰণ কৰি জীৱ আৰু জড় জগত পৰিচালিত হব লাগিছে। এই নীতিসমূহ চিৰশাশ্বত। গতিকে এই চিৰ প্ৰবাহমান ৰীতি-নীতিক যি সকলে উলঙ্ঘা কৰে, সেইসকলে তাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ পৰিণাম ভোগ কৰিব লগা হয়। নৈতিক শিক্ষাৰ মূল লক্ষ্য হৈছে ব্যক্তিৰ মনত 'সত্য', 'শিৱ' আৰু 'সুন্দৰৰ' স্বৰূপ উপলব্ধি কৰোৱা যাৰ দ্বাৰা ব্যক্তিয়ে বিশ্ব প্ৰকৃতিৰ বিনন্দীয়া ৰূপ উপভোগ কৰিব পাৰে। ইয়াৰ অন্যথাই মানৱ সমাজৰ আৰু প্ৰকৃতি ৰাজ্যত নানা ধৰণৰ বিশৃঙ্খলতাৰ সৃষ্টি হয়। সেয়েহে ব্যক্তিৰ জীৱনত নৈতিক শিক্ষাৰ অৱদান অনস্বীকাৰ্য্য। নৈতিক জ্ঞান-শূন্য শিক্ষাই ব্যক্তিৰ চৰিত্ৰগঠনত কিঞ্চিত পৰিমানো ইন্ধন যোগাব নোৱাৰে। বৰঞ্চ, এনে শিক্ষাই সমাজত কিছুমান অসামাজিক লোকৰ সংখ্যা বৃদ্ধি কৰি সামাজিক জীৱন জটিল কৰি তোলাৰ সম্ভাৱনাহে বেচি। এনেস্থলত ব্যক্তিৰ জীৱন যাত্ৰাত কিছুমান সমাধানহীন সমস্যাই কণ্টকৰূপে থিয় দি উঠিব।

এইখিনিতে প্ৰাচীন কালৰ 'গুৰুকুল শিক্ষাপদ্ধতিৰ কথা উনুকিয়াব পাৰি। সেই সময়ত শিক্ষাৰ উদ্দেশ্য আছিল শিক্ষাৰ্থীৰ আদৰ্শ তথা নৈতিক চৰিত্ৰ গঠন কৰা। সেয়েহে গুৰুসকলে নৈতিক শিক্ষাৰ প্ৰশিক্ষণ দি ছাত্ৰসকলক সৎ-চৰিত্ৰবান ব্যক্তি হিচাবে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আনহাতে গুৰুসকলৰ জীৱনৰ আদৰ্শ আছিল নৈতিক শিক্ষাৰ ওপৰত প্ৰতিষ্ঠিত। সেয়েহে

ছাত্রই গুৰুগৃহত থাকি নৈতিক শিক্ষাৰে চৰিত্ৰগঠন কৰাৰ লগতে নিজৰ জীৱন শৃংখলা কৰিবলৈ সক্ষম হৈছিল। বৌদ্ধ ধৰ্ম্মৰ আদৰ্শত সেই সময়ৰ ব্যক্তিৰ নৈতিক দিশৰ প্ৰতি থকা সচেতন মনোভাবৰ কথাকে সূচনা কৰে।

বৰ্ত্তমান বিশ্বত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাসমূহৰ মূলতে হৈছে, শিক্ষা ব্যৱস্থাত উপযুক্ত নৈতিক শিক্ষাৰ অভাৱ। ছাত্ৰৰ উশৃঙ্খলা তথা অপৰাধ প্ৰৱণতা বৰ্ত্তমান ভাৰতৰ এক জ্বলন্তসমস্যা। নৈতিক শিক্ষাৰ অভাৱেই জানো এনে সমস্যাৰ মূল কেৰোণ নহয়? সেয়েহে বৰ্ত্তমান ভাৰততো পুনৰ প্ৰাচীন ভাৰতৰ গুৰুকুল প্ৰথাৰ পুনৰাবৃত্তিৰ প্ৰয়োজন বুলি কলেও অত্যুক্তি কৰা নহব যেন লাগে।

বৃটিছ শাসনৰ লৌহ শৃঙ্খল ছিঙি স্বাধীনতা লাভ কৰাৰ আজি একত্ৰিশ বছৰ হ'ল। এই কেইবছৰত ভাৰতৰ শিক্ষাজগতত শিক্ষা পদ্ধতিৰ সংস্কাৰ সাধনৰ বাবে বহুতো 'শিক্ষা কমিটি' আৰু 'শিক্ষা আয়োগ' গঠিত হ'ল। এইবিলাকৰ ভিতৰত কেইখনমান শিক্ষা আয়োগে শিক্ষাত নৈতিক শিক্ষাৰ সমন্বয়ৰ বাবে কিছুমান নীতি আগবঢ়ায়। সেইবিলাকৰ ভিতৰত কোঠাৰী আয়োগৰ নীতি অনুসৰি বিদ্যালয়ৰ পাঠ্যসূচীত প্ৰতি সপ্তাহত দুটা পিৰিয়দ নৈতিক শিক্ষাৰ বাবে আচুতীয়াকৈ ৰাখি আৰু পাঠ্যপুথিত নৈতিক শিক্ষা থকা গল্প সন্নিবিষ্ট কৰিয়েই যথোচিত ভাৱে নৈতিক শিক্ষাপ্ৰদান কৰা হৈছে বুলি ভবাটো উচিত নহয়। এইক্ষেত্ৰত ঘৰুৱা পৰিবেশ, অৰ্থ নৈতিক অৱস্থা, শিক্ষকৰ ভূমিকা আদিৰ বিষয়ে বিবেচনা কৰা দৰকাৰ।

জন্মৰ পিচৰ পৰাই শিশুৰ ওপৰত পৰিবেশৰ প্ৰভাৱ পৰে। সেয়েহে শিশুৰ বিকাশৰ ওপৰত মাক দেউতাক আৰু পৰিয়ালৰ আন আন বয়োজ্যেষ্ঠ লোকৰ প্ৰভাব অসীম। তেওঁলোকৰ চৰিত্ৰৰ নৈতিক গুণ, সভ্য আচৰণ আৰু কৰ্ম্মৰ আদৰ্শনিষ্ঠ উদাহৰণে শিশুৰ নৈতিক চৰিত্ৰ গঠনত ইন্ধন যোগায়। আনহাতে তেওঁলোকৰ চৰিত্ৰত যদি কলঙ্কৰ চেকা থাকে, তেনেহলে শিশুৰ চৰিত্ৰত কলুষিত হৈ পৰিব। কিন্তু উল্লেখযোগ্য যে নিৰ্দিষ্ট নীতি বা পদ্ধতি নথকা হেতুকে কেৱল ঘৰুৱা পৰিবেশৰ সুষ্ঠতাই শিশুৰ ব্যক্তিত্ব গঠনত পৰিপূৰ্ণতা দান কৰিব নোৱাৰে। যিহেতু নীতি বিবৰ্জিত কোনো শিক্ষাই আদৰ্শ শিক্ষাৰ শ্ৰেণীভুক্ত হব নোৱাৰে।

অৰ্থনৈতিক দুৰৱস্থাৰ হেতু বিশ্বৰ বিভিন্ন দেশৰ অগণন জনতাই হা-হুতাশাৰ অতল সাগৰত পৰি মৃত্যুৰ ক্ষণ গণিব লগা হৈছে। অন্ন বস্ত্ৰৰ সমস্যাত জুৰুলা হৈ তেওঁলোকে নৈতিকতাৰ পিনে পিঠি দিছে। ফলত এমুঠি অন্নৰ বাবে গৃহ কন্দল আৰু ভ্ৰাতৃহত্যাৰ নিচিনা পাশবিক তথা ঘৃণনীয় কাৰ্য্যত লিপ্ত হবলৈকো কুণ্ঠাবোধ কৰা নাই। সেয়েহে

বৰ্ত্তমান শিক্ষা ব্যৱস্থাই অৰ্থ নৈতিক সমস্যা সমাধানৰ উপায় চিন্তা কৰাৰ ওপৰিও শিশুৰ মন নৈতিক শিক্ষাৰ প্ৰতি ধাৱিত কৰিবলৈ উপযুক্ত ব্যৱস্থা হাতত লোৱাটো অতীব প্ৰয়োজন হৈ পৰিছে। যিহেতু মানুহৰ জীৱনৰ মূল্যাঙ্কন নৈতিকগুণৰ ওপৰত ভিত্তি কৰিহে কৰা হয়। সেয়েহে Herbert Spencher এ কয় — "Moral education consists in the suppression of the lower and the primitive impulses and the cultivation of ideals."

শিশুৰ অন্তৰত নৈতিকতাৰ মূল্যবোধ জগাই তুলিবলৈ এজন আদৰ্শ শিক্ষকৰ প্ৰয়োজন। অনুকৰণশীল ছাত্ৰই শিক্ষকৰ আচাৰ ব্যৱহাৰ, পোছাক, পৰিচ্ছদ, আদি স্বাভাৱিকতে অনুসৰণ কৰে। সেয়েহে শিক্ষকৰ ব্যক্তিত্বই শিক্ষাৰ্থীৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায় আৰু ইয়েই শিক্ষাৰ্থীৰ নৈতিক চৰিত্ৰ গঠনত সহায় কৰে। সেয়েহে শিক্ষকৰ আচৰণ মাৰ্জিত আৰু চৰিত্ৰ নৈতিক গুণসম্পন্ন হোৱা উচিত। শিক্ষকে কথা আৰু কৰ্ম্মৰ মাজত সামঞ্জস্য ঘটাই নিজৰ সঞ্চিত অভিজ্ঞতাৰ সহায়ত শ্ৰেণীৰ ভিতৰ আৰু বাহিৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ছাত্ৰক নৈতিক শিক্ষা প্ৰদান কৰিব লাগে। দৈনন্দিন পাঠ্যসূচীৰ সাধাৰণ শিক্ষাৰ লগতে কৌশলেৰে ছাত্ৰক নৈতিক জ্ঞান দিব লাগে।

কোঠাৰী আয়োগ আৰু ১৯৬৮ চনৰ দিল্লীৰ শিক্ষা উপদেষ্টা কমিটিৰ নিৰ্দ্দেশ অনুসৰি শিক্ষাৰ বিভিন্নস্তৰত সুকীয়াকৈ নৈতিক শিক্ষাৰ বাবে পাঠ্যপুথি আৰু সময়-সূচী নিৰ্দ্ধাৰিত কৰি দিলেও সি, সাধাৰণ শিক্ষাৰ মাজেদি নৈতিক শিক্ষাৰ দান ব্যৱস্থাৰ সমপৰ্য্যায়ৰ হব নোৱাৰে। যিহেতু প্ৰথমটোতকৈ দ্বিতীয় পদ্ধতিটো যথেষ্ট ব্যাপক আৰু সহজ-সাধ্য।

যি কি নহওঁক নৈতিকতা হৈছে এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। সেয়েহে জাতিৰ উন্নতিত ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ। বৰ্ত্তমান গণতান্ত্ৰিক ভাৰতবৰ্ষই দেশ তথা জাতিৰ উন্নতিৰ বাবে সজ চৰিত্ৰবান, মহৎ গুণসম্পন্ন আৰু আত্মত্যাগি মনোভাৱৰ ব্যক্তি বিচাৰে। সেয়েহে আমি ইয়াৰ বাবে বিজ্ঞানসম্মতভাৱে নৈতিক শিক্ষাৰ পৰিবেশ গঢ়ি তুলিব লাগিব। যদি তাকে নকৰি পূৰ্ব্বৰ অন্ধ তথা ভুল ধাৰণাকে মনত পুহি ৰাখো তেনেহলে আমাৰ প্ৰবৃত্তি আৰু বন্যজন্তুৰ প্ৰবৃত্তিৰ মাজত কোনো প্ৰভেদ নাথাকিব, লগতে শিক্ষাৰ মানদণ্ডও ক্ৰমে নিম্নগামী হৈ আহিব। ●●●

---

**"এটি শিশুক কেৱল ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈকে শিক্ষা দিয়া অনুচিত, ইয়াৰ লগে লগে তেওঁক উপযুক্ত নাৰী বা পুৰুষ হ'বলৈয়ো গঢ় দিয়া উচিত।"**

—হাবাৰ্ট স্পেন্সাৰ।

গল্প

# নিয়তিৰ পৰিহাস

★ মৃনালিনী চেতিয়া
স্নাতক ১ম বাৰ্ষিক

এতিয়া ৰাতি প্ৰায় দুই বা আঢ়েটা বাজিছে। নগাঁৱৰ চিভিল হস্পিতেলত ১১ নং ৱাৰ্ডৰ সেই অপৰিচিত নিৰ্জন কোঠাটোত মোৰ বাহিৰে হয়তো সকলো নিদ্ৰামগ্ন। জীৱনৰ সৰ্বশ্ৰান্ত হেকুৱাই অথাই সাগৰত পৰি কৰ্কৰকাই থকা ক্লান্ত পথিক মই। পুৰবী নিশাৰ এই নীৰৱ মূহূৰ্ত্তটোত মৃত্যুৰ ক্ষণ গণি থকা এজন ৰোগীয়েও মায়া-মোহেৰে আবৃত এই সংসাৰৰ মায়াজালৰ পৰা শান্তিৰে মুক্তি পোৱাৰ স্বপ্ন দেখিছে আৰু পক্ষী-জগত। পক্ষীজগতটো দিনটোৰ কৰ্ম্মব্যস্ততাৰ পিচত পক্ষীহঁতে মানৱ প্ৰাণীৰদৰে বিশ্ৰাম লৈছে গছৰ ডালত, সিহঁতৰ চিৰপৰিচিত সেই বুকুৰ আপোন গছৰ খোৰোঙত। মাইকী পক্ষীজনীয়ে তাইৰ অতি মৰমৰ পোৱালিকেইটাক পাখিৰ মাজত ভৰাই বুকুৰ উম দি তাইও টোপনি গৈছে। মানৱ প্ৰাণীৰ মাতৃবাৎসল্যৰদৰে এই পক্ষীজগতৰো যে কিমান মৰম সিহঁতৰ সন্তানৰ প্ৰতি, তাইৰ মতা পক্ষীটোৰ প্ৰতি। সকলো প্ৰাণী-য়েই প্ৰেমত আবদ্ধ। পশু-পক্ষীৰ অন্তৰত প্ৰেম, মানৱৰ অন্তৰত প্ৰেম, জীৱ-জন্তুৰ অন্তৰত প্ৰেম, সকলোৱেই প্ৰেমত আবদ্ধ। কিয়নো সকলোৰে আছে এখন হৃদয়। তেনেহলে মোৰো জানো এখন হৃদয় থকা নাই? মোৰো জানো অন্তৰত প্ৰেম থকা নাই? মোৰো এখন হৃদয় আছে, মোৰো অন্তৰত প্ৰেম আছে, অকৃত্ৰিম প্ৰেম। কিন্তু সেই প্ৰেমৰ প্ৰকৃত মূল্যাঙ্কণ মই দিব পাৰিছো জানো? মোৰো এখন হৃদয় আছে। অথচ কিয় আজি মোক নিজকে প্ৰেমহীন, হৃদয়-হীন, প্ৰাণহীন এটা জড়পদাৰ্থৰ দৰে লাগিছে। মই নিজকে অনুভৱ কৰিছো "মই এটা অপদাৰ্থ"। কিন্তু, মইতো মানুহ, প্ৰকৃত মানুহৰ সকলোখিনি গুণ মোৰো আছিল। কিন্তু কিয় আজি জীৱনৰ এই চূড়ান্ত মূহূৰ্ত্তত মই পৰাজয় বৰণ কৰিব লগা হৈছে। আৰু কিয় আজি হস্পিতেলৰ নিৰ্জ্জন কোঠা-টোত মই অকলশৰে জীৱন মৃত্যুৰ চিৰ-সমস্যাৰ কথা স্মৰণ কৰিছো।

মনত পৰিছে। মোৰ মানস পটত এতিয়া ছায়াচিত্ৰৰদৰে মোৰ জীৱনৰ সকলো

প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। এতিয়া মই সুস্থ। সম্পূৰ্ণ সুস্থ। সেইয়া মোৰ মনলৈ আহিছে কঠিন হৈ যোৱা সেই আকস্মিক দুৰ্ঘটনাটো। জীৱনৰ চৰম মূহূৰ্ত্ত বিলাকতো জানো কোনো-দিনা মই তেনেদৰে সংজ্ঞা হেৰুৱাই পেলাই-ছিলো। অথচ কিয়, কিয় ???

মোৰ মনত পৰিছে কালিৰ মোৰ ৰসায়ণ বিদ্যাৰ ক্লাচত ক্লাচ কৰি থাকোতে মোৰ মতিভ্ৰম হৈ মই উচ্চাৰণ কৰিছিলো এশাৰী বাক্য "মোৰ জীৱনৰ ইতিহাস"। কিন্তু সেইয়া জানো ইতিহাসৰ ক্লাচ আছিল? সেইকাৰণে মোৰ সন্মূখৰ বেঞ্চত বহা পৰেশে যেতিয়া ডাঙৰকৈ চিঞৰি কৈছিল "চাৰ আপুনি কি কৈছে, এতিয়া কেমেষ্ট্ৰিৰ ক্লাচহে।" তেতিয়াই মই সংজ্ঞা হেৰুৱাইছিলো আৰু একো নামাতি Register বহীখন লৈ ওলাই আহিছিলো ক্লাচৰ পৰা অসীম ধৈৰ্য্যৰে। পাৰ্য্যমানে সুস্থ হবলৈ চেষ্টা কৰিও মই ব্যৰ্থ হৈছিলো। অসীম ধৈৰ্য্যৰে মই Professor's Common Room ৰ মোৰ চকীখনত বহিছিলোগৈ আৰু তেতিয়াই মই অজ্ঞান হৈ পৰিছিলো। সেই মূহূৰ্ত্তত অধ্যাপক সেনগুপ্তই কোৱা এশাৰী বাক্য মোৰ স্পষ্ট মনত আছে।

"হোৱাট, হোৱাট হেপেণ্ড টু মিঃ চৌধুৰী, হেল্লো, মিঃ বৰুৱা, পাৰহেপচ্ হি ইজ নাৰ্ভাছ। প্লিজ টেক হিম টু দি চিভিল হস্পিতেল" আৰু তেতিয়াই হয়তো অধ্যাপক সকলে মোৰ অৱস্থাৰ কথা বুজি মোক হস্পিতেললৈ লৈ আহিছিল আৰু সেই সময়ৰ পৰা মই মোৰ সংজ্ঞা এতিয়া ফিৰাই পাইছো। এতিয়া মই সকলো সুস্থকৈ চিন্তা কৰিব পাৰিছো।

কালিৰ দিনটো মোৰ বাবে যে কি অমঙ্গলীয়া দিন আছিল, কালিৰ সেই কুলক্ষনীয়া দিনটোতেই হেৰুৱাইছো মোৰ জীৱনৰ সৰ্বস্বান্ত। ঘৰৰ পৰা মা-দেউতাৰ ইচ্ছাৰ বিৰুদ্ধে গৈ মা-দেউতাৰ মৰম-স্নেহৰ পৰা বঞ্চিত হৈ গুচি আহিছিলো কেৱল মাত্ৰ এখন অন্তৰক জীয়াই ৰাখিবৰ বাবে, কিন্তু সেইখন অন্তৰ, সেই আশা আজি মোৰ হৃদয়ৰ পৰা নিঃশেষ হৈ গৈছে। মোৰ জীৱনৰ সকলো হেৰাল। ধৈৰ্য্যৰে আকৌ পঢ়িছিলো স্বপ্নাৰ সেই চিঠিখন। স্বপ্নাৰ জীৱনৰ শেষ মূহূৰ্ত্তৰ সেই ভাষাৰ, সোণবুলীয়া গোট গোট আখৰৰ চিঠিখন। লাইটতো অন কৰি দি মোৰ কাষত থকা বেগটোৰ পৰা উলিয়াই মই আকৌ পঢ়িছিলো সেইখন চিঠি, যাৰ বাবেই আজি মই এই নিঃসহায় অৱস্থাত। অথচ পঢ়িছিলো অসীম ধৈৰ্য্যকে। কিজানিবা মোৰ ভ্ৰম হৈছে "স্বপ্নাৰ মৃত্যু হোৱা নাই, স্বপ্না জীয়াই আছে। স্বপ্নাই আশাৰে বাট চাই আছে সেই দিনটোৰ বাবে, যিদিনা আমাৰ এক মধুৰ মূহূৰ্ত্তত মিলন হব। সেই দিনটোলৈ অপেক্ষাৰে বাট চাই আছে।" সেয়েহে পঢ়ি গৈছিলো।।

শ্ৰদ্ধাষ্পেষু,

জীৱনৰ এই শেষ মূহূৰ্ত্তটোত আপোনাৰ বাবে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অকৃত্ৰিম প্ৰেমবিলাক প্ৰতিদান স্বৰূপে দি গলো আপোনাৰ হৃদয়ত চিৰজীৱিত কৰি ৰাখিবৰ বাবে। অমল দা, এই চিঠি পোৱাৰ আগতে মই আপোনাৰ পৰা এনে এক দূৰত্বত থাকিম, যি দূৰত্বক

আপুনি কোনোদিনে অতিক্রম কৰিব নোৱাৰে। জীৱনত আপুনি কোনো দিন কল্পনা কৰিব নোৱাৰা এটা অতি জঘন্য কাৰ্য্য আজি মই কৰিবলৈ ওলাইছো, কিছুমান এবাব নোৱাৰা জীৱনৰ সমস্যাৰ কড়াল গ্ৰাসত পৰি। জীয়াই থাকিবৰ বাবেই মানুহৰ জীৱনত কিমান সংগ্ৰাম। এই ক্ষণস্থায়ী জীৱনটোৰ প্ৰতিয়েই যে মানুহৰ কিমান মোহ। ইয়াক জীয়াই ৰাখিবলৈকে মানুহৰ কিমান প্ৰচেষ্টা। কিন্তু কেতিয়াবা মানুহৰ এই মূল্যবান জীৱনটোৰ প্ৰতিও মোহ হেৰাই যায়। যেতিয়া মানুহৰ এই সংসাৰৰ প্ৰতি বিৰাগভাৱ উপজে, ঘৃণা জন্মে, মানুহে যেতিয়া মানুহৰ জীৱনৰ মূল্য-বোধ দিব নিবিচাৰে, মানুহে যেতিয়া মানুহক ঘৃণা কৰে, যেতিয়া মানুহে উচ্চ-নীচ, ধনী দুখীয়া আদি বিভেদৰ সৃষ্টি কৰে, তেতিয়াই মানুহে জীয়াই থকাৰ মোহ হেৰুৱাই পেলায়। আত্মহত্যা মহাপাপ। মহাপাপ বুলি জানিও মই আজি এই মহাপাপক আকোৱালি লবলৈ বাধ্য হৈছো জীৱনৰ কিছুমান নিষ্ঠুৰ আঘাটক দমন কৰিব নোৱাৰি। জীয়াই থাকিবৰ বাবে মই আজীৱন সংগ্ৰামৰ প্ৰতিশ্ৰুতি গ্ৰহণ কৰিছিলো, কিন্তু সেই সংগ্ৰামত মই কৃতকাৰ্য্য হব নোৱাৰিলো। প্ৰকৃত মানবী হিচাবে জীৱনটোক গঢ়ি তুলিবলৈ চেষ্টা কৰিছিলো, কিন্তু সেই চেষ্টাত মই কৃতকাৰ্য্য হলেও এই মূহূৰ্ত্তত ব্যৰ্থ অনুভৱ কৰিছো। ভাবিছিলো জীৱনটোক গঢ় দি মোৰ দৰিদ্ৰ পৰিয়ালটোক জীয়াই ৰাখিম, ভাবিছিলো মোৰ পিতৃৰ দৰে হাজাৰ জন দৰিদ্ৰ পিতৃক উদ্ধাৰ কৰিম দৰিদ্ৰতাৰ কড়াল গ্ৰাসৰ পৰা। ভাবিছিলো এখন শোষণহীন, বিভেদহীন প্ৰকৃত সমাজ গঢ়ি তুলিম। কিন্তু মোৰ সেই আশা, আশা হৈয়েই ৰল।

অমল দা, কি কাৰণবশতঃ মই নেজানো। আজি কেইবামাহো মই আপোনাৰ চিঠি নাপায় বৰ চিন্তিত হৈ পৰিছিলো। তথাপিও আপোনাৰ প্ৰেমৰ ওপৰত মোৰ দৃঢ় বিশ্বাস থকাৰ বাবেই আপোনাক ভুল বুজা নাছিলো। আশাৰে বৈ আছিলো জীৱনৰ শেষ মূহূৰ্ত্তলৈকে আপোনাৰ এখন চিঠিৰ বাবে, এশাৰী বাক্য বা এটা শব্দৰ বাবে। আজি হয়তো প্ৰায় এমাহ হৈছে। এদিন মই College Common Room ত বহি থাকোতে হয়তো আপোনাৰ সম্বন্ধীয় মোৰ এজনী বান্ধৱীৰ মুখে আপোনাৰ বিয়াৰ দিন স্থিৰ কৰা কথা জানিবলৈ পালো। অচিনাকী ভাৱত বান্ধৱীজনীৰ পৰা মই আপোনাৰ বিষয়ে সকলো সুধি পেলালো। বান্ধৱীজনীৰ পৰা যি জানিব পাৰিলো সি সকলো সত্য যেন অনুভৱ কৰিছো। যোৰহাটৰ ডাঃ বিপিন বৰুৱাৰ কন্যা, বীণা বৰুৱাৰ সৈতে আপোনাৰ বিয়াৰ দিন স্থিৰ কৰা কথা শুনিবলৈ পালো। অথচ আপোনাৰ প্ৰেমত বিশ্বাস ৰাখি জীৱনৰ শেষ মুহূৰ্ত্তলৈকে আশা কৰি আছিলো, আপোনালৈও এই বিষয়ে সবিশেষ লিখি-ছিলো। কিন্তু আজি পৰ্য্যন্ত আপোনাৰ পৰা একো প্ৰত্যুত্তৰ নাপাই মোৰ জীৱনৰ প্ৰতি মোহ হেৰাই গৈছে। মোৰ ঘৰখনৰ

আৰ্থিক অনাটন আপুনি নজনাকৈ থকা নাই। আপোনাৰ দৰে ধনীৰ সন্তানৰ প্ৰেমত পৰি মই মহাপাপ কৰিলো আৰু এই পাপৰ প্ৰায়শ্চিত্ত আজি মোৰ এই আত্মহত্যা। জীৱনত এটাৰ পাচত এটাকৈ নিষ্ঠুৰ আঘাটত মই মৰ্মাহত। দেউতাই আজি আমাক দলনিত পোনা মেলাৰ দৰে এৰি থৈ এসপ্তাহৰ আগতে বিদায় লৈছে এই সংসাৰৰ পৰা চিৰদিনৰ বাবে। দেউতাৰ লগে লগে ময়ো বিদায় লৈছো অমল দা। মা আৰু ভাইটি দুটাক এইখন সমাজত এৰি থৈ যাবলৈ মোৰ বৰ ভয় লাগিছে। অথচ বাধ্য হৈছো। আপোনাৰ ওচৰত মোৰ এটি শেষ অনুৰোধ কেতিয়াবা মনত পৰিলে এই দুৰ্ভগীয়া মা আৰু ভাইটি কেইটালৈ এবাৰ উলটি চাব। সকলোৱে মৰিব নোৱাৰে। ইমান নিষ্ঠুৰ আঘাটতো মা যে জীয়াই আছে ধৈৰ্য্যৰে তাৰ বাবে মাৰ জীৱনক মোৰ অশেষ ধন্যবাদ। মা শৰ্য্যাগত অৱস্থাত, মোৰ মৃত্যুৰ শেষত ভাইটি-ভনীহঁতৰ কি অৱস্থা হ'ব। এই পৃথিবীত জানো কোনোবা আছে সিহঁতলৈ এবাৰ উলটি চাবৰ বাবে। মই জীয়াই থাকিব লাগিছিল ইহঁতৰ বাবেই। কিন্তু জীয়াই থাকো কি আশা লৈ। মোৰ আশাই বা ক'ত? দেউতাক হেৰুৱালো, দেউতাৰ চিকিৎসাত ঘৰৰ সকলো সা-সম্পত্তি হেৰুৱালো। Scholarship ৰ সকলো টকা দেউতাৰ চিকিৎসাত খৰছ কৰিলো অথচ দেউতাৰ জীৱন ঘুৰাই আনিব নোৱাৰিলো। জীৱনৰ সৰ্বস্ব হেৰাল। মোৰ দৰে দুৰ্ভগীয়াৰ জীয়াই থকাৰ প্ৰয়োজনেই বা কি? আপোনাৰ উপযুক্ত প্ৰাৰ্থী হিচাবে মই জন্ম লাভ কৰা হ'লে আজি এনে অৱহেলিত আৰু অনাদৃত হ'ব নালাগিলহেঁতেন। আজিৰ সমাজত দৰিদ্ৰবিলাক এইদৰেই অনাদৃত নহয় জানো অমল দা? ভগৱানৰ কাষত প্ৰাৰ্থনা কৰিছো পূৰ্ব্বজন্মত যাতে মই আপোনাক মোৰ স্বামী হিচাবে গ্ৰহণ কৰিব পাৰো উপযুক্ত স্ত্ৰীৰ উপযুক্ততাৰে। আপোনাৰ জীৱনৰ মধুৰ মুহূৰ্ত্ত বিলাকত কেতিয়াবা এই অভাগিনীক মনত পেলালে মোৰ আত্মাই সিখন জগততো শান্তি পাব। বহুত লিখিলো। আপোনালৈ মোৰ লিখিবলগীয়া আৰু বহুত আছিল। কিন্তু এই মুহূৰ্ত্তত মোৰ ভাষা হেৰাই গৈছে, হাত নচলা হৈছে, সৰ্বশৰীৰ কঁপি উঠিছে। ৰাতি প্ৰায় ১১ বাজিছে। গছৰ ডালত পৰি মতা ফেঁচাটোৰ 'নিউ', 'নিউ' শব্দই যেন মোকেই আহ্বান কৰিছে। এই মুহূৰ্ত্তৰ পিছতেই মই আঁতৰি যাম ইহ সংসাৰৰ পৰা বহু দূৰলৈ, বহু দূ...ৰ... লৈ। মূৰটো দেখোন খুব ঘুৰাইছে। বিহৰ বটল কেইটাত হাত দিছো। ভয় লাগিছে দেখোন মৰিবলৈ। নাই মৰিবই লাগিব আৰু মই লিখিব নোৱাৰো। ৰাতিপুৱা মোৰ মৃতদেহটো পৰি থাকিব বিচনাতে। মায়ে কি কৰিব? খুব কান্দিব। কিন্তু আপুনি, আপুনি জানো মোৰ দেহৰ শীতল স্পৰ্শ শেষ মুহূৰ্ত্তৰ বাবেও অনুভৱ কৰিব পাৰিব। নাই, নোৱাৰে। মই এতিয়াও বহুত আঁতৰত আপোনাৰ পৰা আৰু নোৱাৰো লিখিব। মোৰ হাতখন কিবা জঠৰ জঠৰ লাগিছে। শেষত পুনৰবাৰ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অকৃত্ৰিম প্ৰেম আপোনাৰ বাবে ৰাখি গলো আৰু আপোনাৰ দাম্পত্য

জীৱনৰ মধুৰতাৰ কামনাৰে চিৰ বিদায় অমল দা। চিৰ বিদায়, বি···দা···য়। বি···দা···য়।

ইতি—
অভাগিনী
"স্বপ্না"

এয়াই আছিল স্বপ্নাৰ জীৱনৰ শেষ লিখনি। স্বপ্না তেনেহলে আজি ইহ সংসাৰত নাই। মোৰ বাবেই স্বপ্নাই আত্মহত্যা কৰিলে। কিয় স্বপ্নাই ভুল বুজিলে মোক আৰু এসপ্তাহৰ বাবেও যদি বাট চালেহেঁতেন। নহয়, ময়েই ভুল কৰিলো। স্বপ্নাই মোক ভুল বুজা নাছিল। এদিন স্বপ্নাক প্ৰতিশ্ৰুতি দিছিলো। তোমাক ভালপোৱাৰ আগতেই তোমাক গ্ৰহণ কৰিব পৰা সাহস খিনি সঞ্চয় কৰিছো স্বপ্না। স্বপ্নাই মোৰ বুকুত মূৰ গুজি সেইদিনা উচুপি উচুপি কৈছিল "আপোনাৰ হৃদয়ত চিৰদিনেই মই এইদৰে থাকিম নে অমল দা।"

: স্বপ্না— তুমি কেতিয়াবা কল্পনা কৰিব পাৰানে তোমাৰ অবিহনে মোৰ হৃদয়ত অন্য এখন হৃদয়ক স্থান দিব পাৰিম বুলি। তুমিয়েই মোৰ আজীৱন হৃদয়ৰ অধিষ্ঠাত্ৰী দেৱী স্বপ্না।

: কিন্তু তথাপিও কেতিয়াবা মোৰ অন্তৰাত্মা কঁপি উঠে কিজানিবা আমাৰ বিচ্ছেদ ঘটে।

: কেতিয়াও আমাৰ এই অহৈতুকী প্ৰেমত বিচ্ছেদ ঘটিব নোৱাৰে স্বপ্না।

: তথাপিও, তথাপিও কেতিয়াবা দেখোন খুব ভয় লাগে। কিজানিবা বিচ্ছেদ ঘটে। মোৰ ঘৰখন আৰু আপোনালোকৰ ঘৰখনৰ মাজত বিৰাট পাৰ্থক্য "আমাৰ মাজত আছে এক অভেদ্য প্ৰাচীৰ। আপুনি জন্মগ্ৰহণ কৰিছে সোণৰ চকুত হাত দি। মোৰ দৰে এজনী দুৰ্ভগীয়া, দৰিদ্ৰ পৰিয়ালৰ ছোৱালীক মা-দেউতাই জানো গ্ৰহণ কৰিব পাৰিব।"

: তুমি কেতিয়াও দুৰ্ভগীয়া হ'ব নোৱাৰা স্বপ্না। তোমাৰ দৰে দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰি সমাজত উচ্চস্থান পোৱা তুমি জানো দুৰ্ভগীয়া ? কেতিয়াও নহয়। তুমি সৌভাগ্যশালিনী স্বপ্না।

: আপুনি মোক সৌভাগ্যশালিনী বুলি কব পাৰে। কিন্তু আপোনাৰ মা-দেউতাৰ মানত জানো মই সৌভাগ্যশালিনী হব পাৰো। তেখেত সকল জানো মান্তি হব ?

: তোমাক ভাল পোৱাৰ আগতেই তোমাক গ্ৰহণ কৰাৰ সাহস মই সঞ্চয় কৰিছো স্বপ্না। মোক ইমান কা-পুৰুষ বুলি তুমি নাভাবিবা। দেউতাৰ মই একমাত্ৰ সন্তান। নিশ্চয় দেউতা মোৰ বিৰুদ্ধে নাযায় আৰু গলেও এটা সময়ত ক্ষমা কৰিব নিশ্চয়।

: কিন্তু তথাপি, তথা···পিও···।

: তোমাক মই প্ৰতিশ্ৰুতি দিছো স্বপ্না তুমি মোৰ আৰু মই তোমাৰ।

সেইদিনাৰ স্মৃতি। যিদিনা মই স্বপ্নাক প্ৰতিশ্ৰুতি দিছিলো, আজি মই ৰোমন্থন কৰিছো। সঁচাকৈ মই কা-পুৰুষ। স্বপ্নাই জীৱনৰ শেষ মুহূৰ্ত্তলৈকে মোৰ বাবে আশাৰে বৈ আছিল। স্বপ্নাই এদিন কোৱা সেই কথাষাৰে আজি সত্যত পৰিণত হ'ল। আমাৰ প্ৰেমত বিচ্ছেদ ঘটিল। কিন্তু স্বপ্নাই যদি জানিব পাৰিলেহেঁতেন। স্বপ্নাৰ বাবেই মই দেউতাৰ ইচ্ছাৰ বিৰুদ্ধে গৈ আজি মা-দেউতাৰ মৰমৰ

পৰা বঞ্চিত হৈ অকলশৰীয়া এটা প্ৰাণী। স্বপ্নাৰ অবিহনে বীণাক মোৰ অৰ্দ্ধাঙ্গিনী কৰি মই জানো সুখী হ'ব পাৰিলোহেঁতেন আৰু সেইকাৰণেইতো দেউতাই মোক ত্যজ্যপুত্ৰ কৰিলে। দেউতাৰ মোৰ প্ৰতি কিয় অকণো দয়া নুপজিল? দেউতা বাৰু কিয় ইমান নিষ্ঠুৰ হৈ গ'ল। মোৰ অন্তৰৰ বেদনা দেউতাই কিয় এবাৰৰ বাবেও উপলব্ধি নকৰিলে। বিবাহৰ ক্ষেত্ৰত মাক-দেউতাকৰ মতকেই মানি চলাটো উচিত। কিন্তু সেইটো নিৰ্ভৰ কৰে সন্তানৰ ওপৰত। কিয়নো স্ত্ৰীয়ে আজীৱন কটাব লাগিব স্বামীৰ লগত। সেইকাৰণে সন্তানৰ মনোনয়নৰ ওপৰত পিতৃ-মাতৃয়ে গুৰুত্ব দিয়াতো জানো উচিত নহয়? মোৰ দেউতা শিক্ষিত হৈয়ো কিয় মোৰ অন্তৰৰ কথা বুজিব নোৱাৰিলে। দেউতাৰ লগততো মোৰ বিয়াৰ বিষয়ত দেউতাৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাৰ বাহিৰে অন্য একো মনোমালিন্য ঘটা নাছিল। তথাপিও দেউতাই মোক কিয় ক্ষমা কৰিব নোৱাৰিলে।

সেইদিনা, যিদিনা মই দেউতাৰ পৰা টেলিগ্ৰামখন পাইছিলো মই ভাৱিছিলো। দেউতাই কিয় ইমান সোনকালে ঘৰলৈ মাতিছে। অন্তৰ কঁপি উঠিছিল কিজানি মা বা দেউতাৰ কিবা চিৰিয়াছ অসুখ হৈছে। ইয়াৰ বাহিৰে মোৰ মনলৈ কোনো মনোভাৱ অহা নাছিল। তাৰ পাছত যেতিয়া মই ঘৰলৈ আহি জানিবলৈ পালো দেউতাই মোৰ বিয়াৰ দিন স্থিৰ কৰিছে যোৰহাটৰ ডাঃ বিপিন বৰুৱাৰ কন্যা বীণা বৰুৱাৰ লগত। তেতিয়া মই কি হৈ গৈছিলো কব নোৱাৰো। বাৰে বাৰে মনলৈ আহিছিল স্বপ্নাৰ স্মৃতি। স্বপ্নাৰ মধুৰ স্মৃতি কিন্তু মই দেউতাৰ আগত কিদৰে প্ৰকাশ কৰিম যে মই "স্বপ্নাৰ বাহিৰে কাকো মই মোৰ পত্নীৰূপে গ্ৰহণ কৰিব নোৱাৰো।" তথাপিও এটা সময়ত দেউতাৰ আগত সকলো প্ৰকাশ্যে প্ৰকাশ কৰি দিছিলো। কিন্তু দেউতা অবুজন। কোনো প্ৰকাৰেই দেউতা মান্তি নহয়। কিন্তু দেউতাক মই স্পষ্ট মতামত দিছিলো স্বপ্নাৰ বাহিৰে মই কাকো গ্ৰহণ কৰিব নোৱাৰো। তেতিয়া ৰাতি প্ৰায় ১০½ বাজিছিল। মোৰ কোঠাটোত আছিল কেৱল দেউতা আৰু মই। এটা মূহুৰ্ত্তত একো মাত নামাতি দেউতা মোৰ কোঠাটোৰ পৰা ওলাই গৈছিল আৰু সেইদিনা ৰাতি, ৰাতি মই শুব পৰা নাছিলো। গোটেই ৰাতি চট্‌ফটাই কটাই দিছিলো। এহাতে মা-দেউতা, এহাতে স্বপ্না আৰু আনহাতে বীণাহঁতৰ ঘৰখন। কি কৰিম মই উপায়-হীন আৰু দেউতা, দেউতাহঁত হয়তো শুব পৰা নাছিল।

ঃ দাদা ইমান দেৰীলৈকে শুই থাকে জানো। আমি কেতিয়াবাই উঠিলো। কিমান সময় হল বাৰু কওকচোন।

ভণ্টীৰ মাতত সাৰ পাইছিলো। ৰাতি-পুৱা চিল্‌মিল্‌কৈ টোপনি আহিছিল মাথোন।

ঃ অ' মানু নেকি; মই উঠিছো বাৰু চাহ কৰগৈ যা।

ঃ চাহ-জলপান কেতিয়াবাই যোগাৰ কৰা হ'ল। আপোনাৰ বাৰু কিমান সময় হ'ল কওকচোন।

কিমান সময় হব আৰু ৰাতিপুৱা ৫ বাজিছে।

: ইস, হয়, এতিয়া ৮ বাজিলে। ট্ৰেইন আহিলেই।

সঁচাকৈয়ে মৰাণৰ পৰা শিৱসাগৰ অভিমুখে যাব খোজা ট্ৰেইনখনৰ উকিটো ইতিমধ্যে মই শুনিছিলো। বিচনাৰ পৰা উঠি আহি মুখখন ধুই মোৰ কোঠাটোলৈ আহিছিলো। ৯ বছৰীয়া মোৰ সৰু ভনী-জনী অৰ্থাৎ মানুৱে ইতিমধ্যে মোৰ টেবুলত সকলো যোগাৰ কৰি ৰাখি থৈছেহি। তাইৰ ককায়েকটোৰ প্ৰতি যে তাইৰ কিমান মৰম। তাইৰ মনত আঘাত নিদিওঁ বুলিয়েই পুৱাৰ আহাৰ খাই লৈছিলো। বিয়াৰ বাবে আগতীয়াকৈ অহা বাইদেউ আৰু পেহীদেউৰ লৰা-ছোৱালীকেইটাই ঘৰখন তল-ওপৰ কৰি আছে। ঘৰখনত থাকি মই শান্তি নোপোৱা হৈছো। মনটোক অলপ শান্ত্বনা দিবৰ বাবেই ওলাই যাব বিচাৰিছিলো ৰাস্তাৰ ফালে। মানুৱ মাতত ঘূৰি চাইছিলো।

: দাদা, আপোনাক দেউতাই মাতিছে।

: দেউতাই মাতিছে, কিয় মাতিছে ?

: কিয় জানো মাতিছে, সোনকালে মাতিছে।

দেউতাই মাতিছে, কিয় মাতিছে। মোৰ সৰ্ব্বশৰীৰ কঁপি উঠিল। বুকুখন এবাৰ চিৰিংকৈ উঠিল। "মই গৈছো বুলি কৈগে যা মানু।" তাই গুচি গৈছিল।

ভয়ে ভয়ে আগবাঢ়ি গৈছিলো দেউতাৰ ওচৰলৈ। দেউতাৰ গুৰুগম্ভীৰ মূৰ্ত্তিটো দেখিয়েই মোৰ চূৰ্ত্তি হেৰাল। চোফাখনত বহি দেউতা গভীৰ চিন্তাত নিমগ্ন হৈ আছে। চুচুক চামাককৈ মই আগবাঢ়ি গলো।

: দেউতা, মোক মাতিছিল।

: অ' মাতিছিলো, তোৰ স্পষ্ট মতামত মই আজি পাব বিচাৰিছো। বিয়ালৈ মাত্ৰ আৰু দুটা দিন বাকী। অথচ আজিও মই একো সিদ্ধান্তলৈ আহিব পৰা নাই। তোৰ শেষ মতামত কি অমল ?

: দেউতা, মই কালিয়েই মোৰ স্পষ্ট মতামত আপোনাক জনাইছো। আপোনাৰ বালাবন্ধু ৰাজেন বৰুৱাৰ কন্যা স্বপ্নালী বৰুৱাৰ বাহিৰে মই কাকো মোৰ পত্নী হিচাবে গ্ৰহণ কৰিব নোৱাৰো দেউতা। এইয়া মোৰ শেষ আৰু স্পষ্ট মতামত। বীণাক মোৰ পত্নী হিচাবে মই কেতিয়াও গ্ৰহণ কৰিব নোৱাৰো। দেউতা আপুনি মোক শেষ বাৰৰ কাৰণে ক্ষমা কৰিব।

এটা সিংহৰ দৰে দেউতালৈ মই ভয় কৰিছিলো আৰু শ্ৰদ্ধা কৰিছিলোও সেইদৰে, দেউতাইও মোক খুব মৰম কৰিছিল। মা-দেউতাৰ সকলো মৰমৰ প্ৰথম অধিকাৰী আছিলো মই। কিন্তু এই মুহূৰ্ত্তত দেউতাৰ প্ৰতি থকা মোৰ ভয় আঁতৰি গৈছিল আৰু হয়তো মোৰ প্ৰতি থকা দেউতাৰ মৰমো লাহে লাহে কমি আহিছিল। দেউতাৰ সন্মুখত সাহসেৰে থিয় দিছিলো মই যুক্তিৰে বশ কৰিবলৈ। তথাপিও ঠক ঠককৈ কঁপি-ছিলো মই।

ঃ কি কলি, তোৰ কি হ'ল অমল। তোৰ মগজুত কিবা সোমাল নেকি? ৰাজেন বৰুৱাৰ দৰে দৰিদ্ৰ খেতিয়কৰ ঘৰৰ ছোৱালী বিয়া কৰাই তই মোৰ বংশৰ কলঙ্ক আনিব বিচাৰিছনেকি অমল। তই মোৰ একমাত্ৰ সন্তান। ভাৱিছিলো, তই মোৰ সকলো আশা পূৰণ কৰিবি। তই মোৰ আশা পূৰণ কৰিছিলি মাত্ৰ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটো লৈ। কিন্তু তই মোৰ এতিয়া সকলো আশা চূৰমাৰ কৰিব বিচাৰিছ কিয় অমল। ক, এতিয়াও সময় আছে। তই ভালদৰে চিন্তা কৰি কচোন।

বাৰে বাৰে দেউতাৰ সেই একে প্ৰশ্ন। দেউতা শিক্ষিত হৈও ইমান অবুজন কিয়? দেউতাই মোৰ অন্তৰখন এবাৰো উপলব্ধি কৰিলেহেতেন যদি।

ঃ বাৰে বাৰে আপুনি মোক সেই একে প্ৰশ্নকে কৰি আছে কিয় দেউতা? মই মোৰ প্ৰতিশ্ৰুতি কেতিয়াও ভঙ্গ কৰিব নোৱাৰো। আপোনাক মই অনুৰোধ কৰিছো দেউতা, মিছাতেই এজনী ছোৱালী আৰু এখন ঘৰৰ মানুহক অশান্তি দিব নিবিচাৰিব। মই কেতিয়াবাই মোৰ মতামত দিছো। পুনঃ পুনঃ একে প্ৰশ্নকে তুলি আপুনি মোক অশান্তি দিব নিবিচাৰিব দেউতা।

ঃ তোৰ অশান্তি, তোক অশান্তি দিছো নে তই মোৰ অন্তৰত কুঠাৰাঘাট কৰিছ অমল। তই মোৰ অন্তৰত একুৰা বেদনাৰ জুই জ্বলাইছ অমল।

ঃ নহয় দেউতা, আপোনাক মই একো অশান্তি দিয়া নাই। দেউতা, বীণাক আপোনাৰ বোৱাৰী হিচাবে গ্ৰহণ কৰিব পাৰিলে স্বপ্নাকো পাৰিব। বীণাতকৈ স্বপ্নাও কোনো গুণে হীন নহয়। কিহৰ বাবে স্বপ্না আপোনাৰ বোৱাৰীৰ অনুপযুক্ত। মই একো বুজিব পৰা নাই দেউতা।

ঃ তোক এতিয়া মই বুজাব লাগিব নহয়? দীন-দৰিদ্ৰ, ছালছিগা, ভিকহুৰ ঘৰৰ স্বপ্নাৰ লগত সম্ভ্ৰান্ত পৰিয়ালৰ বীণাৰ তুলনা কৰিব বিচাৰিছ। তই ইমান নীচ হৈ গলি কিয় অমল? দেউতাৰ মুখত নীচ শব্দটো শুনি মোৰ খং উঠিছিল। দেউতা হলেও এনে বাক্য কোনে সহ্য কৰি থাকিব পাৰে।

ৰাজেন বৰুৱাৰ দৰে দৰিদ্ৰ শ্ৰেণীটোক আপুনি ঘৃণা কৰে নহয় দেউতা। আপুনি জানিব পাৰিছেনে বিশ্বৰ মহাপুৰুষজনৰ জন্ম দৰিদ্ৰ পৰিয়ালত, ধনীৰ ঘৰত নহয়। কিন্তু সেই দৰিদ্ৰ ঘৰৰ পৰাই নিজৰ প্ৰতিভা বিকাশ কৰাটোহে আচল মহাপুৰুষ আৰু তেওঁলোকেহে আজিৰ সমাজত উচ্চস্থান পাইছে দেউতা। আপুনি ইঞ্জিনিয়াৰ হব পাৰে, কিন্তু আপোনাৰ নাম পৃথিৱীত বৈ যাব নোৱাৰে, যদিহে আপুনি এই দৰিদ্ৰ শ্ৰেণীটোক ঘৃণা কৰে। মই নীচ নহয় দেউতা, আপোনাৰ দৰে সংকীৰ্ণ মনোবৃত্তিৰ শ্ৰেণীটোহে নীচ আৰু পশুতুল্য।

ঃ তই মোৰ আগত ইমান কথা কবলৈ ক'ত সাহস পালি? তই বুজিছনে মই তোৰ দেউতাৰ।

ঃ হব পাৰে, আপুনি মোৰ দেউতা। কিন্তু পিতৃ ভুল পথে গলে সন্তানেও সেই পথে যাব লাগিব এই কথা কেতিয়াও হব নোৱাৰে দেউতা। সন্তানৰ ওপৰত আপোনাৰ যি অধিকাৰ আছে পিতৃৰ ভুল শুধৰাবৰ বাবেও সন্তানৰ সেই অধিকাৰ আছে। মই এতিয়া নিৰ্ব্বোধ শিশু নহয়। ভাল-বেয়া বিচাৰ বিবেচনা কৰিবৰ মোৰ ক্ষমতা আছে। এদিন মই ৰাজেন বৰুৱাৰ কথা কওঁতে আপুনিয়েই দেখোন কৈছিল "তেওঁ এজন বৰ সৎ মানুহ। ছাত্ৰাৱস্থাত তেওঁক লগ পাইছিলো। ভাল Student আছিল।" কিন্তু সেইজন ৰাজেন বৰুৱাক আজি আপুনি ঘৃণা কৰে কিয়? কিয়, মই বুজিছো দাৰিদ্ৰ্যৰ বাবে কোন দায়ী দেউতা! আপোনালোকৰ দৰে একশ্ৰেণী প্ৰতিক্ৰিয়াশীল লোকেই নহয় জানো? আপোনালোক শিক্ষিত, আপোনালোক ধনী, আপোনালোক মানী। কিন্তু আপোনালোকৰ এই ধন গৌৰবৰ মাজত কি কু-নীতি সোমাই আছে তাক এই হোজা সৰল প্ৰকৃতিৰ দৰিদ্ৰ শ্ৰেণীটোৱে বুজা নাই আৰু সেয়েহে আপোনালোকে এনেদৰে দৰিদ্ৰ শ্ৰেণীটোক ঘৃণা কৰি শোষণ কৰিব পাৰিছে দেউতা। মই এইখন সমাজৰ পৰিবৰ্তনৰ চেষ্টা কৰিম। ৰাজেন বৰুৱাৰ দৰে হাজাৰ জন দৰিদ্ৰ পিতৃক উদ্ধাৰ কৰিম। মই আপনাৰ বিৰুদ্ধে যাম দেউতা।

ঃ তোৰ আৰু বেচি কথা মই শুনিব নোখোজো অমল। তোৰ প্ৰতি থকা পুত্ৰ স্নেহ আজি মোৰ অন্তৰৰ পৰা বিচ্ছিন্ন হৈ গৈছে। তোৰ এইখন ঘৰত এই সম্পত্তিৰ ওপৰত কোনো অধিকাৰ নাই। মোৰ সম্পত্তি মই ৰাণী আৰু মানুহঁতৰ নামত উইল কৰি থৈ যাম। তই যেতিয়া মোৰ ইচ্ছাৰ বিৰুদ্ধে গলি তোক আৰু মোৰ প্ৰয়োজন নাই। আজিয়েই মই তোক এই ঘৰ ত্যাগ কৰিবলৈ আদেশ দিলো অমল। তোৰ লগত মোৰ পুত্ৰ সম্বন্ধ ছিগি গৈছে। তই মোৰ সকলো মান-সন্মান নষ্ট কৰিলি। তই ওলাই যা অমল, ওলাই যা, তোৰ বেছি কথা মোক নুশুনাবি। তই তোৰ পথ বিচাৰি ল আৰু এইজন তোৰ পিতৃ নহয় অমল, মোৰ সন্তান অমলৰ আজি মৃত্যু হৈছে। মোৰ চকুৰ পানী আজি শুকাই গৈছে। মই নকান্দো, মোৰ বেজাৰ লগা নাই। তই ওলাই যা মোৰ ঘৰৰ পৰা সোনকালে ওলাই যা। দেউতা খঙত কঁপিছিল।

যাম দেউতা, মই নিশ্চয় যাম, চিৰদিনৰ বাবে আতঁৰি যাম আপোনাৰ জীৱনৰ পৰা, এইখন মোৰ জন্মভূমিৰ পৰা। মা-ভনীহঁতক আপোনাৰ ওপৰতেই অৰ্পণ কৰিছো দেউতা। কিন্তু দেউতা, মই যোৱাৰ আগতে আপোনাক সাৱধান কৰি থৈ যাওঁ। সমাজৰ যিটো শ্ৰেণীক আজি আপুনি দৰিদ্ৰ ছাল-ছিগা ভিকহু বুলি আখ্যা দিছে সেই শ্ৰেণীটোৱেই এদিন আপোনাৰ, আপোনালোকৰ দৰে সহস্ৰজন প্ৰতিক্ৰিয়াশীলৰ মৃত্যুৰ অস্ত্ৰ তৈয়াৰ কৰিছে। দেউতা সাৱধান হওক, এদিন আপোনালোক নিঃশেষ হৈ যাব এই

চোকা অস্ত্ৰৰ আঘাতত। মই যাঁও দেউতা, আপোনাক আৰু আমনি নকৰো।

অলপো সময় অপেক্ষা নকৰি ওলাই আহিছিলো দেউতাৰ কোঠাটোৰ পৰা। দুৱাৰ মুখত দেখিলো মা, ভনী আৰু ককাইহঁতে উচুপি উচুপি কান্দিছে। মাৰ চৰণ ছুই সেৱা কৰিলো।

ঃ মা আশীৰ্ব্বাদ দিয়ক, দেউতাই আজি মোক তাজ্য পুত্ৰ কৰিলে মা। মোক বিদায় দিয়ক মা, দেউতাই মোক বিদায় দিছে চিৰ-বিদায়। আপুনি মোক বিদায় দিয়ক মাতৃ।

ঃ মোৰ বাচা, মোৰ প্ৰাণৰ ধন। তই তোৰ জননীক এৰি থৈ যাবলৈ কেনেকৈ ইমান নিষ্ঠুৰ হলি মোৰ সোণ, তই মোকো লগত লৈ যা, অমল।ময়ো যাওঁ তোৰ লগত।

মায়ে সাৱটি ধৰিছিল। মানুৰে সাৱটি ধৰিছিল। মাতৃৰ স্নেহৰ বন্ধনৰ পৰা কেনেকৈ মুক্তি পাওঁ। ভগৱান, মোক ধৈৰ্য্য দিয়া ভগৱান। এই মুহূৰ্ত্তটোত মোক ৰক্ষা কৰা। এটা সময়ত যেতিয়া মা মূৰ্ছা গৈছিল, ভন্টী-জনীও ভাগৰি পৰিছিল। সেই মুহূৰ্ত্তটোৱেই আছিল মোৰ জীৱনৰ চৰম দুৰ্যোগ। মাৰ তেনে অৱস্থাতে গুচি আহিছিলো এখন ভগ্ন হৃদয় থৈ নগাঁৱৰ অভিমুখে। পিচলৈ ঘূৰি চোৱাৰ ধৈৰ্য্য মোৰ নাছিল। শেষ বাৰৰ কাৰণে মাৰ চৰণ ছুই সেৱা কৰি আহিছিলো আৰু ভন্টীৰ দুগালত দুটা চুমা খোৱাৰ বাহিৰে আৰু অন্য উপায় নাছিল। দেউতা সেই সময়ত ক'ত আছিল নাজানো। নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস!

সেই দিনটো সেই কুলক্ষণীয়া দিনটো পুনৰ আহিছিল মোৰ বাবে। কালিৰ সেই দিনটোতেই মই আকৌ হেৰুৱাইছিলো মোৰ জীৱনৰ সৰ্বস্ব। হেৰাই গৈছিল মোৰ জীৱনৰ সকলো আশা, কামনা-বাসনা। সকলো মোৰ জীৱনৰ পৰা শেষ হৈ গৈছে। মই জীয়াই থাকো কি আশাক সম্বল লৈ। মা-দেউতাৰ পৰা বঞ্চিত হলো, স্বপ্নাৰ পৰা চিৰ-বঞ্চিত হলো। মোৰ জীয়াই থকাৰেই বা প্ৰয়োজন কি? ময়ো স্বপ্নাৰ পথকেই বাচি-লম নেকি? কিন্তু মইতো আত্মহত্যা কৰিব নোৱাৰো মই জীয়াই থাকিব লাগিব স্বপ্নাৰ দৰে হাজাৰজনীক দৰিদ্ৰ্যৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰিবলৈ। মোক ধৈৰ্য্য দিয়া ভগৱান! মোক ধৈৰ্য্য দিয়া! মোক জীয়াই থাকিবলৈ শক্তি দিয়া!

বাহিৰৰ পৰা এমুঠি পোহৰ আহি মোৰ কোঠাটো পোহৰ কৰি পেলাইছে। ৰাতি-পুওৱা হয়তো বহু সময় হল। কাষত থকা ঘড়িটো চাইছিলো ৰাতিপুৱা ৭॥ বাজিছে। নগাঁৱৰ চিভিল হস্পিতেলৰ সন্মুখেদি পাৰ হৈ গৈছে অগণন জনতা। আজি মই সুস্থ হৈছো, হয়তো আজি মোক হস্পিতেলৰ পৰা বিলিজ দিব। ইয়াৰ পিচত মই কলৈ যাম? মোৰ জীৱনৰ পথ কি এতিয়া? হস্পিতেলৰ খিৰিকীয়েদি চাই আছিলো ৰাস্তালৈ। মোৰ সন্মুখেদি পাৰহৈ গৈছিল এহাল নৱ দম্পতী। মোৰ দৃষ্টি ঘূৰাই আনিছিলো বৈদ্যুতিক সোঁতৰ দৰে।

★ ★

# মিচিং জনজাতিৰ দুটা উৎসৱ 'আলি আই লিগাং' আৰু 'দবুৰ'

★

পদ্মা মিলি
প্ৰাক স্নাতক ২য় বাৰ্ষিক

মঙ্গোলীয় জাতিগোষ্ঠীৰ অন্তৰ্গত মিৰি সকলে নিজকে 'মিচিং' বা 'তানি' বুলি পৰিচয় দিয়ে। তেওঁলোকক অৰুণাচলৰ 'আদি' সকলৰ মিঞং দামৰ ফৈদৰ সৈতে একে গোষ্ঠী বুলি কোৱা হয়। তদুপৰি তেওঁলোকে চন্দ্ৰ সূৰ্য্যৰ বংশধৰ বুলিও চিনাকি দিয়ে। জনশ্ৰুতি মতে চন্দ্ৰক পিতৃ আৰু সূৰ্য্যক মাতৃ বুলি বিশ্বাস কৰে। তেওঁলোকে "আনে দঞিন তাল্লাংকা, আবু গ'লন তাল্লাংকা" অৰ্থাৎ মাতৃ সূৰ্য্য আৰু পিতৃ চন্দ্ৰ দুয়ো শুনাকৈ বুলি তেওঁলোকে সকলো কাম আৰম্ভ কৰে। মিচিংসকলে কিছুমান পূজা-পাতল উৎসৱ জনবিশ্বাসৰ ওপৰত ভিত্তি কৰি আদিৰে পৰা পালন কৰি আহিছে; সেইবিলাক উৎসৱৰ যথেষ্ট তাৎপৰ্য্য আছে।

## আলি আই লিগাং ঃ—

মিচিংসকলে ফাগুন মাহৰ প্ৰথম বুধ বাৰ দিনটোত "আলি আই লিগাং" উৎসৱ পালন কৰে। এই উৎসৱক 'ধান ৰোৱা বিহু' বা 'কঠিয়া সিচাঁ উৎসৱ' বুলি কোৱা হয়। কাৰণ এই সময়ত আহুধান সিচাঁ সময় পৰে এই লিগাং বা বিহুত তেওঁলোকে বৰকাঁহ বজাই মেঘদেৱতাক সজাগ কৰে। নাচি নাচি তেওঁলোকে আকাশৰ পৰা পানী নমাই আনি পৃথিৱীক শস্যশ্যামলা কৰিবলৈ উঠিপৰি লাগে। 'আলি আই লিগাং' উৎসৱৰ সমল হিচাবে মিচিংসকলে তৰাপাতত বৰাধানৰ চাউল ভাপত সিজায় আৰু ছাইমদ বুলি এবিধ মদ বনায়। এই উৎসৱত তেওঁলোকে শস্য সিচাঁ দিন ধৰি সেই মাহৰ জোন মৰি ন-জোন নোলোৱালৈকে বেত, বাঁহ, ইকৰা, খাগৰি আদি জীয়াই থকা বস্তুবোৰ নাকাটে। কাৰণ অঙ্কুৰবোৰৰ অমঙ্গল হ'ব পাৰে বা শুকাই যাব পাৰে। তদুপৰি মানুহবো অমঙ্গল হয় বুলি বিশ্বাস কৰে। সেই মাহত মিচিং সকলে ভজা, পোৰা, জলা তিতা, কেহা আদি বস্তুও খাব নোৱাৰে।

আজি কালি মিচিংসকলে "আলি আই লিগাং" উৎসৱটোক আধুনিক সংস্কৃতি আৰু সময় অনুসৰণ কৰি কিছু নীতি নিয়ম সলনি কৰি পালন কৰে। এই উৎসৱ গাঁৱত পতাৰ উপৰিও নগৰে চহৰেও এই উৎসৱ অতি উলহ-মালহেৰে পালন কৰে।

## দবুৰ ঃ—

মিচিংসকলে "দবুৰ" পূজা বছৰি বছৰি পাতে। তেওঁলোকে এই পূজা পৃথিবীত শস্য হ'বৰ কাৰণে পাতে। প্ৰতি বছৰে 'দবুৰ' পূজা

## শিৱসাগৰ ছোৱালী কলেজৰ ১৯৭৭-৭৮ চনৰ বাৰ্ষিক হুচৰি প্ৰতিযোগিতা



**উৎসৱৰ ১ম পুৰস্কাৰ — শিৱসাগৰ ছোৱালী হোষ্টেল।**

বাওঁফালৰ পৰা ক্ৰমে— ৰুমী ফুকন, শেৱালী চেতিয়া, ৰীতা দেৱী, সৰোজিনী কোঁৱৰ (ঢুলীয়া), ৰেখা চাংমাই, জেউতী বৰা, স্বৰ্ণজ্যোতি বৰুৱা, নিৰুজানী সন্দিকৈ।

নাচনী— ( বাওঁফালৰ পৰা ) মঞ্জু ফুকন, চম্পাকলি বৰদলৈ আৰু দিপালী শৰ্ম্মা।

শ্ৰেষ্ঠদল

একাঙ্ক নাট প্ৰতিযোগিতা

সৰ্ব্বশ্ৰী—মধুলেখা শৰ্ম্মা, মঞ্জুৰী শৰ্ম্মা, গুলনাহাৰ বেগম, অনিমা দাস, ৰাণু নেওঁগ, মণিকা স্মিথ, জ্যোতি বৰঠাকুৰ, মঞ্জু গগৈ ।





বিহুৱা ১৯৭৭

শ্ৰীমতী জেউতী বড়া

নাপাতিলে গাওঁৰ মানুহ আৰু গৰু-ম'হৰ অপায় অমঙ্গল হ'ব পাৰে বুলি তেওঁলোকৰ বিশ্বাস। তেওঁলোকে 'দবুৰ' পূজা পাতি আই লখিমীক পূজা দিয়ে। পূজাৰ সমল হিচাবে কুকুৰা, আপং আদিৰে এই পূজা গাওঁৰ কাষৰ হাবিৰ মাজত পাতে। কাৰণ বনজ সম্পদেৰে পৰিবেষ্টিত হাবিৰ মাজত লখিমী আয়ে পূজা ল'ব আৰু প্ৰতি গৃহস্থৰ পথাৰত 'পতুম' গজিব। এয়া মিচিংসকলৰ জনবিশ্বাস। সেয়েহে মিচিংসকলে সামাজিক অনুষ্ঠান হিচাবে "দবুৰ" পূজা পাতে।

ইয়াৰ উপৰিও মিচিংসকলে "তালেং উই", "প-ৰাগ" আদি পূজা উৎসৱ পালন কৰে। মিচিং সম্প্ৰদায়ৰ মাজত এনে ধৰণৰ জনবিশ্বাসৰ ভেটিত পৰম্পৰাগত ভাৱে চলি আৰু অনেক উৎসৱ আছে যিবিলাকৰ অন্তৰালত একো একোটা উদ্দেশ্য অন্তৰ্নিহিত হৈ থাকে। মিচিং সমাজে অতীজৰে পৰা এই উৎসৱ সমূহ পালন কৰি আহিছে আৰু বৰ্ত্তমানো এই উৎসৱ সমূহ তেওঁলোকৰ বৰ আদৰৰ আৰু বৰ হেঁপাহৰ। ★ ★

দৈনন্দিন জীৱনত মই অতি শান্ত, বা আইন নেতা বা কোনো প্ৰতিষ্ঠিত সংস্থাৰ কাষত শত্ৰু সদৃশ। মোৰ কাষত মধ্যবিত্ত সমাজ বিৰক্তিকৰ। মই ভাল পাওঁ তেওঁলোকক যি জিৰণি ল'বলৈয়ো অসমৰ্থ বা অসুখী। তেওঁলোক শিল্পীয়েই হওঁক বা কোনো অপৰাধীয়েই হওঁক।

—পেবলা নেৰুডা

# ॥ আধুনিক অসমীয়া উপন্যাস সাহিত্য ॥

অঞ্জলীমা বৰুৱা
স্নাতক ২য় বাৰ্ষিক

সাহিত্যৰ বিভিন্ন বিভাগৰ ভিতৰত উপন্যাস অন্যতম। অৱশ্যে “উপন্যাস” শব্দটো কেৱল ভাৰতীয় সাহিত্যতে নহয় পাশ্চাত্য সাহিত্যতো নতুন। সাহিত্যত নতুনকৈ অনা কাৰণেই সাহিত্যৰ এই শাখাৰ নাম novel বুলি কোৱাটো নিশ্চয় ভুল নহব। উপন্যাসৰ কোনো নিৰ্দিষ্ট ফৰ্ম নাই। সমাজ, সমাজ-বিধৃত মানৱ আৰু পটনিৰ্ভৰশীল জীৱনেই উপন্যাসৰ প্ৰধান উপাদান।

বৰ্ত্তমান বিশ্বত সাহিত্যৰ আন আন শাখাবোৰৰ ভিতৰত উপন্যাসেই আটাইতকৈ বেছি জনপ্ৰিয়তা অৰ্জ্জন কৰিছে। সমাজ জীৱনৰ হুবহু প্ৰতিচ্ছবি, মানৱ জীৱনৰ বিভিন্ন দ্বন্দ্ব আৰু সমস্যা লৈ সৃষ্টি হোৱা আধুনিক উপন্যাসবোৰে পাঠক-পাঠিকাৰ অন্তৰৰ চাহিদা পূৰণ কৰিব পাৰিছে। সেই কাৰণেই জা পল-চাৰ্ট্ৰে, পাৰ্ল বাক্, জৰ্জ ইলিয়ট, আৰ্নে ষ্ট-হেমিংৱে, ৱাল্টাৰ স্কট আদিয়ে তেওঁলোকৰ উপন্যাসৰ দ্বাৰা বিশ্ব সাহিত্যত উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে। সেইদৰে মূলকৰাজ আনন্দ, কে, এ, আব্বাচ্, খুচৱন্ত সিং, বিমল মিত্ৰ, শৰৎ চন্দ্ৰ, আশাপূৰ্ণা দেৱী, প্ৰভাৱতী দেৱী সৰস্বতী, অমৃতা প্ৰীতম্, ৰজনী কান্ত বৰদলৈ, চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, হোমেন বৰগোঁহাই আদিয়ে ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাৰ উপন্যাস সাহিত্যত বিশেষ বৰঙনি যোগাইছে।

অসমীয়া সাহিত্যত প্ৰথম উপন্যাসৰ শাৰীৰ সাহিত্য ৰচনা কৰিছিল ১৯৩৬ চনত অসমলৈ খৃষ্টধৰ্ম্ম প্ৰচাৰ কৰিবলৈ অহা মিছনেৰী চাহাব এ, কে, গাৰ্ণীয়ে। জাতিত অনা অসমীয়া যদিও অসমীয়া সাহিত্যলৈ প্ৰথম ঔপন্যাসিক হিচাবে অৱদান আগবঢ়োৱা এ, কে, গাৰ্ণীৰ নাম অসমীয়া উপন্যাস সাহিত্যত চিৰ উজ্জ্বল হৈ থাকিব। ১৮৭৭ খৃঃ ত এ, কে, গাৰ্ণীয়ে তেখেতৰ “কামিনীকান্ত” নামৰ উপ-ন্যাসখন প্ৰকাশ কৰে। ৰচনা ৰীতি বা কলা কৌশলৰ ফালৰ পৰা ত্ৰুটি থাকিলেও গাৰ্ণীৰ ৰচিত “কামিনীকান্ত” কেই অসমীয়া ভাষাৰ প্ৰথম উপন্যাস বুলি কোৱা হয়। ১৮৭৭ খৃঃ এ, কে, গাৰ্ণীয়ে “এলোকেশী বেশ্যাৰ বিষয়ে” নামৰ কুমাৰী এস, ই লেছলিৰ সৰু বঙলা উপন্যাস এখন অসমীয়া ভাষালৈ অনুবাদ কৰে। ১৮৮০ চনত প্ৰকাশ পোৱা পদ্মাৱতী দেৱী ফুকননীৰ উপন্যাসিকা “সুধৰ্মাৰ উপাখ্যান” কলা কৌশলৰ ফালৰ

পৰা প্ৰকৃত উপন্যাসৰ শাৰীলৈ উঠিব নোৱাৰিলে।

অসমীয়া সাহিত্যত জোনাকী যুগৰ পৰাহে প্ৰকৃত উপন্যাস ৰচিত হৈছে বুলি কব পাৰি। এই সময়তেই পদ্মনাথ গোহাঞি বৰুৱাই ৰচনা কৰা উপন্যাস "ভানুমতী" (১৮৯১) আৰু "লাহৰী" (১৮৯২) দুয়োখনেই ইতিহাসৰ পটভূমিত লিখা। বিশ্ব বিখ্যাত ঔপন্যাসিক স্কট আৰু বঙ্কিমচন্দ্ৰৰ আৰ্হিত ইতিহাসৰ পটভূমিত ৰোমান্স প্ৰধান উপন্যাস ৰচনা কৰাৰ পথ দেখুৱালে গোহাঞি বৰুৱাই। গোহাঞিবৰুৱাৰ উপন্যাসতো প্ৰণয়ৰ ঘটনাই মুখ্য স্থান অধিকাৰ কৰিছে। অৱশ্যে "ভানুমতী" আৰু "লাহৰী"ৰ কাহিনীভাগ আকৰ্ষণীয় হলেও চৰিত্ৰ সৃষ্টিৰ ফালৰ পৰা উপন্যাস কেইখনে বিশেষ সাৰ্থকতা লাভ কৰিব নোৱাৰিলে।

"পদুম কুঁৱৰী" হ'ল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ একমাত্ৰ উপন্যাস। অসম বুৰঞ্জী প্ৰসিদ্ধ দন্দুৱাদ্ৰোহৰ লগত পদুম আৰু সূৰ্য্যৰ নৈৰাশ্যপূৰ্ণ প্ৰণয় কাহিনী এটিৰ ওপৰত "পদুম কুঁৱৰী" উপন্যাসখন ৰচনা কৰা হৈছে। কিন্তু এই উপন্যাসখনত অস্বাভাৱিক কাৰ্য্যকলাপ কিছুমান সন্নিবিষ্ট কৰা হৈছে যাৰ ফলত উপন্যাসখনৰ সাহিত্যিক মৰ্যাদা ক্ষুন্ন হৈছে। যিকি নহওক অসমীয়া উপন্যাস সাহিত্যৰ ভেঁটি দুৰ্ব্বল হৈ থকা সময়ত উল্লিখিত উপন্যাস কেইখনে যি বৰঙনি আগবঢ়ালে তাৰ মূল্য সদায় চিৰ উজ্জ্বল হৈ থাকিব।

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ হাততহে প্ৰকৃত অসমীয়া উপন্যাসৰ ভেঁটি সুপ্ৰতিষ্ঠিত হোৱা বুলি ক'ব লাগিব। বৰদলৈদেৱে চাৰ ৱাল্টাৰ স্কট আৰু বংকিমচন্দ্ৰৰ উপন্যাসবোৰৰ আদৰ্শত তেখেতৰ উপন্যাস কেইখন ৰচনা কৰে। সামাজিক উপন্যাস "মিৰিজীয়ৰী" প্ৰকাশ হোৱাৰ পিছতে বৰদলৈ দেৱে এখন এখনকৈ সাতখন ঐতিহাসিক উপন্যাস ৰচনা কৰে। অসমত মানৰ আক্ৰমণ আৰু আহোম ৰাজত্বৰ শেষ অৱস্থাৰ পটভূমিত "মনোমতী" (১৯০০), "ৰঙিলী" (১৯২৫) 'নিৰ্মল ভকত' (১৯২৬), "ৰহদৈ লিগিৰী" (১৯৩০), আৰু "তাম্ৰেশ্বৰীৰ মন্দিৰ" (১৯২৬) ৰচনা কৰে। কামৰূপত হোৱা দন্দুৱা দ্ৰোহৰ ভেটিত "দন্দুৱা দ্ৰোহ" আৰু মোৱামৰীয়াৰ বিদ্ৰোহৰ আলমত "ৰাধা ৰুক্মিণীৰ ৰণ" ৰচনা কৰা হয়। বৰদলৈদেৱৰ উপন্যাসত অসমীয়া সমাজৰ চিত্ৰ, ৰাজনৈতিক অৱস্থাৰ বিৱৰণ, আনকি অসমৰ নৈসৰ্গিক পৰিৱেশৰ বৰ্ণনাও পোৱা যায়। তদুপৰি সকলো জীৱৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন, বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতি আস্থা প্ৰকাশ, দেহজ প্ৰেমৰ আধ্যাত্মিক স্তৰলৈ ৰূপান্তৰ এখেতৰ উপন্যাসৰ উল্লেখযোগ্য বৈশিষ্ট্য। সমসাময়িক ভাবে ৰচিত হোৱা আন কেইখনমান বুৰঞ্জীমূলক উপন্যাস হ'ল হিতেশ্বৰ বৰবৰুৱাৰ দ্বাৰা আহোম আৰু কছাৰী সঙ্ঘৰ্ষৰ পটভূমিত লিখা 'মালিতা' (১৯১৪), হৰিনাৰায়ণ দত্তবৰুৱাৰ দ্বাৰা আহোম মোগলৰ সঙ্ঘৰ্ষৰ পটভূমিত "চিত্ৰ দৰ্শন" (১৯৩১)। মানৰ তৃতীয় অসম আক্ৰমণৰ

পটভূমিত লিখা দণ্ডিনাথ কলিতাৰ উপন্যাস খন হ'ল "ফুল"। মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত লিখা কলিতাৰে আন এখন উপন্যাস "গণবিপ্লৱ"। ১৯৩০ চনত ইতিহাস পটভূমিত ৰচিত হোৱা আন এখন উপন্যাস হল শৰৎ গোস্বামীৰ "পাণিপথ"।

কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত মহাত্মা গান্ধীৰ নেতৃত্বৰ আন্দোলনে অসমীয়া লেখক সকলক সমাজ সংস্কাৰৰ আদৰ্শ, স্ত্ৰী শিক্ষাৰ প্ৰচলন, সমাজচ্যুতা নাৰীৰ সমস্যা, প্ৰাচ্য পাশ্চাত্য শিক্ষাৰ সমন্বয়, আদৰ্শ আদিৰ ওপৰত উপন্যাস ৰচনা কৰিবলৈ প্ৰেৰণা যোগায়। ইয়াৰ ফলত জন্ম হোৱা উপন্যাস সমূহ হল— দণ্ডিনাথ কলিতাৰ "পৰিচয়," "আবিষ্কাৰ," দৈবচন্দ্ৰ তালুকদাৰৰ "ধুৱঁলি-কুৱঁলী," "অপূৰ্ণ," "আগ্নেয়গিৰি," "বিদ্ৰোহী," "আদৰ্শ পীঠ," "ভুনীয়া" আদি। এইকেইখন উপন্যাস যদিও উপন্যাস হিচাবে বিশেষ ভাবে সাৰ্থক হব পৰা নাই তথাপিও সেই সময়ৰ অসমীয়া সমাজৰ বিভিন্ন চিত্ৰ উপন্যাস কেইখনে ভালদৰে ফুটাই তুলিছে। দ্বিতীয় মহাসমৰৰ কালছোৱাত অসমীয়া উপন্যাস সাহিত্যত আশাশুধীয়া প্ৰচেষ্টাৰ অভাব পৰিলক্ষিত হোৱা দেখা যায়।

ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামত ১৯৪৫ চনত ৰচনা কৰা উপন্যাস খন হল— "জীৱনৰ বাটত"। এই উপন্যাস খনে গাৱঁলীয়া জীৱনৰ চিত্ৰ, ৰচনাৰ নতুন কৌশল, বিষয়বস্তুৰ সংগঠন আৰু চৰিত্ৰাংকনৰ ফালৰ পৰা অসমীয়া উপন্যাস সাহিত্যত স্থায়ী আসন লাভ কৰিব পাৰিছে। পুনৰ বিৰিঞ্চি কুমাৰ বৰুৱাই ৰাস্না বৰুৱা ছদ্ম নামত "সেউজী পাতৰ কাহিনী" নামৰ আন এখন উপন্যাস ৰচনা কৰে। এই উপন্যাস খনত চাহ বাগিছাৰ এটি সুন্দৰ চিত্ৰ ফুটাই তোলাৰ উপৰিও চৰিত্ৰ সৃষ্টিতো ঔপন্যাসিক কৃতকাৰ্য্য হৈছে।

স্বাধীনোত্তৰ কালছোৱাৰ অসমীয়া উপন্যাসৰ বুৰঞ্জী আলোচনা প্ৰসঙ্গত প্ৰথমতে জাহ্নৱী বৰুৱাৰ "অসীমত যাৰ হেৰাল সীমা" নামৰ উপন্যাসখন আমাৰ মনলৈ আহে। ছদ্ম নামত ৰচনা কৰা এই উপন্যাসখন স্বাধীনতা লাভৰ পিছত ১৯৪৮ চনত প্ৰকাশ পায়। এই উপন্যাসখন এখন ৰোমাঞ্চ ধৰ্মী উপন্যাস আৰু তেৰশ বছৰৰ আগত ধ্বংস পোৱা এখন কাল্পনিক নগৰৰ পটভূমিত কাহিনীটো থিয় কৰোৱা হৈছে। মহাকালৰ নিৰ্মম জয়যাত্ৰাৰ ৰূপায়ণ উপন্যাসখনৰ অন্যতম বৈশিষ্ট্য।

সামাজিক ঔপন্যাসিক মহম্মদ পিয়াৰে দেশৰ আৰ্থিক সমস্যা, হিন্দু-মুছলমানৰ মিলা প্ৰীতি আদিক বিষয়বস্তু হিচাপে লৈ আগবঢ়োৱা মনোৰম উপন্যাস ৰাজি হ'ল—"প্ৰীতি-উপহাৰ," "সংগ্ৰাম," "মৰহাফুল," "হেৰোৱা স্বৰ্গ," "জীৱন নৈৰ জাঁজি" ইত্যাদি। পিয়াৰৰ উপন্যাস সমূহ আখ্যান প্ৰধান আৰু আদৰ্শাত্মক। লেখক দীননাথ শৰ্ম্মাৰ 'সংগ্ৰাম,' মথুৰা ডেকাৰ 'হুমুনিয়াহ' আদি উপন্যাস সমূহ আৰ্থিক তাড়না আৰু আদৰ্শমূলক নৈতিকতাৰ সংঘাতক কেন্দ্ৰ কৰি ৰচনা

কৰিছে। অসমীয়া উপন্যাসৰ ভিতৰত চৰিত্ৰ বিশ্লেষণৰ ওপৰত জোৰ দিয়া উপন্যাস হল — প্ৰফুল্ল দত্ত গোস্বামীৰ "কেচাঁপাতৰ কঁপনি"। আৱাহন যুগৰ অন্যতম প্ৰতিষ্ঠাশীল গল্প-কাৰ ৰাধিকা মোহন গোস্বামীয়ে বিবেকৰ তাড়না আৰু মানসিক সংঘাতক লৈ ৰচনা কৰা উপন্যাস খন হল— "চাকনৈয়া"। তেখেতৰ আনখন উপন্যাস "বা-মৰলী" ত গোস্বামীদেৱে আধুনিকতাত দীক্ষিতা নাৰীৰ চৰিত্ৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছে। "ভুলৰ সমাধি" নামৰ উপন্যাস খন ৰচনা কৰে প্ৰেমধৰ ৰাজখোৱাই। প্ৰেমনাৰায়ণ দত্তৰ এলানি আদৰ্শমূলক সামাজিক উপন্যাস হল "নিয়তিৰ নিৰ্মালি", "প্ৰণয়ৰ স্মৃতি", "প্ৰাণৰ পৰশ", "আশাৰ অন্তৰালত" আদি। এই উপন্যাস সমূহ ১৯৫৩ চনৰ পৰা ১৯৬২ চনৰ ভিতৰত প্ৰকাশ হয়।

বিংশ শতাব্দীৰ পঞ্চম দশকত উপন্যাস সাহিত্যৰ ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য অৱদান আগবঢ়োৱা লেখক হল — হিতেশ ডেকা। ১৯৫৪ চনত প্ৰকাশ পোৱা "আজিৰ মানুহ" নামৰ এখেতৰ উপন্যাসখনে জনসাধাৰণৰ মাজত বিশেষ জনপ্ৰিয়তা অৰ্জ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ পিচত ক্ৰমান্বয়ে "নতুন পথ", "ভাড়াঘৰ", "মাটি কাৰ", "এয়েতো জীৱন", "আচল মানুহ", "জীৱন সংঘাত", আদি এখেতৰ উপ-ন্যাস সমূহ ১৯৫৬ চনৰ পৰা ১৯৬৭ চনৰ ভিতৰত প্ৰকাশ হয়। এখেতৰ উপন্যাসৰ বিষয় বস্তু হল ধনীৰ ধনগৰ্ব, দুৰ্বলৰ ওপৰত অত্যাচাৰ, যৌনক্ষুধা, দুৰ্নীতি পৰায়ণতা আদি।

সৰু বৰ যি কেইখন উপন্যাস তিলকদাসে অসমীয়া সাহিত্যলৈ আগবঢ়াইছে, তাৰ ভিতৰত "আৰতি", "দুজন বেকাৰ", "জীৱনৰ গতি", "আজিৰ সমাজ", "শিল্পী", "শিৱনাথৰ সংসাৰ", "মিলনৰ পথ ৰুদ্ধ কৰি", "কত যুগ যায়", "এই ৰং এই সুৰভি", "আকৌ জোনাক আঁহে", আৰু "পৰ্ব্বতৰ ৰূপালী জোনাক" আদিয়েই উল্লেখযোগ্য।

ইয়াৰ উপৰিও পঞ্চাশৰ দশকতে প্ৰকাশ হোৱা আন আন উপন্যাস সমূহ হল — গোবিন্দ মহন্তৰ "শেষ পথ", "কৃষকৰ নাতি", "নতুন জীৱন", অৰুণদাসৰ "ব্যৰ্থলগ্ন", ধৰ্ম্মেশ্বৰ কটকীৰ "জীৱনৰ ভগা ৰংঘৰ", কমলেশ্বৰ চলিহাৰ "প্ৰিয়া", "সুন্দৰৰ আঘাত", "বালিগড়া", আদ্যনাথ শৰ্মাৰ "জীৱনৰ চাৰি অধ্যায়", যতীন্দ্ৰনাথ গোস্বামীৰ "মাটিৰ বুকুত"।

স্বাধীনতাৰ পিছত মহিলা ঔপন্যাসিকৰ প্ৰথম উপন্যাস হল হিৰণ্ময়ী দেৱীৰ "জীৱন সংগ্ৰাম"। ১৯৫৬ চনত প্ৰকাশ হোৱা এই উপন্যাসখনিত আমাৰ সমাজত চলি অহা পুৰু-ষৰ আধিপত্য আৰু নাৰী নিৰ্যাতনৰ মৃদু অথচ স্পষ্ট প্ৰতিবাদ ধ্বনিত হৈছে।

যোৱা দুকুৰি বছৰৰো অধিক কাল অসংখ্য গল্প উপন্যাসেৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰা চৈয়দ আব্দুল মালিকৰ উপন্যাসত ভাষা, কলা

কৌশল আদিৰ বিভিন্ন ৰূপ প্ৰকাশ পোৱাৰ লগতে মানৱ জীৱনৰ দৰ্শনো সাৰ্থক ভাৱে প্ৰকাশ পাইছে। ১৯৫৮ চনত মালিকৰ প্ৰথম উপন্যাস "ৰথৰ চকৰি ঘূৰে" প্ৰকাশ পায়। উপন্যাসখনত ডেকা লেখকৰ ওপৰত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ উপলব্ধি কৰা যায়। প্ৰথম উপন্যাসৰ পিছত গল্পৰ ক্ষেত্ৰ পৰিহাৰ কৰি সম্পূৰ্ণৰূপে উপন্যাসৰ ৰাজ্যত প্ৰৱেশ কৰি ক্ৰমান্বয়ে "বনজুই", "ছবিঘৰ", "মাটিৰ চাকি", "জীয়া জুবিৰ ঘাট", "সূৰুয মুখীৰ স্বপ্ন", "অন্য আকাশ', 'অন্য তৰা", "ওমলা ঘৰৰ ধূলি", "প্ৰাচীৰ আৰু প্ৰান্তৰ", "আধাৰ শিলা", "ৰজনী ! গন্ধাৰ চকুলো", "অঘৰী আত্মাৰ কাহিনী", "অমৰ মায়া", "কবিতাৰ নাম লাভা", "সোণালী সূতাৰে বন্ধা", "একা বেঁকা বৃত্ত", "এটা সূৰ্য্য, দুখন নদী আৰু এখন মৰুভূমি", "মোৰ বাবে নুৰুবা মালতী ফুল" আৰু ডাক্তৰ অৰুণাভৰ অসম্পূৰ্ণ জীৱনী" প্ৰকাশ কৰিছে। বিভিন্ন স্তৰৰ নৰ-নাৰীৰ আবেগ-অনুভূতিৰ লগত লেখকৰ সহজ আত্মীয়তা, মানৱতা বোধ, অৱহেলিতৰ প্ৰতি স্বাভাৱিক দৰদ, উচ্চ অহং মন্যতাৰ প্ৰতি বিতৃষ্ণা, নৈসৰ্গিক প্ৰকৃতিৰ বৰ্ণাঢ্য অভিব্যক্তিৰ লগত মানৱ মনৰ সম্পৰ্ক, স্থান বিশেষে সামাজিক দুৰ্নীতিৰ প্ৰতি বক্ৰোক্তি জৈৱিক তথা যৌন বাসনাৰ বিভিন্ন প্ৰকাশৰ অকুণ্ঠ স্বীকৃতি মালিকৰ উপন্যাস ৰাজিত বিশেষ ভাৱে দেখা যায়।

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ প্ৰথম উপন্যাস-খন হ'ল ১৯৫৫ চনত প্ৰকাশ পোৱা "ৰাজ-পথে ৰিঙিয়ায়"। ভট্টাচাৰ্য্যদেৱে শ্ৰেণী বৈষম্য-হীন, শোষণমুক্ত এখন সমাজৰ আদৰ্শ আগত ৰাখি বিপ্লৱী মনোভাৱ আৰু নিষ্পেষিত দুৰ্বলৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভঙ্গীৰে এই উপন্যাসখন ৰচনা কৰিছিল। ভট্টাচাৰ্য্যদেৱৰ আন আন উপ-ন্যাস সমূহ হ'ল— "ইয়াৰু ইঙ্গম", "মৃত্যুঞ্জয়," "প্ৰতিপদ", "কবৰ আৰু ফুল", "শতঘ্নী", "আই" এই আটাইকেইখন উপন্যাসৰ চৰিত্ৰাৱলীয়ে বিপ্লৱ বা বিপৰ্যয়ৰ অসাধাৰণ পৰিবেশত বিচৰণ কৰিছে। লেখকৰ শেহতীয়া ভাবে ১৯৭৩ চনত প্ৰকাশ হোৱা উপন্যাসখন হ'ল— "বল্লৰী"।

১৯৫৫ চনতে "ডাৱৰ আৰু নাই" নামৰ প্ৰথম উপন্যাসেৰে আলোড়ন সৃষ্টি কৰা যোগেশ দাসে যোৱা দুটা দশকত কেবাখনো উপন্যাস প্ৰকাশ কৰিছে। "জোনাকীৰ জুই" "নিৰুপায়, নিৰুপায়," "হেজাৰ ফুল", "ছাঁ জুই খেদি" "উৎকণ্ঠ-উপকণ্ঠ" "নেদেখা জুইৰ ধোঁৱা" "অবৈধ" আদি উপন্যাসৰ কাহিনী আৰু চৰিত্ৰা-ৱলীৰ মাজেদি যুগক্ৰান্তিৰ স্বাক্ষৰ প্ৰতিফলিত হোৱা দেখা যায়।

লেখিকা শুচিব্ৰতা ৰায়চৌধুৰীৰ "বামবলী" নামৰ উপন্যাসখন ১৯৫৮ চনত প্ৰকাশ হয়।

যোৱা ডেৰ দশকত প্ৰায় এক ডজন উপন্যাসেৰে লেখক পদ্ম বৰকটকীয়ে অসমীয়া সাহিত্যত প্ৰতিষ্ঠা লাভ কৰে। বৰকটকীদেৱৰ আন আন উপন্যাস সমূহ হ'ল—"খবৰ বিচাৰি" "বিচাৰৰ বাবে", "কোনো খেদ নাই," "জীৱন

এষণা,” নজ্বলা ধূপৰ ইতিকথা,” “পুতলাৰ নমস্কাৰ,” “নতুন প্ৰতীতি,” “জীৱন অৰণি”, “তুষ্মন্তৰ চুমা,” “ৰঙা ৰঙা ৰঙ”। এই সকলোবোৰ উপন্যাসৰ মাজেদি লেখকৰ সমাজ সচেতনতা, সংস্কাৰৰ প্ৰচ্ছন্ন আদৰ্শ আৰু সমাজবাদত বিশ্বাস প্ৰতিফলিত হৈছে।

নৱকান্ত বৰুৱাৰ প্ৰথম উপন্যাস “কপিলীপৰীয়া সাধু”ৰ পটভূমি হ'ল কপিলীপাৰ আৰু নায়ক মিকিৰ ৰজা পোৱালিৰ বংশধৰ ৰূপসিং বা ৰূপাই। ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত উপন্যাস “ককাদেউতাৰ-হাড়” হ'ল বৰুৱাদেৱৰ দ্বিতীয় উপন্যাস। এই উপন্যাসখনৰ কাহিনী সামন্ত যুগীয়া পৰিবেশত সংস্থাপিত কৰা হৈছে।

চুটিগল্প আৰু উপন্যাস তুয়ো ক্ষেত্ৰতেই সমানে আধিপত্য লাভ কৰা লেখকসকলৰ ভিতৰত লক্ষ্মীনন্দন বৰাৰ উপন্যাস সমূহ হ'ল— “নিশাৰ পূৰবী,” “গঙ্গা চিলনীৰ পাখি,” “বলুকাত বিজুলী,” মাটিত মেঘৰ ছাঁ,” “ত্ৰিভুৰ পুৰুষ,” “মাজত তৃষাৰ নৈ,” “দহন তুলড়ী,” ; মহিম বৰাৰ “পুতলা ঘৰ,” “হেৰোৱা দিগন্তৰ মায়া” ; চন্দ্ৰ প্ৰসাদ শইকীয়াৰ “এদিন,” “সূৰ্যস্নান”, “মন্দাক্ৰান্তা.” “মেঘমল্লাৰ”, “উত্তৰ কাল” , শীল ভদ্ৰৰ “মধুপুৰ,” “তৰঙ্গিণী.” “আগমনিৰ ঘাট” আৰু “আঁহত গুৰি”ৰ নাম উল্লেখনীয়।

সাংবাদিক আৰু চুটিগল্পকাৰ হোমেন বৰগোহাঞিয়ে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা উল্লেখযোগ্য উপন্যাস বাজি হল—“সুবালা,” “তান্ত্ৰিক,” “হালধীয়া চৰায়ে বাও ধান খায়,” “তিমিৰ তীৰ্থ” আৰু “পিতাপুত্ৰ”।

ষষ্ঠ দশকৰ পৰা লিখক নিৰোদ চৌধুৰীয়ে তেওঁৰ ৰচনা গল্পৰ পৰা উপন্যাসলৈ প্ৰসাৰিত কৰে। নিৰোদ চৌধুৰীৰ উপন্যাস সমূহ “কুঁৱলীৰ আখৰ,” “দেৱী,” “জটায়ু,” “পানী,” “নাম ৰাখিলো বাসৰী,” স্তব্ধ বৃন্দাৱন,” “কালহীৰা”। কলেবৰ সৰু হলেও মনস্তাত্বিক দিশৰ পৰা এই উপন্যাসবোৰৰ কাহিনীসমূহৰ বিশেষ মূল্য আছে।

পশুপতি ভৰদ্বাজ অৰ্থাৎ উমাকান্ত শৰ্মাই বহু সংখ্যক উপন্যাস ৰচনা কৰা নাই যদিও তেখেতৰ কম সংখ্যক উপন্যাসৰ মাজেদি সৃষ্টিশীল প্ৰতিভাৰ আভাস পোৱা যায়। শৰ্মাৰ উপন্যাস তিনিখন হ'ল— “উড়ন্ত মেঘৰ ছাঁ,” “ছিম ছাঙৰ তুয়োপাৰে” আৰু “ৰঙা ৰঙা তেজ” ; কিশোৰী মোহন শৰ্মাই “কুমাৰ কিশোৰ” ছদ্মনামত দহখন সৰু বৰ উপন্যাসেৰে অসমীয়া সাহিত্যৰ পুষ্টি সাধন কৰিছে। এখেতৰ উপন্যাসৰ ভিতৰত “কবৰ আৰু কঙ্কাল,” “জুই,” “ধোঁৱা আৰু ছাই,” “এমুঠি তৰাৰ জিলিমিলি” প্ৰধান। ৰোহিণী কাকতিৰ উপন্যাসৰ সংখ্যা বেছি নহলেও কম সংখ্যক ৰচনাতে মৌলিকতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এখেতৰ উপন্যাস সমূহ—“এক নক্ষত্ৰৰ নিশা,” “সূৰ্যৰেখা,” “ৰ'দ আৰু কুঁৱলী,”

"ভগ্নাংশ," "শেঁতাৰ'দ" । নবীন বৰুৱাই অসমীয়া উপন্যাস সাহিত্যলৈ আগবঢ়োৱা উপন্যাস সমূহ হল— "কটন কলেজ," "প্ৰেমিকা," "অমোঘ নিবিড় অন্ধকাৰ," ফিনিক্স পখীৰ গান আদি, পোলেন বৰকটকীৰ "এক দধীচিৰ অন্বেষণত" নামৰ উপন্যাসখনে অসমীয়া উপন্যাসৰ ক্ষেত্ৰত এক নতুন বাটৰ সন্ধান দিছে।

যাঠিৰ দশকত মহিলা লেখিকা নিৰুপমা বৰগোহাঞিয়ে কেইবাখনিও মনোগ্ৰাহী উপন্যাস ৰচনা কৰিছে। প্ৰকাশিত উপন্যাস সমূহ হল— "সেই নদী নিৰৱধি," "দিনৰ পাছত দিন," "এজন বুঢ়া মানুহ," "সামান্য অসামান্য," কেঁকটাচৰ ফুল," আদি। উপন্যাসৰ যোগেদি শ্ৰীমতী বৰগোহাঞে নাৰীৰ মনস্তত্ব, নাৰী জীৱনৰ বিবিধ পাৰিবাৰিক সমস্যাৰ ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

লেখিকা নীলিমা দত্তই সপ্তম দশকত উপন্যাস ৰচনা কৰিবলৈ নামে। এতিয়ালৈকে নীলিমা দত্তৰ প্ৰকাশিত উপন্যাস হৈছে— "আকাশ বন্তি," আৰু "শৈল শিলৰ"।

বৰ্ত্তমানৰ উপন্যাস সমূহৰ ভিতৰত কমল গগৈৰ "অহীৰ ভৈৰৱ"; কনক সেন ডেকাৰ "টেমচৰ পৰা লুইতলৈ"; কামাখ্যা সভাপণ্ডিতৰ "জীৱনৰ দাবী". "বন কুকুহাৰ জুই"; মহেন্দ্ৰ বৰঠাকুৰৰ "উদাসী সন্ধ্যা", "বেলিফুল"; ঘন হাজৰিকাৰ **"নায়িকা"**; ত্ৰৈলোক্য ভট্টাচাৰ্য্যৰ "সাঁচিপাতৰ পুথি"; বসন্ত দাসৰ "জংছন", ভূপেন শৰ্মাৰ "উড্ডীন উত্তৰীয়"; ক্ষিতি বৰাৰ "এনাজৰী"; অচ্যুত কুমাৰ শৰ্মাৰ "ছিন্নমূল"; উমা বৰুৱাৰ "চিয়েন নদীৰ ঢৌ"; চিত্ৰলতা ফুকনৰ "অশ্ৰুকন্যা" আৰু কুনু বৰুৱাৰ "নিঘাট ঘাট," শান্ত সৰসী আদিয়েই উল্লেখযোগ্য।

অসমীয়া সাহিত্যত শিশু উপন্যাসৰ অভাবে বৰ্ত্তমানেও প্ৰাধান্য লাভ কৰিছে। যুদ্ধৰ আগতে হৰগোবিন্দ শৰ্মাৰ "পাতালপুৰী" নামৰ এখন শিশু উপন্যাস প্ৰকাশ হৈছিল। প্ৰেম নাৰায়ণ দত্তৰ শিশু উপন্যাস "পোহৰৰ বাটত" আৰু যোগেন শৰ্মাৰ "সূৰুয উঠা দেশৰ পিনে" উল্লেখযোগ্য শিশু উপন্যাস। বৰ্ত্তমান বিদেশী ভাষাৰ পৰা কিছুমান শিশু উপন্যাস অসমীয়া ভাষালৈ অনূদিত কৰা হৈছে।

ডিটেক্‌টিভ উপন্যাসৰ ক্ষেত্ৰতো অসমীয়া উপন্যাস সাহিত্য দুৰ্বল। অসমীয়া প্ৰথম ডিটেক্‌টিভ উপন্যাস লিখে কুমুদেশ্বৰ বৰঠাকুৰে। এখেতে "গোলাই চিৰিজ" নাম দি কেইবা খনো ডিটেক্‌টিভ উপন্যাস ৰচনা কৰে। অসমীয়া ডিটেক্‌টিভ ঔপন্যাসিক হিচাবে প্ৰেম নাৰায়ণ দত্তক সৰ্বশ্ৰেষ্ঠ বুলি কব লাগিব। এখেতে "পা-ফু" আৰু "ৰহস্য চিৰিজ" ৰচনা কৰিছে। বৰ্ত্তমান "দস্যু ভাস্কৰ চিৰিজ" নামৰ বহুতো ডিটেক্‌টিভ উপন্যাস প্ৰকাশ **হৈছে।**

অসমীয়া উপন্যাস সাহিত্যত অনূদিত উপন্যাসৰ সংখ্যা অতি কম। অনূদিত উপ-ন্যাসৰ ভিতৰত অনু বৰুৱাৰ "এনিমেল ফাৰ্ম"; বীৰেন বৰকটকীৰ "কুমাৰী পৃথিৱী," নবদ্বীপ পাটগিৰিৰ "এটি কলি দুটিপাত," বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ "দেৱ দুন্দুভি বাজে কাৰ বাৰে" আদিয়েই উল্লেখযোগ্য।

আধুনিক অসমীয়া উপন্যাস সাহিত্য চালি জাৰি চালে কেইবা প্ৰকাৰো উপন্যাস আমাৰ চকুত পৰে। যেনে সামাজিক, ব্যক্তিবাদী, মনোবিশ্লেষণ-ধৰ্মী আৰু সমাজবাদী। প্ৰথমতে প্ৰাচীন উপাখ্যান মূলক কাহিনী (কামিনী কান্তৰ চৰিত্ৰ, সুধৰ্মাৰ উপাখ্যান), তাৰ পিচত ঐতিহাসিক উপন্যাস আদিয়েই প্ৰাধান্য লাভ কৰি থকা অসমীয়া সাহিত্যত স্বাধীনতাৰ পাছৰ পৰাই আৰম্ভ হ'ল বাস্তৱবাদী যুগ তথা সামাজিক উপন্যাসৰ যুগ।

বৰ্ত্তমান অসমীয়া সাহিত্যত যথেষ্ট পৰিমাণে উপন্যাস প্ৰকাশ পাইছে। অসমীয়া সাহিত্যৰ এই উপন্যাসৰ ধল অসমীয়া সাহিত্যৰ বাবে অতি গৌৰৱৰ বিষয়। বৰ্ত্তমান নবীন বৰুৱাৰ "ফিনিক্স পখীৰ গান," দেৱেন আচাৰ্য্যৰ "কাল পুৰুষ" আৰু "উত্তৰ পুৰুষ" আদি উপন্যাসে অসমীয়া উপন্যাস সাহিত্যৰ গতানুগতিক ভাৱধাৰা সলনি কৰি এক নতুন স্বাদ দিবলৈ সক্ষম হৈছে। যদিও "পিতাপুত্ৰ," "প্ৰতিপদ" আদি অসমীয়া উপন্যাস সাহিত্যৰ উল্লেখযোগ্য উপন্যাসৰ সৃষ্টি হৈছে, তথাপি আনহাতে কিছুমান অতি নিম্ন স্তৰৰ উপন্যাসো সৃষ্টি হৈছে। ব্যৱসায় সুলভ দৃষ্টিভঙ্গীৰে যিবিলাক কিতাপ উপন্যাসৰ নামত অসমীয়া সাহিত্যত সৃষ্টি কৰা হৈছে সেইবিলাক গ্ৰন্থই অসমীয়া উপন্যাস সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট বাধাৰ সৃষ্টি কৰিছে। শেষত কব পাৰি যে যদিও অসমীয়া উপন্যাসৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে, তথাপি প্ৰকৃত উপন্যাসৰ সংখ্যা যথেষ্ট কম। উপন্যাসক যিমানেই কলাসুলভ ভাৱে ৰূপ দিব পাৰে সিমানেই উপন্যাসে সাৰ্থকতা অৰ্জ্জন কৰে। গতিকে অসমীয়া সাহিত্যত কলাসুলভ ভাৱে উপন্যাসৰ সৃষ্টি কৰাত ঔপন্যাসিক সকলে গুৰুত্ব দিয়া উচিত। সদৌ শেষত কব পাৰি যে অসমীয়া ঔপন্যাসিক সকলে ভৱিষ্যতে মাত্ৰ গতানুগতিক, সস্তীয়া উপন্যাস নিলিখি প্ৰকৃত সৃষ্টিশীল আৰু উন্নয়নমূলক উপন্যাস তথা সাহিত্য ৰচনাত অধিক মনোনিৱেশ কৰিলে অসমীয়া ঔপন্যাসিক সকলেও বিদেশী ঔপন্যাসিক সকলৰ লগত সমানে আসন লাভ কৰিব পাৰিব। অসমীয়া উপন্যাস সাহিত্যৰ কাননো ঔপন্যাসিক সকলে চয়ন কৰা সুগন্ধি ঔপন্যাস কুসুমেৰে জাতিস্কাৰ হৈ পৰিব।

* * *

# অনুবাদ গল্প

## ● যুৱতী জনী ●

### 'ৱহ লড়কী'

মূল লিখক :— **অৱতাৰ সিংহ**
অনুবাদ :— **বন্দিতা বুঢ়াগোহাঁই**
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক।

ৰামগড়ৰ পৰা এমাইল আঁতৰত মই থকা ঘৰটো। এই ঘৰটো দেউতাই কিয় সজালে মই নাজানো। কচৰেতেই বহুত ভাল আছিল। তাত খৰছ পাতি কম আছিল; ঠাইডোখৰো ভাল আছিল। হয়তো দেউতা প্ৰকৃতিৰ প্ৰেমিক আছিল। পাহাৰৰ শৃঙ্গ বিলাকৰ দৃশ্য দেখা পাইছিলো। শৃঙ্গৰ বুকুত ডুব যোৱা অস্তগামী সূৰ্য্যৰ বোলখিনি বৰ লোভনীয় হৈ পৰিছিল। বক্তিম সূৰ্য্যৰ কিৰণ খিনিয়ে শুভ্ৰ বৰফ বিলাকৰ ওপৰত সোণালী ৰহণ চৰাইছিল।

বৰ্ত্তমান থকা মোৰ ঘৰটোৰ পৰা ৰাজগড় বোলা ঠাই ডোখৰলৈ প্ৰায় আধা মাইলৰ বাট। এই দূৰত্বৰ মাজত এটা আলহী থকা ঘৰ আছিল। ভ্ৰমণকাৰী সকলৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এই ঘৰটো সজায়। কিন্তু ভ্ৰমণকাৰী সকল পহনাগাম আৰু শ্ৰীনগৰৰ তুলনাত এইপিনে নাহিছিলেই। কাচিৎ 'নৰহৰি' লোকেহে আহিছিল। ধুনীয়া ধুনীয়া পাহাৰৰ শৃঙ্গবোৰ যাৰ ওচৰৰ পৰা চোৱাৰ হেপাহ তেওঁলোকহে ইয়ালৈ আহিছিল। গতিকে আলহী থকা ঘৰটো সদায় খালি হৈ পৰি আছিল। যেতিয়া জুন মাহত ইয়াৰ বৰফবোৰ গলি শেষ হৈ যায় তেতিয়াহে দুই এক ভ্ৰমণকাৰীৰ পদধূলা ইয়াত পৰাৰ সৌভাগ্য ঘটে।

ডিচেম্বৰ মাহ। ফেৰফেৰীয়া বতাহবোৰে ঠাণ্ডা বেচি কৰিছিল। চাৰিওদিশ বৰফাবৃত বাবে হাড় কঁপোৱা জাৰ। মই উম্ থকা কোঠাটোত মই আৰু বিচাৰিছিলো। এসোপামান কাপোৰ মেৰাই লৈ বিচনাৰ ওপৰত হাত-ভৰি তুলি কুঁচি-মুচি বহি আছিলো। শ্ৰীনগৰৰ ফাৰ্মৰ পৰা জেনেৰেল মেনেজাৰৰ তাঁৰ আহিছে তাত আছে "খৰিৰ ব্যৱসায়ত বিশেষ লাভ হোৱা নাই বৰং লোকচান। বৰফে ঢাকি ধৰাৰ বাবে ব্যৱসায়ৰ সৰববাহ বন্ধ হৈ গৈছে।" এই বিষয়েই চিন্তা কৰি আছো এনেতে লগুৱাটোৱে আহি ভাৱৰ খেলি-মেলি লগালেহি "দেউতা! গাভৰু এগৰাকীয়ে আপোনাক লগ পাবলৈ আহিছে।"

মই জাপ মাৰি উঠিলো। যেন পালেঙৰ ফাঁকৰ পৰা উৰহে মোক কামোৰ দিলে। ছোৱালী! মোকতো ইয়াত লগ পাবলৈ অতি

কম মানুহহে আছে। মিতিৰ-কুটুমৰ কথা বাদেই। ছোৱালী আহিল কৰপৰা। ড্ৰইং ৰূমলৈ ওলাই আহিলো। ২২।২৩ বছৰীয়া এজনী সুন্দৰী। সুন্দৰী-অসুন্দৰী বিচাৰ কৰিব পৰা ক্ষমতা মোৰ নাই। কিন্তু গাভৰু গৰাকীৰ বিষয়ে ইয়াকে কব পাৰো যে পাশ্চাত্য আৰ্হিত কটা কেশ, নীল ৰঙৰ শাৰী, আধুনিক ধৰণৰ ধুনীয়া লেডিজ কোট, দামী আৰু ধুনীয়া ৰঙৰ ব্লাউজ তাইৰ বেশভূষা। (কোটৰ ওপৰৰ বুটামটো মুক্ত অৱস্থাত থকা বাবে তাৰ মাজেদি নীলা শাৰীৰ আবেষ্টনীত ব্লাউজটো দৃষ্টিগত হৈছিল।) এই সকলো বিলাক ৰূপৰ সমাবেশত তাই আকৰ্ষিতা, তাইৰ গাৰ অঙ্গ বিলাকে কাপোৰ ফালি ওলাই আহিবলৈ বিচাৰিছিল। (যদিও গাভৰু গৰাকী সিমান ফাটি পৰা শকত নাছিল, তথাপি তাই কাপোৰ বিলাক আঁটি-আঁটি পিন্ধিছিল।) মই কিবা কোৱাৰ আগেয়ে তাই কলে— 'বহিব পাৰো নে?''

— আপুনি ইমান পৰ থিয় হৈয়েই আছে বহক বহক, মই তৎক্ষণাত উত্তৰ দিলো। যেন শিক্ষকে মই জনা বিষয় এটাৰ কথা সুধিছে আৰু মই তাৰ উত্তৰ দিছো। গাভৰু গৰাকী হাঁহি হাঁহি চোফাখনত বহি পৰিল। — বেয়া নাপাব মই যদি কেতিয়াবা চোফাত ভৰি তুলি বহোঁ। মোৰ এটা অভ্যাস আছে খোৱাৰ পৰা আৰম্ভ কৰি লিখা পঢ়ালৈকে মই বিচনাত বহিয়েই কৰো। বুজিলো, গাভৰু গৰাকী অসম্ভৱ কথা চহকী। তাই ঢেৰ কিবা কিবি কলে। সাৰাংশ এয়ে—তায়েই বাপেকৰ একমাত্ৰ ছোৱালী। তাইৰ বাপেকৰ দিল্লী আৰু বোম্বাইত দুখন এড্ভাৰটাইজিং ফাৰ্ম আছে। তাইৰ আধাতকৈ বেচি শিক্ষা লণ্ডনতেই হয়। তাই প্ৰকৃতিৰ উপাসিকা। এতিয়া তাই নিজৰ দেশৰ সংস্কৃতি পৰ্য্যবেক্ষন কৰিবলৈ ভ্ৰমণত ওলাইছে, লগত মাত্ৰ তাইৰ অভিজ্ঞ ড্ৰাইভাৰহে আছে। সিয়েই তাইৰ লগৰীয়া, সাৰথি আদি সকলো। অৱশ্যে গাড়ীখন তায়েই চলায়। তাইৰ নাম নীলিমা।

— সন্থহতে আছে ক'ত? অৱসৰ পাই সুধিলো।

— বৰ্ত্তমান ৰেষ্ট হাউচত। সমুখতে আপোনাৰ ঘৰ দেখা পাই মোৰ বৰ কৌতূহল হ'ল। ঘৰৰ গৰাকীৰ সৈতে দেখা কৰিবলৈ ইচ্ছা হ'ল। ঠাই ডোখৰ বৰ ভাল। আপোনাৰ পৰিবাৰ ক'ত? তেওঁক লগ পাব নোৱাৰো নে?

— বৰ্ত্তমান উপবাসী। সেই জঞ্জালবোৰৰ পৰা আঁতৰি থকাই ভাল বুলি বিবেচনা কৰো, মিচিকিয়া হাঁহিৰে কলো। কথাষাৰ শুনি তাই হাঁহিলে, কলে— ময়ো এইবিলাক কথাৰ পৰা আঁতৰি আছো। মুক্ত থকাই বাঞ্চনীয়। কাৰোবাৰ আবেষ্টনীৰ মাজত বন্ধ হৈ যোৱাটো কি যুক্তিৰ কথা?

মই তাইৰ দুটা কথা লক্ষ্য কৰিছিলো। প্ৰথম— ইউৰোপত থাকিও তাই সাধাৰণ

হিন্দী কৈছিল আৰু তাৰ মাজে মাজে উৰ্দ্দু শব্দৰ প্ৰয়োগ, দ্বিতীয় কথাত আচৰিত হৈছিলো "কাৰোবাৰ আবেষ্টনীত বন্দী হৈ যোৱাটো কি যুক্তিৰ কথা"। ইতিমধ্যে কাৰোবাৰ সৈতে তাইৰ সম্বন্ধ বিচ্ছিন্ন হৈছে নে কি? ইউৰোপৰ সমাজত এইবোৰ সম্ভৱ।

—যদি দ্ৰাইভাৰে আপোনাৰ অন্যায় কৰিব বিচাৰে —কলো।

—নাই তেনে হব নোৱাৰে; সি ইমান নীচ নহয়।

—মানুহৰ ওপৰত ইমান ভৰসা কৰিব নোৱাৰি।

—তেন্তে ইয়াৰ কাম আহিব। এই বুলি কৈ তাই লেডীজ বেগৰ পৰা সৰু ৰিভলভাৰ এটা বাহিৰ কৰিলে। মই ৰিভলভাৰটো হাতত লৈ কলো— মই যদি এতিয়া পশু হৈ যাওঁ।

—আপোনাৰ পৰা তেনে আশা কৰিব নোৱাৰি। হাঁহি তাই কলে। নোৱাৰি নেকি? —মনতে ভাবিলো। বিভলভাৰটো উলটাই দিলো।

—বাৰু এতিয়া মিচ্ নীলিমাক কি খুৱাবলৈ আপুনি ভাল পাব। চাহ নে কফি নে অন্য কিবা? — তাই কলে।

—পানীয় গ্ৰহণ কৰিবলৈ কিবা আপত্তি আছে নেকি? বোধকৰো ইউৰোপত অভ্যাস হৈছেই।

— নহয় আপুনি ভুল ধাৰণা কৰিছে। এনে বেয়া নিয়ম মোৰ তাত গঠন হোৱা নাই। মোৰ লক্ষ্য আছিল মাত্ৰ শিক্ষা গ্ৰহণ কৰাহে। মোৰ নিজ দেশৰ সংস্কৃতিৰ প্ৰতিৰূপ আছে। মই ভাবো জীৱনৰ প্ৰথম ২৫ বছৰ শিক্ষা গ্ৰহণ কৰাতেই ব্যস্ত থাকিব লাগে। এই সময় ছোৱাত ৰোমাঞ্চ কৰা একেবাৰে অন্যায়; —তাই পুনৰ তাইৰ ফিল'চফি আৰম্ভ কৰি দিলে। মই অলপ পৰ অস্বস্তি বোধ কৰিছিলো।

বাৰু কফিকে অনা হওঁক চাহ ভাল নালাগিব। ডুকাপ কফি আনিবলৈ কলো।

কফি পৰ্ব্ব শেষ হোৱাৰ পাচত তাই কলে কেনেকৈ তাই গাড়ী পাহাৰীয়া ৰাস্তাত চলায়। দুই ফালে হাজাৰ হাজাৰ ফুট দ' খালৰ মাজে মাজে তাই সুদক্ষতাৰে গাড়ী চলায়। অৱশ্যে এইবিলাকত তাই বৰ ব্যস্ত হৈয়ো পৰে। কাৰণ পাহাৰীয়া পথ হলেও ড্ৰাইভ কৰাত তাই বেছি সুখী।

নীলিমাৰ কথাবোৰ বৰ ৰসপুষ্ট। কথাৰ ভাণ্ডাৰ তাইৰ জ্ঞাননো কিমান তাকে জুখি চাবলৈ কলো— Don't mind; যদি বেয়া নাপায় আপোনাৰ বস্তু বাহানি আনি মোৰ ঘৰতে থাকিব পাৰে।"

"ধন্যবাদ, আৱশ্যক নাই। সন্ধহতে কালি পুৱা আমি যামগৈ॥"

নীলিমা যাবলৈ উঠিল।

— ৰেষ্ট হাউচলৈকে আপোনাক থৈ আহোঁ।

—নালাগে মিছাতে কষ্ট কৰিবলৈ। মই অকলে যাবলৈ বৰ ভাল পাওঁ। তদুপৰি মোৰ সহকাৰী আছেই। ইয়াৰ লাইচেঞ্চ আছেই। মোৰ কাহানিও লক্ষ্য ভ্ৰষ্ট নহয়। এই বিষয়ে মোৰ ইংলণ্ডত নাম আছে; বাৰু

আপোনাক বহুত আমনি দিলো এতিয়া আহিছোঁহে।

বিদায়ৰ আগতে কলো— চাওক কিবা দৰকাৰ হ'লে আপোনাৰ ড্ৰাইভাৰক পঠাই দিব, আপোনাৰ হকে কিবা কৰিবলৈ পালে বৰ সুখী হম।

নিশ্চয়। কষ্ট কৰাৰ বাবদ আপোনাক পাৰিশ্ৰমিক দিম। আনন্দতে হাঁহি হাঁহি নীলিমা আঁতৰি গ'ল।

ওপৰ মহলাৰ বাৰান্দালৈ ওলাই আহিলো। আঁতৰি যোৱা নীলিমাক চাই আছিলো। শৃঙ্গৰ সিপাৰে সূৰ্য্য অস্ত গৈছে। আৰু অন্য এটা সূৰ্য্য ৰেষ্ট হাউচলৈ লাহে লাহে নিঃশেষ হৈ যাবলৈ গৈছে। নীলিমা ৰেষ্ট হাউচত সোমোৱাৰ পাচত মই তললৈ নামি আহিলো।

পাচত মোৰ নিজৰ কোঠালৈ সোমাই আহি ফাৰ্মৰ সমস্যাৰ বিষয়ে ভাৱিবলৈ ধৰিলো। ফাৰ্মৰ অৱস্থা ভাল নহয়। একো সিদ্ধান্তলৈ আহিব নোৱাৰিলো। কিন্তু ফাৰ্মৰ জেনেৰেল মেনেজাৰলৈ এখন চিঠি লিখিলো। ৮ জুলাইত মই শ্ৰীনগৰলৈ যাম। তেতিয়া কিবা এটা সিদ্ধান্ত কৰিম। আহাৰ খোৱাৰ আগত বাৰান্দাত অলপ পাইচাৰী কৰিলো। Sleeping gown পিন্ধি বিচনাত শুই পৰিলো। এই সময়ত নীলিমা যেন মোৰ সন্মুখতেই আছে। অভ্যাস বশতঃ উপন্যাস এখন উলিয়াই ২০০ পৃষ্ঠা পঢ়াৰ পাচত শুই থাকিলো।

প্ৰায় মাজৰাতি সাৰ পাই উঠিলো। পূৰ্ণিমাৰ জোন। জ্যোৎস্নাবোৰ বৰ ভাল লাগে। বিচনাৰ পৰা উঠি আহি ওপৰ মহলাৰ বাৰান্দাত ঠিয় হৈ ঘড়ীটো লক্ষ্য কৰিলো। প্ৰায় দুই বজা। বতাহবোৰ চেঁচা, অৱশ্যে গৰম কাপোৰ পিন্ধি থকাৰ বাবে সিমান ঠাণ্ডা অনুভৱ কৰা নাছিলো। হঠাৎ ৰেষ্ট হাউচৰ পৰা নীলিমাক ওলাই অহা দেখিলো। তাই মোৰ পিনে অহা যেনেই পালো। মই আচৰিত হলো, কিয় ইমান নিশা তাই আহিছে। কিবা বিপদেই হৈছে নেকি? যেতিয়া তাই একেবাৰে ঘৰৰ ওচৰ পালেহি তেতিয়া মই তললৈ নামি আহিলো। দুৱাৰ খুলিয়েই দেখা পালো নীলিমা সন্মুখত ঠিয় হৈ আছে। মোলৈ চাই নীলিমাই কলে "এতিয়াই বলক গাড়ীখন ষ্টাৰ্ট হোৱা নাই"

—"কি কথা এতিয়াই ইমান নিশা যায় নেকি?

— নহয় কালিলৈ পুৱা সোনকালে আমি ইয়াৰ পৰা যাব লাগিব। ড্ৰাইভাৰ নিৰুপায় হৈ পৰিছে। আপুনিতো গাড়ী চলায়, গাড়ীৰ বিষয়ে বিশেষ কিবা জানে, বলক না।" বিশেষ একো নামাতি নীলিমাৰ লগতে আহিলো। গাড়ীৰ বিষয়ে মোৰ বিশেষ একো জ্ঞান নাই। এটা সাধাৰণ ড্ৰাইভাৰে যি জানে ময়ো সিমানেই জানো। মেকানিক জ্ঞান মোৰ শূন্য। মই

নীলিমাৰ বেছি সান্নিধ্যলৈ আহিব পাৰিম বুলি ভাৱি লগতে আহিলো। আবেলি পিন্ধি থকা সাজযোৰকে নীলিমাই পিন্ধি আছিল। কেইমিনিট মানৰ পাছত ৰেষ্ট হাউচ পালোহি। গাড়ীখন বৰফত পোত খাই আছিলে, মই সুধিলো — "ড্ৰাইভাৰ ক'ত?"

— বেচেৰাই ভাগৰত শুই পৰিছে। কেইবা-ঘণ্টা ধৰি বৰফ আঁতৰাইছে।

— ছাবিটো লাগিয়েই আছিল। গাড়ীৰ ভিতৰত বহি মই ছাবিটো ঘূৰাই দিলো, গাড়ী ষ্টাৰ্ট হৈ গ'ল।

— ভালেই হৈ আছে। মাত্ৰ বৰফবিলাক আঁতৰোৱাহে কাম।

— বাঃ ভাল হৈ গ'ল। আপোনাৰ হাতত মন্ত্ৰ আছে নেকি? ড্ৰাইভাৰে কিমান কষ্ট কৰিলে। আহক, কফি এপিয়লা খাই যাওক।

ৰেষ্ট হাউচত সোমালো। নীলিমা মোতকৈ আগেয়ে গ'ল। দুৱাৰত টকিয়ালো। দুৱাৰ খুলি দিলে। অ' আপুনি! — এতিয়াও চিনি পোৱা নাই নেকি?

—নহয় সোমাই দেখা মাত্ৰেই চিনিব পাৰিলো, বহক। পালেঙতে মই বহিলো। তাইৰ চকুৰ পতা টোপনিত দ্ৰোঁ খাই আছিল। গাউনৰ তলত তাই একো পিন্ধা নাছিল। খোল খাই যোৱা বুটামৰ ফাঁকেদি তাইৰ শৰীৰৰ গোলাপ বুলীয়া বংটো মোৰ দৃষ্টিগত হৈছিল।

— কিয় আহিল। নীলিমাই অলসস্বৰে কলে। এইবাৰ মই ব্যৱহাৰত অলপ আচৰিত হলো। নিজেই মোক মাতি লৈ আহিছে আৰু এতিয়া একেবাৰে সৰল হৈ পৰিছে। তাই যেন একোকে নাজানেহে। মোৰ শৰীৰত তড়িৎ বৈছিল। মই শৰীৰৰ তেজবোৰ গৰম হোৱা অনুভৱ কৰিছিলো।

কি উদ্দেশ্যে, গুণ্ডা কাৰবাৰ। নীলিমা খঙত অধৈৰ্য্য হৈ পৰিল। কিন্তু তাইৰ গালি মোৰ ভালহে লাগিছিল। আমাৰ মাজত থকা বাধাবোৰ আঁতৰাবলৈ চেষ্টা কৰিলো। নীলিমাই উত্তেজিত হৈ টেবুলত থকা ৰিভলভাৰটো লৈ হাত মেলিলে। মই তাইৰ দুই হাত পাচফালে লৈ চেপি ধৰিলো। তাই কোনো আপত্তি নকৰিলে।

মই ভাৱিলো মাত্ৰ মোক আকৰ্ষিত কৰিবৰ বাবে তাই এই সকলো প্ৰথা ইউৰোপত শিকি আহিছে। নহলেনো কি?

পাচত হঠাৎ তাই টেবুলৰ ওচৰলৈ আগবাঢ়িলে। বৰ আনন্দৰে ভেনিটি বেগৰ পৰা ৰিভলভাৰটো বাহিৰ কৰি ললে। আৰু চেফটি কেচ আঁতৰাই মোলৈ টোৱালে। মই হাঁহি তাইৰ পৰা ৰিভলভাৰটো লৈ পেলাই দিলো। এই কামটো সিমান সহজে হোৱা নাছিল। তাই শিথিল লৈ বিচনাত পৰি ব'ল। তাৰ পাচত.......? তাৰ পাচত....??

যেতিয়া মই উলটি আহো তেতিয়া ৰাতি তিনি বাজিছে। ভিতৰত সোমাই গায়ে মূৰে কাপোৰ লৈ শুই থাকিলো।

পুৱা ৯ বজাত চাকৰটোৱে মোক আশ্চৰ্য্য স্বৰে জগালে। আৰু কলে যে দাৰোগা কালিৰামে মোক বিচাৰি আহিছে লগত হেনো কেইবাটাও চিপাহী আহিছে।

দাৰোগা কালিৰামৰ সৈতে মোৰ ভাল চিনাকি আছে। দাৰোগা মোৰ ওচৰলৈ সদায়ে আহে কথা-বতৰা পাতে। কিন্তু চিপাহী কেতিয়াও নানে।

বিচনাৰ পৰা উঠি ড্ৰইংৰোম পালোহি। কালিৰামে মোক দেখা পাই অলপ হাঁহিলে। পাচত গম্ভীৰ মাতেৰে কলে— কি ডাঙৰীয়া, ৰাতি ৰবাৰলৈ গৈছিল নেকি ?

— নহয়, আ......... অলপ ৰবচোন।

— হয়, হয় ভাৱি চাওক। দাৰোগাই কলে।

— কি কিবা হ'ল নেকি ? গম্ভীৰ হৈ প্ৰশ্ন কৰিলো।

—ৰেষ্ট হাউচত থকা ছোৱালীজনী পুৱা মৃত অৱস্থাত পোৱা গৈছে। তাইৰ বিভলভাৰৰ গুলি এটাই তাইৰ মৃত্যু ঘটাইছে। মোৰ বাদে অন্যাই একো জনা নাই।

শুনি মই আচৰিত হৈ গলো। ভয়ো খালো। কলো "দাৰোগা চাহাব এই সময়ত আপোনাৰ ওচৰত একো কথা গোপন কৰাৰ প্ৰয়োজন বোধ নকৰো।" ৰাতিৰ ঘটনাটো যেনেকৈ মনত পৰি গল তাকেই বৰ্ণাই গলো একো গোপন নকৰিলো।

যদি কথাটো এয়ে হয় তেন্তে একো ভয় নাই। ৰেষ্ট হাউচৰ পৰা ঘৰলৈ অহাৰ চিন পাইছো। আপুনি গ'ল কেনেকৈ ? যোৱাৰ একো চিন নাপালো। আপোনাৰ ওপৰত বলাৎকাৰৰ মোকৰ্দ্দমা চলাব পাৰে। প্ৰমাণৰ অভাৱত সিদ্ধ নহবও পাৰে। আমি প্ৰমাণ কৰি দিম যে ছোৱালীজনীয়ে আপোনাক উপযাচি মাতি নিছিল। আজি নৰহৰি পুৰৰ পৰা ইন্সপেক্টৰ আহি সকলোবোৰ তদন্ত কৰিব। ভয় খোৱাৰ কোনো কাৰণ নাই। মই আছো যেতিয়া। কৈ কৈ দাৰোগা চিপাহীবোৰৰ সৈতে অদৃশ্য হৈ গ'ল।

মই অধৈৰ্য্য হৈ পৰিলো। এইবোৰতো নীলিমাৰ ইচ্ছাকৃতহে, তাইহে প্ৰথমতে মোক তাইৰ গগন চুম্বী অগ্নিক নিৰ্ব্বাপিত কৰিবলৈ মাতি নিছিল। নহলে গাড়ী বেয়া হোৱা বুলি মিছা কব কিয় ? আত্মহত্যা কৰিলে কিয় ? মোক ইয়াৰ পৰা মাতি নিছিল কিয় ?

নীলিমা মৰিল। আত্মহত্যা কৰিলে। ধুনীয়া এটা সুকুম পৃথিবীৰ পৰা আঁতৰি চিৰ দিনৰ বাবে গুছি গ'ল। পৃথিৱীখন ঘুৰা যেন অনুমান হ'ল। আহ— নীলিমাজনীয়ে কিযে ধুনীয়াকৈ হাঁহিছিল।

১২ বজাত ৰেষ্ট হাউচ পালোগৈ। বৰ্ত্তমান এই খবৰটো কটি পোৱাগৈ নাছিল। ইন্সপেক্টৰ চাহাবে চকীদাৰ, ড্ৰাইভাৰ আদিৰ জৱানবন্দী লিখি আছিল। ওচৰতে দাৰোগা

আৰু দুটা চিপাহী। দাৰোগাই মোক দেখি কলে —অ' এখেত আহিলে।

ইন্সপেক্টৰে বিদ্ৰূপৰ হাঁহিৰে কলে— আপুনিয়েই সেই ডাঙৰীয়া — আপোনাৰ সেৱা কৰিবলৈ আমি আহিছো।

—ধন্যবাদ। মই এই ক্ষেত্ৰত কিবা উপকাৰত আহিব পাৰোনে? সৌজন্যতা দেখুৱাবলৈ কলো।

— মই বৰ দুখিত যে বৰ্ত্তমান আপুনি আচামী হৈ এই ক্ষেত্ৰত·········। শান্তভাৱে ইন্সপেক্টৰে কলে। যেন সাধাৰণ কথাহে কৈছে।

— কাৰণ? জানে ইন্সপেক্টৰ চাহাব মই আপোনাৰ নিচিনা কেইবাজনো লোকক কিনি নিব পাৰো। মোৰ খং উঠিল। বিনা ৱাৰেণ্টে মোক গ্ৰেপ্তাৰ কৰিব পাৰে নেকি?

— হয় সময়তহে আপুনি সেইখিনি কৰিব পাৰে। কালিবাম এওঁ যদি ইচ্ছামতে নাযায়, তেন্তে হেণ্ডকাপ·········। শান্ত মাতেৰে ইন্সপেক্টৰে কলে।

— মোৰ গ্ৰেপ্তাৰী ৱাৰেণ্ট দেখুৱাব লাগিব। মই খঙেৰে কলো।

— নিশ্চয়। মই আনন্দিত যে আপুনি নিয়মমতে আছে। ইন্সপেক্টৰে Dist. S. P. ৰ চহী থকা মোৰ গ্ৰেপ্তাৰী ৱাৰেণ্টখন উলিয়াই মোৰ আগত থলে।

— মোৰ অনুমান হ'ল নীলিমাৰ তালৈ অহা যোৱা কৰা আৰু মৃত্যুবৰণ কৰা এই-বোৰ সকলো যেন ষড়যন্ত্ৰতে। মই চিঞৰি উঠিলো। এইবোৰ চব ফাঁকি। মোক বিপদত পেলাবলৈহে এই সকলো আয়োজন। মই সকলোকে চাম।

— নিচিঞৰিব, আদালতত আপুনি আপোনাৰ সকলো কথা কব পাৰিব। পিস্তলৰ ফিংগাৰ প্ৰিণ্টৰ পৰা জানিব পৰা গৈছে যে সেই আঙুলিৰ চাঁচ নীলিমাৰ নহয়, কোনো পুৰুষৰ। সেই পুৰুষ অন্য কোনো নহয়, আপুনিয়েই। এই ৱাৰেণ্ট অনুসৰি নৰহৰিপুৰৰ পৰা পুলিচ আহিব। এইটো প্ৰমাণ যে আপুনি ৰাতি নীলিমাৰ তালৈ আহিছিল।

— স্ব ইচ্ছাই নীলিমাৰ কোঠালৈ অহা নাই। তাই মোক মাতি নিছেহি। মই চিঞৰি কলো।

— হয়, মই আপোনাৰ কাহিনী শুনি-বলৈ ইচ্ছা নকৰো। কিন্তু এইটো কিযে পূৰ্ণিমাৰ ৰাতি ২০০ গজ আঁতৰত থকা ব্যক্তি পুৰুষ নে মহিলা ধৰিব নোৱাৰি। তেনে স্থলত আধামাইল আঁতৰত থকা নীলিমা-নে কোন আপুনি কেনেকৈ ধৰিলে।

— এই ধৰণেই জানো নীলিমা বেষ্ট হাউচত আছিল।

— আপুনি দেখোন একেবাৰেই বাম উকীল। কিন্তু বৰফত আপুনি যোৱা চিন পাইছো। নীলিমাৰ কাষত আপোনাৰ চেণ্ডেল পোৱা গৈছে । কিন্তু তাইৰ খোজৰ চিন কতো পোৱা নাই

— অসম্ভৱ, মিছা কথা। মোৰ লগত বলক। নীলিমাৰ খোজৰ চিন পালে মোকটো বিশ্বাস কৰিব।

— ইন্সপেক্টৰৰ সৈতে ওলাই গলো। কিন্তু ই কি। আচৰিত সেই পথটোত মোৰ খোজৰ চিনহে আছে। যিটোৱে নিৰ্দ্দেশ দিয়ে মই ৰেষ্ট হাউচলৈ অহা।

—এতিয়া হয়তো আপুনি কব যে ৰাতি নীলিমাৰ খোজৰ চিন নাইকিয়া হৈ গৈছে। ইন্সপেক্টৰ চাহাবে ব্যঙ্গ সুৰত কলে। মই দিনতে আকাশৰ তৰাবোৰে নাচি থকা দেখা পালো।

★ ★ ★

মনৰ ভিতৰৰ ক্ষমতাভকৈ বাহিৰৰ পৰা পোৱা ক্ষমতা যদি অধিক শক্তিশালী হয়, তেন্তে সেই ক্ষমতা প্ৰাপ্ত মানুহজন ৰাইজৰ উপকাৰী নহৈ ভীষণ অপকাৰী হৈ উঠে।

জৱাহৰলাল নেহেৰু।

# বেঙ্কৰ সেৱা

# এটি সমীক্ষা ☆

**অমলা দেৱী**
২য় বাৰ্ষিক স্নাতক

বহুতো প্ৰতিশ্ৰুতি জনসাধাৰণৰ আগত দাঙি ধৰি কিছুমান বেঙ্ক ৰাষ্ট্ৰীয়কৰণ কৰা হ'ল। কোৱা হৈছিল যে জনসাধাৰণেই বেঙ্কৰ গৰাকী। এই প্ৰতিশ্ৰুতিৰ ভিত্তিতে বিভিন্ন উদ্দেশ্যৰ বাবে বেঙ্কৰ ওচৰ চাপিল বেলেগ বেলেগ শ্ৰেণীৰ মানুহ। আৰ্থিক ভাবে পিছ-পৰা নিবনুৱা, সৰু ব্যৱসায়ী, বেঙ্কৰ এই সুবিধা লবৰ বাবে উদ্বিগ্ন হ'ল।

ভাৰতীয় বেঙ্কসমূহ স্থাপন কৰাৰ গুৰি-তেই হল— উচ্চস্থানীয় শিল্পপতি, মহাৰজা-সমূহ, নবাব। এই সকলোৰে আভিজাত্য মৰ্য্যাদা বজাই ৰখাত আগ্ৰহী। তেওঁলোকৰ লেনদেন ডাঙৰ-ডাঙৰ ব্যৱসায়ী পাইকাৰী ব্যৱসায়ী, মূল্যবান মুদ্ৰাৰত্ন ব্যৱসায়ী, চেনি-কলৰ মালিক আৰু পেট্ৰল ব্যৱসায়ী আদিৰ লগত বিশেষকৈ সীমাবদ্ধ। বেঙ্কবিলাকে শিল্পোদ্যোগ আৰু কৃষি ঋণো দিয়ে, কিন্তু ই সম্পত্তিশালী জমিদাৰ শ্ৰেণী আৰু শিল্পোদ্যোগী সকলৰ ক্ষেত্ৰতেই সীমাবদ্ধ। ভাৰতত সমাজ-বাদেই লক্ষ্য হলেও যেহেতু ভাৰতত বৃহৎ উদ্যোগ আৰু নগৰীকৰণেই পৰিকল্পনাৰ গতি, বেঙ্কবিলাকেও আগৰ নীতিকেই বজাই থকাত একো ব্যাঘাত ঘটা নাই। বৃহৎ শিল্পপতি আৰু মাটিৰ মালিক আৰু ধনী কৃষকসকলেই যথাক্ৰমে শিল্প আৰু কৃষি নিয়ন্ত্ৰণ কৰি আহিছে। গ্ৰাম্য শিল্পী আৰু আৰ্থিক ভাবে দুৰ্দশাগ্ৰস্ত ক্ষুদ্ৰ উদ্যোগ সমূহৰ অসুবিধাৰ বাবে চিন্তা কৰা প্ৰায়ে পৰিলক্ষিত নহয়। গ্ৰাম্য উন্নয়ন অভাৱগ্ৰস্ত কৃষক, ক্ষুদ্ৰ উদ্যোগৰ উল্লেখ মাজে মাজে কৰা হয়। কিন্তু ইয়াৰ উন্নয়ন কল্পনাৰ বস্তু বুলি বাদ দিয়া দেখা যায়।

বেঙ্কৰ ফালৰ পৰা কোৱা হয় যে বেঙ্কৰ নিয়ম আৰু স্বাৰ্থ বিসৰ্জন দিহে দুখীয়া আৰু দুৰ্ব্বল শ্ৰেণীক সহায় কৰিব পৰা হব, যাৰ দ্বাৰা বেঙ্কৰ উদ্দেশ্য সফল নহব। তদু-পৰি ভৰামতে বেঙ্কৰ আভিজাত্য আৰু শ্ৰেণী সচেতনতা নাইকিয়া হোৱাৰ পৰিবৰ্ত্তে বেঙ্কবিলাকে আগৰ ৰক্ষণশীলতা এৰিবলৈ এতিয়াও ৰাজি নহয়। বেঙ্কবিলাকে পৰিবৰ্ত্তিত সমাজৰ চাহিদা পূৰণত দায়বদ্ধতা সমাপন কৰাত আগ্ৰহী নহয় আৰু জনসাধাৰণৰ আশা পূৰণত ব্যৰ্থ হৈছে।

প্ৰধান মন্ত্ৰী আৰু কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীয়ে বেঙ্কবিলাকৰ সামাজিক দায়বদ্ধতা পূৰণ

কৰাৰ বিফলতাৰ কথা মাজে মাজে উনুকিয়াই যোৱা শুনিবলৈ পোৱা গৈছে। ষষ্ঠ পৰিকল্পনাতো স্বীকাৰ কৰা হৈছে যে— বেঙ্কিং প্ৰথাৰ দ্বাৰা নগৰ আৰু চহৰত মুষ্টিমেয় সম্পত্তিশালী শ্ৰেণীটোহে বিশেষ উপকৃত হৈছে। বাকী সকলো বিলাকক ই স্পৰ্শ কৰাগৈ নাই। যেহেতু বেঙ্ক সমূহ এতিয়াও বৃহৎ পুঁজিপতি সকলৰ দ্বাৰাই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে পৰিচালিত। বেঙ্কবিলাকো বৃহৎ ব্যৱসায়ীৰ পক্ষপাতিতাৰ পৰা নামি আহিবলৈ সাজু নহয়।

আগৰ দৰেই টকা আৰু সম্পত্তি থকা লোক সকলেহে বেঙ্কৰ ওচৰ চাপিব পাৰে আৰু তাৰ দ্বাৰা উপকৃত হব পাৰে। দুখীয়া আৰু ক্ষুদ্ৰ ব্যৱসায়ী সকলে বেঙ্কৰ বিধি, চুক্তি দেখি ভয় খায়। বেঙ্কৰ পৰা একেটাই উত্তৰ 'পাৰা যদি লোৱা নহলে বাদ দিয়া'। বেঙ্কৰ পৰা — কৃষক ক্ষুদ্ৰ উদ্যোগপতি, দুৰ্ব্বল শ্ৰেণীৰ কাৰণে কৰা কামৰ বিৱৰণ প্ৰচাৰ পত্ৰৰ যোগে বহুত পোৱা যায়। কিন্তু বাস্তৱত সেইবিলাক কিমান ৰূপায়িত হৈছে? ই দেখ্‌দেখ্‌কৈ ওলাই আছে। বেঙ্কে প্ৰকৃততে এই দুৰ্ব্বল শ্ৰেণীক সহায় কৰিব খুজিলে এটা বহল মনোবৃত্তি আৰু কাৰ্য্যপন্থাৰে ৰাজনীতিবিদ্ সকলৰ কবলৰ পৰা এৰাই আহি নিজস্ব সাহসী পদক্ষেপ লব লাগিব।

১৯৭৮ চনৰ মে' মাহত বেঙ্কে ১৫,২৩৩ কোটি টকাৰ ঋণৰ ভিতৰত ৫,৩৫৩ কোটি (প্ৰায় ৩৫%) ক্ষুদ্ৰশিল্প আৰু খেতিৰ কাৰণে আগবঢ়োৱাৰ তথ্য দাঙি ধৰিছে। এই তথ্য ৰাষ্ট্ৰীয়কৰণ কৰাতকৈ ১৪% বেছি। কিন্তু কথা হ'ল ইয়াৰ দ্বাৰা কোন লাভৱান হৈছে? ক্ষুদ্ৰ শিল্পৰ (Small scale Industry) ভিত্তি হল যাৰ ঘৰ আৰু মাটি বাদে মুঠ মূলধন ন্যুনতম ১০ লাখ টকা। এনে ধৰণৰ ক্ষুদ্ৰশিল্প ধনী উদ্যোগপতিৰ পৰিয়াল বৰ্গ বা সম্পৰ্কীয় লোকৰ দ্বাৰা স্থাপিত হৈছে। ইয়াৰ দ্বাৰাই বৃহৎ উদ্যোগপতিৰ লাভ সংগ্ৰহ কৰাৰ সুযোগ হৈছে। তদুপৰি এই সকলৰ দ্বাৰাই ৰপ্তানীকৃত দ্ৰব্য নিয়ন্ত্ৰিত হৈ আছে। অৰ্থনৈতিক ভাবে দুৰ্ব্বল শিল্পী, কাৰিকৰ, আদিৰ, যি সকলৰ দ্ৰব্য ৰপ্তানি হয়, সেইসকলে ইয়াৰ পৰা একো উপকৃত হোৱা নাই।

পেছাদাৰ সকল বেঙ্কৰ পৰা উপকৃত হৈছে বুলি কোৱা হয়। কিন্তু কোনসকল? খৰছী নাৰ্চিং হ'ম খুলিব পৰা ডাক্তৰ সকল; ডাঙৰ ডাঙৰ ঠিকদাৰ সকল, বেছি উপাৰ্জ্জন কৰিব পৰা চাৰ্টাৰ্ড একাউণ্টেণ্ট, উকীল, টেক্স কনচাল্‌টেণ্ট, শিল্পউদ্যোগ গঢ়িব খোজা ইঞ্জিনিয়াৰ সকল; কৃষিৰ ক্ষেত্ৰত স্বচ্ছল আৰু অৱস্থাপন্ন খেতিয়ক সকল।

বেঙ্কৰ ফালৰ পৰা কোৱা হয় যে সৰু ব্যৱসায়ী দুখীয়া সকলক বেঙ্কে সহায় কৰিবলৈ অসমৰ্থ, কাৰণ তেওঁলোকে আৱশ্যকীয় জামিন দিব নোৱাৰে আৰু ঋণ পৰিশোধ

কৰিব পৰা ক্ষমতা নাই। যাৰ ফলত বেঙ্কৰ টকা মৰা পৰাৰ সম্ভাৱনা বেছি। কথা হ'ল বেঙ্কে যদি সামাজিক দায়বদ্ধতা পালন কৰিব খোজে, নিশ্চয় এই বিষয়ত উপায় উদ্ভাৱন কৰিব লাগিব। অৱস্থাপন্ন সকলৰ পৰা ঋণ আদায়ৰ কাৰণে কোনো মস্তিষ্ক পৰিচালিত কৰিব নালাগে।

**ক্ষুদ্ৰ ঋণ লওঁতা ঃ—** বেঙ্কৰ সুবিধা গাওঁ আৰু নগৰৰ সুদূৰ অঞ্চল স্পৰ্শ কৰাত সমাজৰ নেতৃস্থানীয় লোক, শিক্ষিত ব্যক্তি, চৰকাৰ আৰু ঋণ লওঁতা সকলোৰে দায়িত্ব কম বেছি পৰিমাণে আছে। এই ক্ষেত্ৰত দু'ই কৰিব নোৱাৰি যে গ্ৰাম্য অঞ্চলত ঋণ লওঁতাই সেই ঋণ নিৰ্দিষ্ট শিতানত খৰচ কৰাত ফাঁকি দিয়ে। ঋণ লৈ কিছুদিন সেই টকাৰে চৌখিন জীৱন যাপন কৰে। উৎপাদনত মনোনিবেশ নকৰে। এইটোৰ মূল কাৰণ শিক্ষা ব্যৱস্থাতে আছে। এই ক্ষেত্ৰত ঋণ লওঁতাৰো ঋণ পৰিশোধ কৰাত যত্নপৰ হোৱাতো আৱশ্যক। কিন্তু এই অসুবিধা অনতিক্ৰম্য নহয় যদিহে বেঙ্কৰ যোগেদি এটা সুস্থিৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। বেঙ্কৰ কাম বৃদ্ধি হ'ব বুলি সন্দিহান হ'লে— ৰাষ্ট্ৰীয়কৰণৰ উদ্দেশ্যই ব্যাহত হ'ব।

**কেনেদৰে বেঙ্কে আগবাঢ়িব পাৰে ঃ—** প্ৰতি বেঙ্কৰ একোটা শিতান গাওঁ বা নগৰৰ দুৰ্ব্বল আৰু সৰু ব্যৱসায়ী যেনে— দোকানী, শাক-পাচলি বিক্ৰীকৰোতা, মুচি, খেতিয়ক, হস্তশিল্পী, সুকুমাৰ শিল্পী, মৎস্য ব্যৱসায়ী, আদি স্ব-নিযুক্ত ব্যৱসায়ী সকলৰ কাৰণে একোটা নিৰ্দিষ্ট এলেকাত খোলা আৱশ্যক। এই ব্যৱসায়ী সকলক এটা নিৰ্দিষ্ট অনুচ্চ আৰু সৰ্ব্বনিম্ন হাৰত ঋণ নিৰ্দ্ধাৰিত কৰিব লাগে যাতে ঋণ পৰিশোধ কৰাত বেচি অসুবিধা নাপায়। এই ঋণ লওঁতা সকলৰ আৱশ্যকতা আৰু সামৰ্থ্য নিৰ্ণয় কৰিবৰ বাবে আৰু ঋণ আদায় কৰাত সহযোগ কৰিবৰ বাবে স্থানীয় বিশিষ্ট সমাজ কৰ্ম্মীৰ সমন্বয়ৰক্ষী অনুষ্ঠান গঢ়ি তুলিব লাগে। এই অনুষ্ঠানৰ ওপৰত জমিদাৰৰ মৰ্য্যাদা ন্যস্ত হ'ব। তদুপৰি সৰু সৰু ব্যৱসায়ী আৰু কৃষকক উমৈহতীয়া কাম যেনে— পানী যোগান, বিজুলী সৰবৰাহ, ৰাষ্টা পদূলী বনোৱা, ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰ ক্ষেত্ৰত অনুষ্ঠান হিচাবে ঋণ দিয়াৰ ব্যৱস্থা হোৱা উচিত। বেঙ্কৰ তৰফৰ পৰা সৰু সৰু উদোগ গঢ়ি তোলাতো আগভাগ লব পাৰে। এই বিলাকত বেঙ্কৰ পৰিদৰ্শকৰ তীক্ষ্ণ নজৰ ৰখাটো আৱশ্যক। মুঠতে বেঙ্কৰ তৰফৰ পৰাই ঋণ উলিয়াই দিয়াত সক্ৰিয়তা আৰু আগভাগ লোৱাটো হলে বেঙ্কৰ সেৱা জনসাধাৰণে নিশ্চয় গ্ৰহণ কৰিব।

গ্ৰাম্য অঞ্চলৰ সৰু সৰু শিল্পী, হস্তশিল্পী আদিক টকাৰ পৰিবৰ্ত্তে সা-সৰঞ্জাম যোগান ধৰিব পাৰি। তদুপৰি বজাৰৰ সুবিধাৰ কাৰণে কেনে শিল্পউদ্যোগ গঢ়ি তুলিব পাৰি জনসাধাৰণক তাক বুজাই তেনে শিক্ষাৰ প্ৰতি

শ্ৰেষ্ঠা অভিনেত্ৰী



শ্ৰীমতী জ্যোতি বৰঠাকুৰ

শ্ৰেষ্ঠা গায়িকা



শ্ৰীমতী জিনাবাণী দত্ত

## ৰাষ্ট্ৰীয় সমাজ সেৱা শিবিৰ-১৯৭৮



আখৈফুটীয়া প্ৰাথমিক বিদ্যালয়লৈ সোমোৱা পথ নিৰ্ম্মাণৰ কাম কৰি থকা অৱস্থাত।

## ৰাষ্ট্ৰীয় সমাজ সেৱা আচনি-১৯৭৮



দিচাং ধাই আলি চিকিৎসালয়ৰ চৌহদত সমাজ সেৱাৰ কাম।

## ৰাষ্ট্ৰীয় সমাজ সেৱা শিবিৰ ঃ ১৯৭৮



জয়ৰাপাৰ দেওঘৰৰ হৰ-গৌৰী মন্দিৰৰ চৌহদ পৰিষ্কাৰ কৰি থকা দেখা গৈছে।

আগ্ৰহী কৰি তোলাটোত বেঙ্কৰ দায়িত্ব আছে।

ঋণ আদায়ৰ ক্ষেত্ৰত বেঙ্কে দৈনন্দিন বিক্ৰিৰ পৰা আৰু বেছি বিক্ৰি হোৱা সময়ত (যেনে— পূজা, ঈদ, বিহু আদিত দোকান পোহাৰত বেছি বিক্ৰি হয়, লাভ হয়) টকা আদায় কৰাত জোৰ দিব পাৰে।

কাৰিকৰী শিক্ষা প্ৰাপ্ত নিবনুৱা সকলক নগৰ বা চহৰত কৃষি সঁজুলি, ঘৰ বনোৱা সঁজুলি আৰু দৈনন্দিন আৱশ্যকীয় বস্তু উৎপাদন কৰিবলৈ উদ্‌গনি দিব পাৰে আৰু চৰকাৰৰ তৰফৰ পৰা সেই অঞ্চলৰ বৃহৎ উদ্যোগত উৎপাদিত বস্তুৰ চলাফিৰা সীমাবদ্ধ কৰাৰ ব্যৱস্থা লব পাৰে।

বেঙ্কে ঘৰ সজা, বিবাহ, ঘৰৰ সা-সৰঞ্জাম কিনা আদিৰ ক্ষেত্ৰত ঋণ দিব নোখোজে। বিশেষকৈ মধ্যবিত্ত সকলৰ কাৰণে এই বিলাক ক্ষেত্ৰত ঋণৰ আৱশ্যক। এই ক্ষেত্ৰতো বেঙ্কে বিশেষ সুবিধা দিবৰ বাবে ব্যৱস্থা কৰিব পাৰে। কাৰণ ইয়াৰ দ্বাৰাই মধ্যবিত্ত শ্ৰেণী নিম্নতম জীৱন যাপনৰ ব্যৱস্থাহে কৰিব। টকাৰ অপব্যৱহাৰ নহয়।

ৰাষ্ট্ৰীয়কৃত বেঙ্কবিলাকৰ সমাজ পৰিৱৰ্ত্তনত যথেষ্ট দায়িত্ব আছে। অকল ৰিক্সাৱালা দুজন বা এজনক ঋণ দিয়াৰ ফটোৰ দ্বাৰাই সমাজবাদ সাধনত বেঙ্কৰ দায়িত্ব শেষ হব নোৱাৰে। প্ৰকৃত অৰ্থত বেঙ্কৰ সুবিধা দিয়া আৰু সুবিধালোৱাৰ বাতাবৰণ সৃষ্টি কৰাটো সমাজবাদী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয়কৃত বেঙ্কৰ উদ্দেশ্য হোৱা উচিত।

# কবি দুৰ্ৰাৰ "আপোন সুৰ" ঃ এটি আলোচনা

ইন্দিৰা শইকীয়া

"আপোন সুৰ" —

এটি শুনিলে শুনি থাকিবৰ মন যোৱা মৌ মিঠা নাম। অন্তৰত কিবা এক শিহৰণ জগোৱা, মনত কিহবাৰ ঢৌ খেলি যোৱা এই নাম। "আপোন সুৰে" জীৱন বীণৰ সপ্ত তন্ত্ৰীত ৰঞ্জন জনাই যায়। এই ঝন ঝননিয়ে, এই সুৰে হৃদয়ত মধুৰ অনুভূতিৰ অমিয়া লহৰী জগাই তোলে।

কবি দুৰ্ৰাৰ কল্পনা আকাশৰ আশাৰ ৰামধেনুৰ সপ্তৰঙৰ সমাবেশে এই 'আপোন-সুৰ' কবিতা পুথি খনিত জেউতি চৰাইছে। যদিওবা কবি দুৰ্ৰাক 'বনফুল'ৰ কবি বুলি-য়েই জনা যায়, তথাপি 'আপোন সুৰ'তো কবিৰ অন্তৰৰ চুকে কোণে সিঁচৰতি হৈ থকা আশা আকাঙ্ক্ষাৰ ধলে ভেটা ভাঙি আত্মপ্ৰকাশ কৰি উঠিবলৈ সক্ষম হৈছে। অন্য হাতেদি স্বভাৱ কবি দুৰ্ৰাৰ কাব্য প্ৰতিভাৰ সূক্ষ্ম অনুভূতি সমূহো ইয়াত প্ৰস্ফু-টিত হোৱা দেখিবলৈ পোৱা যায়।

কবি দুৰ্ৰাৰ কবিতাবিলাকত সাধাৰণতে তেওঁৰ জীৱনদৰ্শনৰেই একোটি ৰূপ ফুটি উঠা দেখা যায়। তেওঁৰ প্ৰায়বিলাক কবি-তাতেই কিবা যেন এক নোপোৱাৰ বেদনাই নীৰৱে হিয়াৰ এচুকত জোকাৰণি তোলে। আশা ভঙ্গৰ সঘন ব্যাকুলতা আৰু প্ৰাণৰ কাতৰ আকুলতাই কবিৰ কবিতাবোৰক বেছি হৃদয়গ্ৰাহী আৰু অন্তৰৰ অন্তৰতম প্ৰদেশত সহানুভূতিৰ বীজ সঞ্চাৰিত কৰিব পৰাকৈয়ে সুৰদি কৰি তুলিছে। কবিৰ অভিমানী অন্ত-ৰৰ আলসুৱা ভাৱৰাজিয়ে কবিৰ মনটোকে উদঙাই দেখুৱাইছে—

> "ঘনে ঘনে অভিমানী অন্তৰ কঁপাই
> বাজি উঠে আপোনাৰ সুৰ"।

এই বিশাল জন সমুদ্ৰৰ মাজতো কবি-য়ে কেতিয়াবা নিজকে বৰ অকলশৰীয়া যেন অনুভৱ কৰে। তেওঁ যেন সকলোৰে অনাদৰ আৰু অৱহেলাৰ পাত্ৰ—এই ভাৱো কবিৰ মনত নোহোৱা নহয়। জীৱন নদীৰ বাস্তৱতাৰ সোঁতত উটি ভাহি, ঘাটে ঘাটে ঠেকা খাই, কবিয়ে জীৱনটোক প্ৰকৃতাৰ্থত উপলব্ধি কৰিবলৈ সক্ষম হৈছিল। জীৱনলৈ অহা ঘাত প্ৰতিঘাতে কবিক বাৰু কৈয়ে এশিকনি দিলে যেন মনে ধৰে। সপোনৰ মায়াজালত বন্দীহৈ কবিয়ে—

"হৃদয় মুকলি হ'ব পৱিত্ৰ কিৰণ পৰি

উঠিছে প্ৰেমৰ গান সৰগ মৰত জুৰি।”

বুলি যেতিয়া আনন্দত অধীৰ হৈ পৰিছিল, তেতিয়া হয়তো কবিয়ে জনা নাছিল তেওঁৰ বাবে নিয়তিৰ নিষ্ঠুৰ বিধানৰ কথা। পায়ো নোপোৱাৰ বেদনা, পাই হেৰুওৱাৰ বেদনা যে কি মৰ্ম্মন্তুদ কবিয়ে যেতিয়া উপলব্ধি কৰিব পাৰিলে তেতিয়া তেওঁৰ হিয়াত জাগতিক প্ৰেমৰ প্ৰতি এক বিৰাগভাৱ আহি পৰিল। হয়তো কবিয়ে বহুত কিবাকিবি বিচাৰি একোকেই নেপালে। তেওঁৰ জীৱনত খুব কাষ চাপি অহা আপোন বুলি আদৰি লোৱা সকলৰ কাষত প্ৰতাৰিত হৈ কবিয়ে ভালপোৱা জগতৰ পৰা আঁতৰি থকাটোকে অধিক উত্তম যেন বিবেচনা কৰিছে। সেয়েহে তেওঁৰ মনত প্ৰণয়িনীৰ বেশত কাষ চাপি অহা সকলৰ প্ৰতি এক অৱজ্ঞাৰ মনোভাৱ পৰিলক্ষিত হয়। কবিয়ে কৈছে—

“তুমি মোক ভালপোৱা, শুনিলেও হাঁহি উঠে,
হ'ব পাৰে ইও এটি সপোনৰ ৰেখা ;
সপোনৰ শেষ হলে মোহজাল আঁতৰিলে
তুনাই এনুৰাভাৱে দিবা জানো দেখা ?”

এয়া যেন কবিৰ হিয়াৰ উত্তপ্ত তেজৰ কণিকাৰে গঠিত হোৱা একোটি প্ৰশ্ন। কবি দুৱৰাই জীৱনত কাৰো পৰাই অকণমান সঁচা মৰম নাপালে। সকলোৱেই যেন—

“জগতত আছিলা অকলে
কাকো তুমি নেপালা আপোন,
তোমাৰ ই জীৱনৰ ধাৰা
এটি মাথো নিৰাশা সপোন।”

বুলি সান্ত্বনাবাণী শুনাই, সকলোবিলাকৰ বাবে কবিৰ জীৱনধাৰাকেই জগৰীয়া কৰি, কবিক প্ৰতাৰণা কৰি আঁতৰি গৈছিল। কবিয়েও নিয়তিৰ অভিশাপ ভাৱি সকলো দোষ মূৰ পাতি লৈছে। কবি দুৱৰা যেন কিছু পৰিমাণে অভিমানী আছিল। সেয়েহে দুৱৰাই আনৰ গাত দোষ নিদি ভাগ্যৰ ওপৰত আক্ষেপ ৰাখিছিল—

“অনাদৰ অৱহেলা সকলো গোটাই লই
ৰচোঁ মই জীৱনৰ কুসুম কানন,
ইযে মোৰ জীৱনত বিধিৰ নিঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন।”

নিয়তিয়ে কবিৰ ওপৰত যিমানেই অভিশাপ বৰ্ষণ নকৰক, কবিয়ে কিন্তু নিয়তিৰ বিধান অনিবাৰ্য বুলি হিচাবেহে গণ্য কৰিছে। অন্য হাতেদি “আপোন সুৰ”ত কবিৰ দাৰ্শনিক ভাৱধাৰা আৰু বিশ্বাসো প্ৰকট হৈ পৰিছে —

“কালৰ পুতলা আমি পাতো নতুনৰ মেলা
নতুন ৰহণ গানি পুৰণি চকুত।”

আকৌ কবিয়ে কৈছে—

“এনেদৰে থাকোঁতেই হঠাতে এদিন আহি
কাল পছোৱাই দিব চাকিটি নুমাই,
নিচিনা বাটেদি মোক নজনা দেশৰ পিনে
নিয়তিয়ে হাতধৰি নিব আগুৱাই।”

কবিয়ে মানৱ সমাজৰ ওপৰত আস্থা প্ৰায় হেৰুৱাই পেলাইছে। সি যিকি নহওঁক, কবি দুৱৰা বৰ নিৰ্জনতাপ্ৰিয় আছিল। অন্যহাতেদি লাজকুৰীয়া স্বভাৱৰ বাবেও কবিয়ে মানুহৰ মাজৰ পৰা প্ৰায় আঁতৰি থকাটোকে বাঞ্ছা কৰিছিল। মানৱ সমাজৰ অন্যায়, অবিচাৰ, অত্যাচাৰে কবিক বেলেগ অভিজ্ঞতাৰ সোৱাদ যোগাইছিল। বাস্তৱ জগতৰ পৰা কিছু আঁতৰি থাকিবলৈ, মানুহৰ মাজৰ পৰা দূৰত থাকিবলৈহে কবিয়ে ভাল পাইছিল। তেওঁ নিজেই কৈছিল—

"ফাকিফুকা য'ত নাই আৰু নাই য'ত
 সমাজৰ কঠোৰ শাসন
সেয়ে মোৰ থকা ঠাই এই জগতত
 সেই ঠাই অতি নিৰজন।"

কবিৰ মনৰ ভাৱ, তেওঁৰ চিন্তা, কল্পনা, তেওঁৰ জীৱন দৰ্শন, আদৰ্শ, 'আপোন সুৰ'ত সন্নিবিষ্ট নাৱৰীয়া (ক) (খ) (গ) শিতানৰ কবিতা সমূহে সুন্দৰকৈ দাঙি ধৰিবলৈ সক্ষম হৈছে। 'আপোন সুৰ' ত কবি দুৱৰাৰ আশা-আকাঙ্ক্ষা, ভাৱ-অনুভূতি, আবেগিক আকুলতা, প্ৰাণৰ কাতৰ ব্যাকুলতা, সকলোবিলাক ঝঙ্কা-বিত হৈ উঠিছে। এইখন সীমাহীন জীৱন সমুদ্ৰত পাৰাপাৰ বিচাৰি চলাথ কৰা কবি যেন এজন ভাগকুৱা শ্ৰান্তক্লান্ত নাৱৰীয়া।

"গই থাকো নিজ মনে নাঁও বাই বাই
 কাতি হওঁ য'তে বাতি হয়।"

কবি দুৱৰাক যদি 'দুৰ্ভগীয়া' বুলি কোৱা হয়, তেন্তে বৰ বেছি ভুল কোৱা নহ'ব চাগৈ! তৰাগজালিৰ দৰে লহপহকৈ বাঢ়ি অহা কবিৰ আশাবোৰ নিৰাশাৰ ধুমুহাত পুলিতেই মষিমূৰ হ'ব লগা হৈছিল। বাস্তৱৰ ভগাকাঁচৰ টুকুৰাত কবিৰ আল-ফুলীয়া হৃদয় ক্ষতবিক্ষত হৈ পৰিছিল। সংঘাতে কবিক জীৱনৰ প্ৰকৃত ৰূপটো দেখা পোৱাত যথেষ্ট সহায় কৰিছিল। সেয়েহে কবিয়ে পাছলৈ 'সুখ,' 'শান্তি' আৰু 'আশা' ৰ পৰা মনটোক সম্পূৰ্ণৰূপে মুক্ত কৰিব পাৰিছিল। তেওঁ দৃঢ়তাৰে সেয়েহে কব পাৰিছিল—

"আশা কি নো? সংসাৰত নিয়ৰৰ কণা
 লাগি থকা পাতৰ আগত,
কেনিবাদি উৰি যায় কোনেও নেদেখে
 দুপৰীয়া ৰদৰ তাপত।"

কবিৰ জীৱনলৈ অহা ঘাত প্ৰতিঘাতে সুখ আৰু দুখৰ অনুভূতিৰ মাজতো পাৰ্থক্য হেৰুৱাই পেলালে। সুখৰ আশাও কবিয়ে নকৰা হ'ল। কবিৰ মনত সুখ মাথোন অলীক কল্পনাহে—

"সুখ দুখ একো নাই সকলোটি মিছা
 ই এটি মনৰ কল্পনা
যিটিয়ে তোমাৰ সুখ হ'ব পাৰে সিটি
 আইনৰ দুখৰে ভাৱনা।"

কবি দুৱৰাই যদিওবা জীৱনত আশাৰ বেঙণি দেখা নাপালে, যদিওবা তেওঁৰ জীৱনত সুখৰ লগত ভেটাভেটি নহ'ল, তথাপি কবিৰ

কবিতাত কেৱল নিৰাশাকেই পোৱা নাযায়। নিৰাশাৰ ঘোপমৰা ডাৱৰৰ মাজতো কবিয়ে আশাৰ কণা বিচাৰি পায়, অমানিশাৰ আন্ধাৰৰ ডাঠ চামনিৰ মাজেদিও পোহৰৰ সন্ধান পায়, বিচ্ছেদৰ করুণ ৰাগিণীতো কবিয়ে মিলনৰ অমিয়া সুৰ সমলয়ৰ ঝন্-ঝননি শুনিবলৈ পায়। জীৱন নদীৰ কোবাল সোঁতত নাও বাই উটি ভাঁহি ফুৰোতেও যুগৰ অপ্ৰতিহত আহ্বান, সংসাৰৰ মহান কৰ্ত্তব্যৰ চিন্তাই কবিৰ মন আচ্ছন্নকৰাকৈ থকা নাই। মানৱ সমাজৰ পৰা যিমানেই প্ৰতাৰিত নহওক, তথাপি কবিয়ে কাৰো অহিত চিন্তা কৰিব নোৱাৰে। এই বিশাল-বিশ্বৰ আহ্বানত কবিয়ে সকলোকে তেওঁৰ সুৰৰ মূৰ্চ্ছনাৰে জগাই তুলিছে—

"জগতৰ আৱাহন কাণত পৰিছে শুনা
কাচি পাৰি সকলোৱে দিহাদিহি যোৱা ;
কবি তেন্তে উঠি আঁহা মুখত বাঁহীটি লই
নতুন সুৰেৰে তুমি জগত জগোৱা।"

তুৰবাৰ কবিতাত প্ৰকৃতি প্ৰেমো ফট-ফটীয়া হৈ ওলাই পৰিছে। তেওঁ সৌন্দৰ্য্যৰ সাধকো আছিল। এয়া সৌন্দৰ্য্যৰ পূজাৰী তুৰবাৰ ভাৱৰ বুৰ বুৰণি—

"মুকলি আকাশ তল মুকলি তটিনী জল
উদাৰ প্ৰকৃতি আজি জগত মুকলি ;
মুকলি পৰাণ মোৰ মুকলি মনেৰে দিওঁ
সুন্দৰৰ চৰণত ভক্তিৰ আঁজলি।"

কবি তুৰবাৰ জীৱন দৰ্শন 'আপোন সুৰ'ত জিলিকি উঠিছে। এইজন্মত নোপোৱা বহুতো কিবাকিবি মৃত্যুৰ পাচত কবিয়ে পোৱাৰ আশা ৰাখিছে। জীৱন নদীৰ নেদেখা পাৰ-টোক কবিয়ে সোণোৱালী দেশ বুলি কল্পনা কৰিছে। সেয়েহে তেওঁ এইখন পৃথিৱীৰ অনাদৰ. অৱহেলা, দুখ-যাতনা, অশান্তি আৰু আৱৰ্জনা সকলো এৰি থৈ, সুখ, শান্তি বিচাৰি জীৱন নদীত নাৱেৰে ভটিয়াই সোণোৱালী দেশলৈ যোৱাৰ প্ৰয়াস কৰিছে। সংসাৰ নদীত নাওখনি মেলি কবিয়ে অকলে অকলে তেওঁৰ আশাৰ দেশখনলৈ টুলুঙা নাৱত নাৱৰীয়া হৈ, অবাৰিত গতিত নাও বাই যোৱাৰ গভীৰ হেঁপাহ কৰিছে। এয়া কবি তুৰবাৰ জীৱন দৰ্শন। ভাৰতীয় জীৱন দৰ্শনৰ, বিশেষ কৈ সাংখ্য, বেদান্ত দৰ্শন, উপনিষদ আদিৰ প্ৰভাৱ তেওঁৰ কবিতাৰ ওপৰত যথেষ্ট পৰিছে। তদুপৰি বিশ্বকবি ৰবীন্দ্ৰ নাথৰ মানৱাত্মাৰ 'অনন্ত যাত্ৰাৰ' কল্পনাৰ প্ৰভাৱো কিছু পৰি-মাণে পৰা যেন লাগে। কবিয়ে অকলশৰে আপোনভোলা হৈ, নিজৰ গানৰ সুৰতে নিজে তল গৈ অনন্ত ধামলৈ গতি কৰি গৈ আছে। এয়া কবিৰ আটাইতকৈ ধুনীয়া কল্পনা।

কবিয়ে অকলে আপোন মনে নিৰলাত গান ৰচি, শূন্য পৰাণত নিৰাশ শোকৰ সুৰ তুলি নীৰৱেই সময়বোৰ কটাই দিছে। তেওঁ অকলে সংসাৰ পাতি, অকলেই ওমলি-জামলি, শূন্য মন্দিৰত অকলেই হৃদয়ৰ সম্ভাৰ যাচিছে। হৃদয়ৰ আশাৰ সুৰে জগতত হৃদয়

বিচাৰি নেপাই শূন্যত প্ৰতিধ্বনি তুলি কবিৰ অন্তৰতে বিষাদৰ বাঁহীটি বজাইছে। কবিয়ে প্ৰাণৰ প্ৰতিমাৰ বুকুতে অন্তহীন বিষাদৰ সুৰবেৰিৰ সমাপ্তি বিচাৰিছে। কবিৰ হৃদয় 'চিৰকাল বুকুৰ মাজত শোকৰ ধাৰাটি ব'ব' বুলি হাহাকাৰ কৰি উঠিছে। সেয়েহে নতুনৰ আশাত নজনা দেশৰ পিনে ধীৰে ধীৰে জীৱন নাও খনি সোঁতৰ লগত এৰি দিছে। সংসাৰৰ কোনো আলৈ আহুকালে কবিক আৰু পৰশিব নোৱাৰিব। জীৱনৰ ভয়-সংশয়—একো নাই। লক্ষ্য থিয়াই গৈ থাকোঁতে যদিহে উত্তাল তৰঙ্গৰাশি উথলি উঠে, মেঘৰ প্ৰচণ্ড গাজনিয়ে পৃথিৱী কঁপাই তোলে, সোঁতে যদি সীমা পাৰ কৰি বহু দূৰলৈ আঁতৰাই নিয়ে, তথাপি কবি আতঙ্কিত হৈ নপৰে—

"আহক বিশাল ঢৌ স্থিৰ গতিহীন
উথলি উঠক পানী— নীৰৱ নিমাত,
আনিলে যি ঢৌৱে মোক অনন্তৰ পৰা
বঙমনে ঘৰলৈ উঠি যাম তাত।"

বুলি কবিয়ে নিৰ্ভয়ে আগুৱাই গৈছে। সাগৰৰ সিপাৰত জ্বলি থকা আশাৰ চাকিটিয়ে পোহৰ দেখুৱাই কবিক উল্লাসিত কৰি তুলিছে। কবিৰ হিয়াৰ অনন্ত সঙ্গীতৰ অমৃত লহৰীয়ে, সুৰৰ সুমধুৰ ধ্বনিয়ে, আকাশ বতাহ চাটি ধৰিছে। দুদিনীয়া ভালপোৱা বা পাহৰণ, সোঁৱৰণ, ক্ষন্তেকীয়া সুখৰ সপোন, এই সকলোবোৰৰ মায়াৰ বান্ধোন ছিঙি তেওঁ সোণোৱালী দেশলৈ গতি কৰিছে। কোনোৱা সপোন কুঁৰবীয়ে আহি অন্তৰৰ আশা-কুসুমৰ পাহি খেলোৱাৰ কল্পনা আজি আৰু কবিয়ে নকৰে। মৰুৰ মাজত চেনেহ ফুল নুফুলাৰ বতৰা কবিয়ে কেতিয়াবাই পাহৰি গৈছে।

কবিয়ে যিমানেই নিজৰ দুৰ্ভাগ্যক নিয়তিৰ আশীৰ্বাদ বুলি গ্ৰহণ কৰাৰ প্ৰয়াস কৰিছে, সিমানেই তেওঁৰ মনটো কিবা এটা হেৰুওৱাৰ বেদনাত চট্‌ফটাই উঠে। অন্তৰত আশাৰ প্ৰদীপ নুমাই যায়। শোকৰ সুৰটি কবিৰ প্ৰাণত তেতিয়া উথলি উঠে—

"নেবাজে বীণত মোৰ
মনোমোহা সুমধুৰ তান,
সুৰ ভুলা জীৱনৰ গান।"

তথাপি ৰিণিকি ৰিণিকি মনত পৰা অতীতৰ মধুৰ স্মৃতিৰ পৰশত কবিৰ ভগা হিয়া খনি কিবা এক বুজাব নোৱাৰা আনন্দত নাচি উঠে। অতীতৰ সুমধুৰ তান কবিৰ স্মৃতি বীণত আজিও ঝঙ্কাৰিত হৈ উঠিছে। কবি দুৰবাৰ কবিতাৰাজিত হৃদয়ৰ আকুলতা আৰু প্ৰাণ পৰশা' কাতৰ ব্যাকুলতাই করুণ সুৰৰ মূৰ্চ্ছনা তুলি যায়। কিবা এটি সকৰুণ সুৰে কবিতা সমূহৰ প্ৰতি সকলোকে আকৰ্ষণ কৰাত সক্ষম হৈছে। অন্তৰত উদ্ৰেক হোৱা মুঠি মুঠি ভাৱৰ জ্যোতিৰে কবি দুৰবাই কাব্য কাননত একো একোপাহ পদুম ফুলাই থৈ গৈছে।

কবি দুৰবা এজন সৌন্দৰ্য্যৰ পূজাৰী।

সৌন্দর্য্যৰ অক্ষয়, অনন্ত নিজৰা তেওঁ আজীৱন বিচাৰি ফুৰিছে। কবিয়ে মনে প্ৰাণে আশা কৰিছে সেই সৌন্দর্য্যৰ জুৰিটিতে এটি বুৰ মাৰি তেওঁৰ প্ৰাণৰ পুতলী, মানস প্ৰতিমাতেই যেন আজীৱন আপোন পাহৰা হৈ থাকিব পাৰে। গানে গানে, ছন্দে ছন্দে যিদিনা সুৰত বান্ধি সেই প্ৰতিমাক আপোন কৰি লব পাৰিব, যিদিনা প্ৰতি অণু-পৰমাণু প্ৰতিমাতেই মিলি এক হৈ যাব পাৰিব, সিদিনাই কবিৰ জীৱনৰ আশা পূৰণ হ'ব, সপোন দিঠক হ'ব, মায়াবী মোহজালে আত্মাৰ মাজত প্ৰকৃত ৰূপত ধৰা দিব।

"আপোন সুৰ" কবি দুৱৰাৰ কাব্য কাননৰ এপাহি সদ্য প্ৰস্ফুটিত ৰজনীগন্ধা। 'আপোন সুৰ'ত কবিৰ কল্পনাই অনির্ব্বচনীয় সৌন্দর্য্যৰাশিৰ ক্ষৰণ ঘটাইছে,— সৃষ্টিৰ এটি নিজৰাই স্বৰ্গীয় সুষমা প্ৰকাশৰ বাবে অহৰহ এক অবৰ্ণনীয় সুৰৰ লহৰী তুলি পাৰাপাৰ নৌৱাই ইয়াৰ মাজেদি গতি কৰিছে। মুঠতে কবি দুৱৰাৰ 'আপোন সুৰ' এটি প্ৰতিশ্ৰুতি পূৰ্ণ অমৃত গাগৰি। যি গাগৰিৰ কাণেদি পাঠকৰ অন্তৰলৈ অমৃতৰ স্ৰোতধাৰা নিজৰি নিজৰি বৈ আছে,— আপ্লুত কৰি তোলে সমগ্ৰ সত্বা। এয়া কবি দুৱৰাৰ সৃষ্টিৰ সাৰ্থকতা, এয়া 'আপোন সুৰ'ৰ প্ৰতিশ্ৰুতি পূৰ্ণ সাৰ্থকতা।

সাহিত্য সেৱী পদ্মধৰ চলিহাদেৱে দুৱৰাৰ কবিতা সম্পৰ্কে কৈছে— 'কবিতাৰ ঘাই উপকৰণ— কল্পনাৰ উৰণ ভাৱৰ স্ফুৰণ, আবেগৰ স্পন্দন আৰু সৌন্দৰ্য্যৰ বহণ দুৱৰাৰ কবিতাত জিলিকি আছে।

দুৱৰাৰ কবিতা নিজৰাৰ নিৰ্মল সোঁতৰ দৰে। সুললিত ছন্দৰ অবাধিত, লীলায়িত গতিত সি বৈ বৈ গৈ থাকে, ক'তো ঠেকা নাখায়। কোনো ঠাইত ভাৱৰ খেলিমেলি আৰু আবেগৰ সংঘাত থাকিলেও সাধাৰণতে ক'তো দুৰ্বোধ্যতা বা জটিলতা নাই।

অসমীয়া সাহিত্য জগতত কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱৰ এখনি সুকীয়া আসন আছে। সাহিত্য জগতৰ উন্নতি তথা প্ৰগতিত দুৱৰাদেৱৰ অৱদান প্ৰতিজন অসমীয়াই শ্ৰদ্ধাৰে সোঁৱৰিব লগীয়া। এইজনা সাহিত্যিকেই 'কথাকবিতা'ক অসমীয়া সাহিত্যলৈ পোন প্ৰথম বাৰ আগবঢ়াই দি অসমীয়া সাহিত্যক এখোপ ওপৰত প্ৰতিষ্ঠিত কৰি থৈ যায়।

আশা ৰাখিছোঁ, কবি দুৱৰা আমাৰ মাজত কালজয়ী হৈ ৰৈ যাব, আশা ৰাখিছোঁ, কবি দুৱৰাই অসমবাসীৰ প্ৰাণে প্ৰাণে সুৰৰ মূৰ্চ্ছনা তুলি অনন্ত কাললৈ এটি সুৰৰ নিজৰা হৈয়ে বৈ ৰ'ব।

★★

গল্প

# "দায়ী কোন" ?

সোণমাই বৰুৱা
স্নাতক ২য় বাৰ্ষিক

ভীষণ গৰমক ভেদ কৰি যদিও বতাহ চাটি বলি আছিল, তথাপিতো তাৰ গাটো শীতল নালাগিল, কাৰণ সি তাৰ গাটো শীতল কৰিবলৈ নাভাবে। ভাৱে মাত্ৰ এটি উপায়, যিটো উপায়েৰে সি তাৰ ভোকাতুৰ হৈ পৰা লৰাটোৰ মুখত এমুঠি অন্ন তুলি দিব পাৰিব। পৃথিৱীখনত চাৰিওফালে ক্ষুধাৰ জুই জ্বলিছে। কত দুভগীয়াই খাবলৈ নাপাই সেই অগ্নিত জাহ গৈছে, তাৰ হিচাবেই বা কোনে ৰাখিছে। তাৰপত্নী— পদুমী জনীও খাবলৈ নাপায়েই এদিনৰ জ্বৰতে চিৰদিনৰ বাবে আতঁৰি গুচি গ'ল। হয়তো অজান দেশত থাকি পদুমীয়েও তাক কত অভিশাপ দিছে। তাৰ কৰ্ম্মঠ হাত দুখন থাকিও সি তাৰ মৰমৰ পদুমীক এমুঠি অন্ন দি বচাব নোৱাৰিলে। কথাষাৰ ভবাৰ লগে লগে মধুনাথৰ দুচকুৰেদি দুধাৰ তপত পানী বৈ আহিল। তাৰ নিজৰ ওপৰতেই বৰ খং উঠিল। "ধিক তোৰ পুৰুষত্ব"! তই জীয়াই থাকিও এমুঠি অন্ন দি তোৰ তিৰোতাক বচাব নোৱাৰিলি, নিয়তিৰ হাতত গতাই দি নীৰৱ দৰ্শক হলি, এতিয়া তোৰ চকুপানী ওলাইছে? কাপুৰুষ! অজানিতে তাৰ দাঁত দুপাৰিয়ে এটা শব্দ কৰি উঠিল। বৈ অহা চকুপানী খিনি সি খহটা হাত দুখনেৰে মুচি পেলালে।

সেইদিনা আছিল দেওবাৰ। কৰ্ম্মীসকলৰ সাপ্তাহিক জিৰণিৰ দিন। সকলোৱে ব্যস্ত সপ্তাহটোৰ অৱসাদখিনি ৰং ৰহইচেৰে আতঁৰাইছে। গাঁৱৰ মূৰত থকা জৰাজীৰ্ণ ঘৰটোৰ উৱলি যোৱা বেৰখনতে আঁওজি খহি যোৱা পিৰালিটোত বহি থকা আনন্দৰ হলে অকণো ভাল লগা নাই। সৰু লৰা সি; সংসাৰৰ কথা বুজি নাপায়। কিন্তু খাবলৈ নাপালে যে সি মৰি যাব সেই কথা সি বুজিছে। কিন্তু পাব ক'ত? লগৰ সমনীয়া গোপাল, জিন্টু হতঁক পুৱা-গধুলি, দুপৰীয়া-আবেলি মাকহঁতে মৰম কৰি নানা বস্তু খুৱায়। তাৰ ভাব হয় তাৰ মাক থকা হলে তাকো মৰম কৰি কত খাবলৈ দিলেহেঁতেন। তাৰ হৃদয় খনে হাহাঁকাৰ কৰি উঠিল। অভাৱগ্ৰস্ত তাৰ দেউতাকৰ এই জুপুৰীত আজি দুদিনে সিহঁতৰ লঘোন। পেটৰ জ্বালা সহিব নোৱাৰি 'দেউতা' বুলি চিঞৰি উঠিল। তাৰ করুণ মাতটোৱে ইমান পৰে আকাশ পাতাল ভাবি থকা দেউতাকক বাস্তৱ পৃথিৱীলৈ ঘূৰাই আনিলে। "সোনটি" বুলি তাৰ কাষলৈ আহি মৰম কৰিলে। দেউতাকৰ কোলাত মুখ

গুজি এহাতে পেটটো হেঁচা মাৰি দেউতাকক কলে— "বৰ ভোক লাগিছে দেউতা, কিবা এটা খাবলৈ দে।" কি কব মধুনাথে, পিতৃ হৈ পুত্ৰৰ মুখত এটি আহাৰ তুলি দিবলৈয়ো সি যে অসমৰ্থ। "হায় ভগবান। আজি মই সোণটিক কি দিওঁ খাবলৈ। যেনিয়ে বিচাৰি যাওঁ তেনিয়ে নিৰাশ হওঁ। যাকে বিচাৰিবা তেওঁৱেই গালি পাৰি পঠাই দিয়ে। আৰুনো কিমান ৰং চাবা প্ৰভু!" আনন্দৰ কৰুণ শুকান মুখখনলৈ চাই কলে—"আজি ক'তো একো নাপালো সোণটি। আৰু অলপ সময় ৰ। মই আকৌ যাওঁ। তই সৌ পাটীখনতে শুই থাকগৈ যা।" এই বুলি মধুনাথে জুপুৰীটোৰ ভিতৰৰ মজিয়াত পাৰি থোৱা ভগা পাটীটোলৈ আঙুলিয়াই দি নিজে ফটা মোনাটো কান্ধত পেলাই লৈ আলিলৈ খোজ ললে।

বেলিটো মূৰৰ পোন পালেহি। তাৰ লক্ষ্যহীন যাত্ৰাত প্ৰখৰ ৰ'দটোৱেও যেন ইতিকিং কৰিছে। সি গৈ আছে— কিন্তু ক'লৈ যাব সি তাক চিন্তা নকৰিলে। কাৰণ অতদিনে তাকেই চিন্তা কৰি যাওঁতে কিমান গালি, কিমান অপযশ, কিমান ককৰ্থনা-বিকৰ্থনাৰে তাৰ ভিক্ষাৰ পাত্ৰ পূৰ কৰিলে তাক সি ভালদৰে জানে। আজি সি কাকো নিবিচাৰিব। কাহানিও নভবা কথা এটাই তাক উদ্বাউল কৰি পেলালে। তাহাঁতৰ দৰে দুখীয়াবিলাকৰ মাটি কিনিয়েই আজি যদু, মুহি, ৰামধনহ'ত বাবু হৈ খাইছে। কোনে বিশ্বাস কৰিব যে এদিন সিহঁতৰ প্ৰকাণ্ড প্ৰকাণ্ড পথাৰবোৰত যদুহঁতে হাড় ভাঙি আধিখেতি কৰিছিল বুলি! কলৈ গ'ল সেই মাটি? আছে- যেনেভাৱে আগেয়ে আছিল এতিয়াও তেনেভাৱেই আছে। কিন্তু নাই মাত্ৰ সিহঁতৰ ডাঙৰ ডাঙৰ ভঁৰালটোহঁত আজিও সি সেই মাটিত হাড় ভাঙি খেতি কৰে— কিন্তু সেই ধানৰ গৰাকী বুদ্ধিজীৱী-বিলাকহে। সেয়ে আজি সি চুৰ কৰিব। কাৰণ সিও জীয়াই থাকিব বিচাৰে। উঃ ইমান ডাঙৰ ভঁৰালৰ ধানবোৰ লোকে লৈ গৈছে। কব নোৱাৰাকৈ তাৰ খংটো উঠি আহিল। সি জীয়াই থাকিবই, তাৰ পত্নীৰ দৰে সোণটিক সি অনাহাৰত মৰিব নিদিয়ে। সেইবোৰ তাৰ ধান, সি চুৰ কৰি হলেও আনিব, অ' নহয়, চুৰি নহয়—তাৰ প্ৰয়োজন হৈছে আনিব;— তাকতো ন্যায়মতে চোৰ বুলি কব নোৱাৰি।

গৈ গৈ সি গাঁৱৰ মূৰৰ পত্থলিটোত ভৰি দিলেগৈ। চ'তৰ প্ৰখৰ ৰ'দে তাৰ গাটো ঘামত তিয়াই পেলাইছিল। ভৰিদুটা কঁপিছিল কিন্তু সি ক্লান্ত হোৱা নাছিল। কাৰণ প্ৰতি-হিংসাৰ জুয়ে তাক উত্তেজিত কৰি তুলিছিল। সি লাহে লাহে পত্থলিটোৱেদি সোমাই গ'ল। পত্থলিটোৰ কাষত থকা শাৰী শাৰী ফুলবোৰে তাৰ দৃষ্টি অকণো আকৰ্ষণ নকৰিলে। তাৰ চকু কেৱল প্ৰকাণ্ড ভঁৰালটোত। কাষত থকা সৰু কোঠাটোত বস্তাই বস্তাই চাউল, ধান আদি থাক-থাককৈ থোৱা আছে। হয়তো

সন্ধিয়া কোনোবা মজুতকাৰীয়ে লৈ যাবহি। সি এবাৰ সূক্ষ্মভাৱে চাৰিওফালে চকু ফুৰালে। বাহিৰত কোনো নাই। বিৰাট অট্টালিকাটোৰ বাৰান্দাত লগুৱাটো শুই আছে। এয়েই সোণালী সুযোগ। কিন্তু যিমানেই সি বস্তা-বোৰৰ ওচৰ চাপিল সিমানেই তাৰ বুকুখন ধপধপাবলৈ ধৰিলে। নাই সি চুৰ কৰিব নোৱাৰে। খাবলৈ নাপাই মৰাতকৈ এইটো বেছি ডাঙৰ পাপ হব নিশ্চয়। তাৰ পত্নুমী-জনী মৰিলে সিহঁতো মৰিব। পত্নুমীয়েটো তাক কাহানিও চুৰ কৰিবলৈ কোৱা নাছিল? তেন্তে সিনো কিয় ভাবিছে? হঠাৎ সোণটিলৈ মনত পৰিল লগে লগে তাৰ হাত দুখনো ব্যস্ত হৈ পৰিল। আজি সি যেনে তেনে কিবা এটা নিবই লাগিল। নহলে তাৰ সোণটিও মৰি যাব। "আইঐ দেহি! কেনে সুন্দৰ লবাটিৰ মুখখন কেনে হৈছে।" আবেগ আৰু অনুশোচনাত তাৰ হৃদয়খন ধৰফৰাই উঠিল। খৰধৰকৈ উশাহ টানি সি চাউল-খিনি ভৰালে। "কিন্তু ই কি? মই যে চক্ খাই গঁলো কোনে চিঞৰিলে? বাৰা-ন্দাত দেখোন চাকৰটো নাই! মই এই ছেগতে যোৱাই ভাল হব।" খৰধৰকৈ প্ৰায় দৌৰি যোৱাৰ দৰে সি খোজ ললে। উঃ কোনে মাৰিলে ঐ? চাকৰটোৱে আৰু এমাৰ দি কৰ্কশভাৱে খঙেৰে কলে "তোৰ যমে; চোৰ, চুৰ কৰিবলৈ ঠাই নাপালি তই? ব'ল, ব'ল উঠ, মৰিবলৈ আহিছিল মৰগৈ বল।" "উহ্ নামাবিবি ঐ বোপাই মৰি যাম এতিয়া। মই— মই চুৰ কৰা নাই বোপাই। এইবোৰ এইবোৰ মোৰ মাটিৰে ধা-ন - অ-ই। উঃ আহ। নামা-বিবি। (চাকৰটোৱে মৰি-য়াই ঘৰৰ ফালে টানে) অ' মোৰ গোসাঁই আৰু — নামাৱিবি। আঃ, আ-হ মৰিলো ঐ। দুৱাৰ মুখত যদুনাথক দেখি—"দেউতা ঐ ৰক্ষা কৰক। দে-উতা মো-ক ৰক্ষা কৰক। মই -আঃ মৰিম এতিয়া।" চাকৰটোৱে টানি টানি নি চোতালতে পেলাই দি গদ্ গদ স্বৰে কয় "কুকুৰ পোৱালী, দিনচোৰ, পৰ, এতিয়া দেউ-তাৰ ভৰিত দীঘল দি পৰ, মই থাকোতে চোৰঁৰে চুৰ কৰিবলৈ আহ? দেউতা — ই গৈছিলেই মই চতুৰে পাছ ফালৰ পৰা মাৰ শোধাইহে ধৰি আনিছো। মোৰ আগত ক'ত সাৰিব পাৰিব দেউতা। মই চাইহে আছিলো।"

মাটিত পৰি মধুনাথে ফাটি তেজ ওলোৱা ঠাইবোৰ হাতেৰে মোহাৰি দুখ বেজাৰ আৰু বিষত জৰ্জৰিত হৈ চাটি ফুটি কৰি পৰি আছে। মুখেৰে "মোক দয়া কৰক দেউতা ঈশ্বৰ! মই মই পোনাকণৰ দুদিনীয়া লঘোনৰ মুখত এমুঠি দিম বুলি চাউল দুটামান লৈছিলো। আপোনাবতো বহুত। "ওঁ বহুত আছে, তাৰ বাবে চুৰি কৰি নিবলৈ আহিছিলি নহয়—? ইমান পৰে মনে মনে থকা যদুনাথে চকু পকাই সুধিলে। ইচ্ ৰাম চকু কেইটাত যেন একুৰা জুইহে দেখিছে। সি যেন অনুভৱ কৰিছে, সেই জুয়ে তাৰ অন্তৰখন পুৰি চাৰখাৰ কৰি দিছে। উঃ অসহ্য, পেটৰ জ্বালা, লাঠিৰ কোৱত চিৰাচিৰ হোৱা তাৰ

দেহৰ জ্বালা, আৰু হৃদয়ৰ জ্বালাত সি যেন মৰি যাব এতিয়া। সি দৃঢ়, অথচ কৰুণ ভাবে যদুনাথৰ মুখলৈ চালে, আৰু চোতালতে বহি, বুকুত হাত দি আপোন মনে সি কৈ গ'ল—"দেউতা ঈশ্বৰ, আপোনাৰ এই চাৱনি ক'ত পালে ? এই চাৱনিত যেন আমাৰ দৰে নিচলা বোৰ পুৰি শেষ হৈ যাব। দেউতা ময়ো এদিন আপোনাৰ মাটিবোৰৰ গৰাকী আছিলোঁ। ময়ো আপোনালোকৰ দৰে কপালৰ ঘাম মাটি পেলাই কৰি দিয়া পথাৰৰ সোণ গুটিৰে প্ৰকাণ্ড ভঁৰালটো সুখেৰে খাইছিলো। তেতিয়া মোৰ দৰে আপোনালোকে চুৰ কৰিব লগা অৱস্থা নহৈছিল। বিচাৰিলে দিছিলো যথাসাধ্যে। কিন্তু সময়ৰ সোঁতত সকলো উলট পালট হৈ গ'ল। আপোনাৰ অট্টালিকাত সৌবোৰ মোৰ তেজ লাগি আছে। সৌ ভৰালটোত থকা লখিমীবোৰে মোক চিনি পায়; দেউতা ঈশ্বৰ মই এতিয়া মোৰ মাটিৰ ধানেৰে আপোনাৰ ভঁৰাল শুৱনি কৰি দিছোঁ— কিন্তু মোক দুবেলা দুমুঠি চাউল দি সহায় কৰিবলৈ টান পায়। বিচাৰি আহিলেও, পদূলিৰ পৰাই খেদাই পঠায়। কিন্তু নাখাই জীয়াই থাকো কেনেকৈ ? মোৰ মৰমৰ পত্নীয়েও খাবলৈ নাপাই মৰিল। মোৰ সোণটি, মোৰ একমাত্ৰ সঙ্গী পোনাটি, সিও মৰিব এতিয়া। তাক মই মৰিবলৈ দিব নোৱাৰো দেউতা ঈশ্বৰ— তাৰ বাবেই মই চিনাকী লখিমী এমুঠি নিবলৈ আহিছিলো। কিন্তু দেউতা ঈশ্বৰ—ভগবানে আমাক জীয়াই থকাটো নিবিচাৰে। মোক মাৰি পেলাওক দেউতা। নহলে সোণটিয়ে মোক শাও দিব। সি চাগৈ মোলৈ বাট চাই আছে, পেটৰ জ্বালা সহি সহি পৰি আছে। মই কি সতে শুদাকৈ যাওঁ দেউতা ঈশ্বৰ। উহ্— ভগবান"। কথাখিনি কৈ যেন তাৰ খুব পাতল লাগিল। বিষাই যোৱা বুকুখন সি হেঁচা মাৰি ৰ'ল। তপত লোতক ধাৰাক সি বাধা দিব নোৱাৰিলে। এইবোৰ যেন তাৰ তেজহে। ফাটি ছিটি যোৱা ঠাইবোৰৰ গোট মাৰি যোৱা তেজৰ চেকুৰাবোৰৰ দৰে তাৰ জ্বলি পুৰি যোৱা কলিজাৰ জুইকুৰাও যেন ক্ৰমশঃ নুমাই গৈছে। সি যদুনাথৰ চকুলৈ চালে। "ই-কি ? যদুনাথে চোন মোৰ ফালে বৰ কৰুণ ভাবে চাইছে ? অলপ আগতে দেখা চকুৰ জুইকুৰা কলৈ গ'ল ? চকুৰ পানীৰে নুমুৱা নাইতো ? তেওঁ দেখোন কান্দিছে,— কি হ'ল মোৰ কথাবোৰ গাজত লাগিলগৈ হবলা। তাৰ চকু দুটা ঠিকেই আছেতো ?? দেউতা ঈশ্বৰ, আপোনাৰ কি হ'ল ? ইমান পৰে ৰণত জিকি সেনাপতিক বন্দী কৰি ৰজাৰ আগত গতাই দি নিজকে হিন্দী চিনেমাৰ হিৰ' যেন ভাবি বহি থকা চাকৰটোৱে ওচৰলৈ আহি ৰণ জয়ৰ বাতৰিত মৰ্ম্মাহত হোৱা তাৰ প্ৰভুক ভয়ে ভয়ে — "দেউতা, গা বেয়া লাগিছে যদি শুই থাককগৈ যাওক। মই কুকুৰক যি কৰিব লাগে কৰিম। আপুনি চিন্তা নকৰিব আমাৰ একো নষ্ট হোৱা নাই। যাওক-উঠক দেউতা।" কি হল— মানুহজন চোন শোকত বিহ্বল হৈ পৰিল। চাকৰটোৰ

লগতে মধুনাথো অতিশয় আচৰিত হ'ল। মধুনাথে তাৰ দুখ বেজাৰৰ কথা পাহৰি গ'ল। "ই-কি মোক দেখোন সাঁৱটি ধৰি তুলি দিছে। মোক চোন তেওঁ লৈ গৈছে— কিন্তু কলৈ,— মাৰিবলৈ নহয়তো ???

যদুনাথে বাৰান্দাতে থকা বেঞ্চখনত তাক বহুৱাই দিলে আৰু নিজেও বহি তাৰ কান্ধতে হাতখন থৈ কবলৈ ধৰিলে — "মধুনাথ, তোৰ এই কাৰ্য্যই মোক আজি খং নুতুলি বেজাৰহে দিছে। তই হয়তো আচৰিত হৈছ? আজি দুবছৰৰ আগতে মোৰ চেনেহৰ নিৰুপমা জনী ঢুকাল। আজি তেওঁৰ শ্ৰাদ্ধ পৰিছে। দহ বছৰৰ আগতে তহঁত আছিলি চহকী, আৰু আমি আছিলো দুখীয়া। তহঁতৰ পথাৰত কাম কৰি যি আৰ্জো সি খাবলৈ নাটেগৈ। এদিন তিনিদিনীয়া লঘোণত তৎ নাপাই, নিৰুপমাই নগেনৰ ঢেকীশালৰ পৰা মনে মনে চাউল আনিছিল। তেওঁ কাৰ্য্যটো খুব সাৱধানে কৰিছিল। কাৰণ তেওঁ সিহঁতৰ ধান বানিবলৈ সদায়ে গৈছিল। সেইবাবেই কোন সময়ত গলে ভাল হব জানিছিল। সেই কেইষাৰ কথা কৈ যদুনাথ বৈ গৈছিল। চাকৰটোৱে ইমান পৰে আচৰিত হৈ/বৈ আছিল। সি গৰাকীৰ এনে আচৰণত সচাঁকৈয়ে তবধ লাগিছিল। কিন্তু যদুনাথৰ কৰুণ চাৱনিয়ে তাক যেন লাজহে দিছে। সি অপমানত তলমূৰ কৰি তাৰ পৰা আঁতৰি গ'ল। মধুনাথক মৰাৰ বাবে তাৰ নিজকে দোষী দোষী যেন লাগিল। যি যদুনাথে এটা চাউল মাটিত পৰিলেও তাক গালিৰে মহাভাৰত বৰ্ষিছিল। সেই যদুনাথৰ চোৰৰ প্ৰতি কৰা বেথা প্ৰদৰ্শন তাৰ কিবা সাঁথৰ সাঁথৰ যেন লাগিল।

মধুনাথৰ চকুত চকু থৈ যদুৱে একে উশাহে কৈ গ'ল— কিন্তু হঠাতে বাটৰ সোঁমাজ পাওঁতেই বেৰে জুমি চাই থকা চাকৰটোৱে মাৰিবে পাছফালৰ পৰা পিঠিত মাৰ দি থিতাতে তেওঁক পেলাই দিয়ে; ঠিক তোৰ দৰেই মৰিয়াই মৰিয়াই গিৰিহঁতক শোধালেগৈ। এটা সময়ত তেজেৰে বাঙলী হৈ ঘৰ পাই অচেতন হৈ পৰে আৰু সেই অৱস্থাতে..........।" বাকী ডোখৰ শেষ কৰিব নোৱাৰিলে তেওঁ। শোকে বিহ্বল কৰি তুলিলে। কেইটামান বোবা মুহূৰ্ত পাৰ হৈ যায়। পুনৰ যদুনাথে সুস্থহৈ কবলৈ আৰম্ভ কৰিলে—"বুইছ মধুনাথ মোৰ বাবেই তেওঁৰ মৃত্যু হ'ল। তোৰ বাঙলী গা দেখি মোৰ নিৰুপমালৈ মনত পৰি বুকুখন চিৰিং কৰি গৈছে।" মধুনাথে ভাবি নাপালে কি বুলি তেওঁক সান্ত্বনা দিব। নিজৰ শোচনীয় দেহাটোৰ বেদনাতকৈ যদুনাথৰ বেদনা যেন বহুত বেছি— সি ভৱা নাছিল যে গৰ্ব্ব অহঙ্কাৰেৰে ভৰা যদুনাথৰ অন্তৰতো পুতৌ লগাকৈ দুখ থাকিব পাৰে বুলি। সি কলে— "ভগবানৰ লীলা কোনে বুজিব দেউতা ঈশ্বৰ।" উধহি যোৱা হাতখনেৰে নিজৰ চকুপানী খিনি মচি মধুনাথে কথমপি উঠি যদুনাথৰ ভৰি ছুই সেৱা কৰি

কলে— "দেউতা ঈশ্বৰ- মোক ক্ষমা কৰক। মোৰ সোণটিৰ বাবেই মই এনে পাপ কৰিলোঁ। সোনটিয়ে চাগৈ মোলৈ বাট চাই আছে। মই যাওঁ দেউতা। ভগবানে আপোনাক মঙ্গল কৰক। সি বিষে- জ্বৰে জঠৰ দেহাটো কথমপি থিয় কৰিলে। যদুনাথে আগবঢ়াই দিয়া টকা দহটা লওঁ নলওঁকৈ লৈ তাৰ পৰা আঁতৰি গ'ল।

ক্লান্ত বেলিটো ক্ৰমশঃ আঁতৰি গৈছিল পশ্চিমলৈ। মধুনাথে খোজ লৈছিল বজাৰৰ ফালে। অসংখ্য মানুহৰ মিছিল সি দেখা পালে। হাজাৰ জনৰ মাজত সি নিজৰ অস্তিত্ব বিচাৰি নাপালে। কোনো চিন্তা নকৰাকৈ সি গধূলিৰ বাবে এসাঁজ কিনিলে। লগতে এটা ক্ষুদ্ৰ বটল কিনি সি ঘৰমুৱা হল। ভাৱ হ'ল পৃথিৱীত যেন তাৰ আৰু কোনো কাম নাই। এটা তৃপ্তিৰ হাঁহিৰে সি তাৰ ঘৰ সোমালেগৈ।

লাহে লাহে গধূলি হ'ল। বহুদিনৰ মূৰত ভালকৈ মাছৰ জোলেৰে এসাঁজ খাবলৈ পাই সোণটিয়ে পৰম শান্তিৰে শুই পৰিল। ছালৰ ফুটাৰে তৰা বহা আকাশৰ জোনাকে লুকাভাকু খেলিছিল তাৰ মুখ মণ্ডলত। ক্ষন্তেকৰ বাবে মধুনাথক মায়াৰে আৱৰি ধৰে। কিন্তু তীব্ৰ ভাবে বিষাই থকা পিঠিটোৰ বেদনাখিনিয়ে জীয়াই থকাৰ শেষ মোহকণো শেষ কৰি দিলে। ভগা বেৰখনত ওলমি থকা মলিন কৃষ্ণৰ ফটোখনৰ ওপৰত চকু পৰাৰ লগে লগে নিজকে বৰ অপৰাধী যেন লাগিল।

জীৱনত সি বহুত কিবা কিবি পাইছিল, কিন্তু সময়ৰ সোঁতত সকলোবোৰ উটি গ'ল। পৰাজয় হৈছিল প্ৰাণাধিক পত্নীৰ অপমৃত্যুত। মানস পটত ভাঁহি উঠা তেওঁৰ চিত্ৰ খনে যেন দ্বিতীয় বাৰৰ বাবে সকিয়াই দিছিল তাক। সেয়ে সি আজি দৃঢ় প্ৰতিজ্ঞ যে সি যেন দ্বিতীয় বাৰৰ বাবে দায়ী হবলৈ নাপায়। গাঁঠিত থকা বটলৰ পানীখিনিলৈ চাই সি নিশ্চিত সিদ্ধান্তত উপনীত হৈ ভগৱান আৰু পুতেকৰ ওচৰত হৃদয়ৰ সকলো মৰম আৰু ভক্তি সহকাৰে ক্ষমা ভিক্ষা মাগিলে।

এটা সংঘাটপূৰ্ণ জীৱনৰ পাতনি মেলি অন্ধকাৰত শুই আছে আনন্দ। সি নাজানিলে নামটোৰ সাৰ্থকতা ক'ত? নাজানিলে কিয় মাকৰ পিচতে দেউতাকেও তাক কিয় এৰি থৈ গ'ল? — আৰু — আৰু বহুত কিবা-কিবি নজনাকৈ সি শুই থাকিল।

এনে এটা কৰুণ জীৱনৰ অধ্যায় শেষ হৈ গ'ল। এই মৃত্যু কাৰ বাবে? ব্যৱসায় জীৱীসকলৰ কু চক্ৰান্তৰ বাবে নে— নিষ্ঠুৰ ভগৱানৰ ছলনাৰ বাবে? পূৰ্ব্ব জীৱনৰ কৰ্ম্মফলৰ বাবে নে মানসিক কাপুৰুষালিৰ বাবে? এটি নিষ্পাপ শিশুৰ জন্ম দি জীয়াই থকাৰ সফলতাখিনি দি থৈ যাব নোৱাৰাৰ বাবে প্ৰকৃত দায়ী কোন ???

★★

# জনশ্রুতিৰ এটি ফিৰিঙতি

## ( ৰামখা বা ৰামাখ্যা পীঠ )

—অনুপমা দেৱী

প্ৰাক্‌স্নাতক ১ম বাৰ্ষিক।

জকাইচুক মৌজাৰ শেষ প্ৰান্তত দিখৌ-মুখ অঞ্চলৰ দেওঘৰীয়া গাৰঁত অৱস্থিত ৰামখা বা ৰামাখ্যা পীঠৰ কথা ইয়াৰ লগত জৰিত হৈ থকা সকলে সম্যক পৰিমাণে বা নিজে চিন্তা কৰা ভাৱে কিছু উপলব্ধি কৰে। ফল স্বৰূপে আজিও সেই পীঠত আঞ্চলিক ৰাইজ আৰু ভৈয়ামৰ জনজাতি ৰাইজৰ সমাগমত অসমৰ আন আন পীঠৰ দৰেই যথাবিহিত পূজা-পাৰ্ব্বন চলি আছে।

কিংবদন্তী মতে ৰাইজৰ মুখত প্ৰচলিত ভাটিৰ কামাখ্যা, উজনিৰ ৰামাখ্যা শদিয়াৰ কেচাই খাতী, এই তিনিখন অসমৰ প্ৰসিদ্ধ দেৱীপীঠ। এই তিনিখন পীঠৰ ভিতৰত, শদিয়াত সতীৰ মূৰ, কামাখ্যাত যোনি আৰু ৰামাখ্যাত বুকু আৰু কৰ্কালৰ মাজ অংশৰ অৱস্থান বুলি ধাৰণা কৰে। নিদৰ্শন স্বৰূপে স্মৰণাতীত কালৰ পৰা দেৱালয়ৰ প্ৰস্তৰীকৃত দেবীৰ দেহাংশ আজিও সেই পীঠত বৰ্ত্তমান। তাৰ উপৰিও মানৱ দিন আৰু অপহৰণকাৰীৰ অপচেষ্টাৰ পাচতো দেৱালয়ৰ কামত ব্যৱহৃত হোৱা কেইখনমান পৌৰাণিক শিল আৰু দুখন বলিকটা দাও ইয়াত আছে।

ৰামাখ্যা পীঠত অতীজত কিবা স্থায়ী দ'ল বা দেৱালয় আছিল বুলি অনুমান হয়। কিয়নো অতীত বুৰঞ্জীৰ সম্বলেৰে ভৰপূৰ দিখৌমুখ অঞ্চল; তথাপি বৰ আলি (দিখৌমুখ পথ) মগ্‌লৌ জীয়েকৰ পুখুৰী, অজান ফকিৰৰ মঠ, এই তিনিটাৰ বাহিৰে অতীত বুৰঞ্জীৰ সংগ্ৰাহক সকলে বাকীবিলাক পৌৰাণিক চিনৰ উদ্ধাৰহে নালাগে কোনো উল্লেখ কৰা দেখা নাযায়

গতিকে আলোচনাৰ মূল বিষয় ৰামাখ্যা দেৱালয়ৰ কথা জনশ্ৰুতি মতে লিখা হৈছে। সম্ভৱতঃ আহোম ৰাজত্বৰ শেষৰ ফালে এই অঞ্চলৰ আলি, পুখুৰী, গড় আদি নিৰ্ম্মাণ কৰা হৈছিল। কিয়নো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত হোৱা লতাকটা ৰণৰ আলম লৈ স্বৰ্গদেৱে মণিপুৰ জীয়াৰী কুৰঙ্গনয়নীক বিয়া কৰায়। কুঁৱৰীৰ লগত উপঢৌকনৰ উপৰিও কিছুমান মণিপুৰীয়া লগুৱা লিকচৌ আৰু খুকুৰাখন নামে এজন বিশেষ ব্যক্তিও আহিছিল। ৰজাই তেওঁলোকক বৰ আলিৰ কাষত পুখুৰী খনাই বাহৰ পাতি থাকিবলৈ দিছিল। সেই পুখুৰীক আজিও মগ্‌লৌ জীয়েকৰ পুখুৰী বোলে, (অসমীয়া মানুহে মণিপুৰী লোকক সেই সময়ত মগলু

বুলিছিল)। এই পুখুৰীৰে প্ৰায় দুই/আঢ়ৈ-মাইল ব্যাসাৰ্দ্ধৰ ভিতৰত আখ্যান প্ৰসিদ্ধ কেইবাটাও গড় পুখুৰী আদি আছে— যেনে খুকুৰা খনৰ নাম অনুসৰি অপভ্ৰংশ খনা-খোকোৰা পুখুৰী এটা ৰজাদিনীয়া আলিৰ সৈতে দেৱালয়ৰ লগত সংযুক্ত আছিল। এই আলিৰ কাষতে ৰজাই তৰাং পানীত শিশু মেলি বং চোৰা শিশুমেলা পুখুৰী, বৰ আলিৰ কাষতে কুৰঙ্গনয়নীৰ জীয়েক কপৌ কুঁৱৰীৰ নামে 'কপৌ পুখুৰী ; আৰু তেলীয়া-ডোঙা পুখুৰী, বৰ পথাৰৰ মাজত (দেওঘৰীয়া পথাৰ) ৰজাৰ টঙ্গনা গুৱলাৰ নামে টাঙ্গন ধৰা, কোনোৰ মতে বোবা পুখুৰী, চিন্তামণি গড়, ৰজাই বাহৰ কৰি থকা ৰজাবাৰী টুনা আৰু প্ৰায় আধা মাইল দূৰত (দেৱালয়ৰ পৰা) দিখৌৰ সিপাৰে অলৌকিক শক্তি সম্পন্ন মহান পুৰুষ আজান পীৰৰ মঠ। প্ৰবাদ মতে "দিখৌৰ কাষৰি সৌৱাগুৰি চাপৰি ৰজাই সজাই দিলে মঠ, (ছকুৰি ভকতে) ভক্ত সকলে লয় আল্লাৰ নাম মাছুৰি বনৰে কঠ"। ইয়াৰ উপৰি খেতিৰ সুবিধাৰ কাৰণে কৰা কেইবাটাত জান আৰু গড় এই অঞ্চলত আছে। মুঠতে, আহোম স্বৰ্গদেউ সকলৰ ৰাজত্ব কালৰ কোনো এসময়ত এই অঞ্চলে ৰজাঘৰীয়া সমাদৰ লাভ কৰিছিল। সেই সময়ত ৰজা সকল হাতী বা খাতোলাৰে বৰ আলিয়েদি, নাৱেৰে ৰূপহীজান বা দিখৌ নৈয়েদি ৰংপুৰৰ পৰা ব্ৰহ্মপুত্ৰ হৈ যাতায়াত কৰিছিল। ৰূপহীৰ কাষৰ ৰজা গড়েদি ৰজাৰ গাচোৱা সৈন্য গৈছিল।

ৰজাই এবাৰ দিখৌ নৈয়েদি গৈ ব্ৰহ্মপুত্ৰ পাওঁতে পানীৰ মাজত ৰজাৰ নাওঁ নচলা হ'ল। দেওধায়ে মঙ্গল চাই তাত পানীৰ তলত দেবীৰ পীঠস্থানৰ গম্ভৰ আছে বুলি ৰজাক জনালে। ৰজাই অনেক চেষ্টা কৰি যোৰ হাতী লগায়ো গম্ভৰ পাৰলৈ আনিব নোৱাৰিলে। শেহত, এজন সাধকে দেবীৰ ইচ্ছাত সেই গম্ভৰ অকলেই পাৰলৈ তুলিলে। ৰজাই দেৱাল স্থাপন কৰাই দেবোত্তৰ মাটি দান দি পূজা-পাৰ্ব্বনৰ ব্যৱস্থা কৰাই দিলে। সেই অবধি অদ্যপৰিমিত সেই দেৱালয় নানান. দুৰ্যোগ অতিক্ৰম কৰি প্ৰতিষ্ঠিতহৈ আছে। দেৱালয়ৰ কাৰণে নিয়োগ কৰা বড়া, বৰুৱা, ৰাইডঙ্গীয়া, ভঁৰালী, খাউণ্ড, বাৰিক, গায়ন আদি উপাধিৰ লোক সকল সেই কালৰ পৰা দেৱালয়ৰ ওচৰতে গাওঁপাতি আছে। বৰ্ত্তমান দেবোত্তৰ মাটি ব্ৰহ্মপুত্ৰই খহাই নি দেৱালয়ৰ ভেটিৰে সৈতে প্ৰায় দুই/আঢ়ৈ বিঘা মানহে বাকী আছে। দেৱালয়ৰ লগত জড়িত দেৱালয়ৰ হিতাকাঙ্ক্ষী লোক সকলে দেৱালয়ৰ ভৱিষ্যৎ চিন্তা কৰি প্ৰায় বিবুদ্ধি হ'ব লগা হৈছে। বৰ্ত্তমান ৰজাৰ দিনত অনা গাৰু ঠাকুৰৰ বংশৰ লোকে এই দেৱালয় পৰিচালনা কৰি আছে।

**শেষৰ কথাঃ—**

বুৰঞ্জী যদি সমাজৰ, জাতিৰ, দেশৰ দাপোণ স্বৰূপ হয়, তেনে হ'লে সেই দাপোণ

হ'ব লাগে সম্পূর্ণ পৰিষ্কাৰ। দাপোণত চা-মনি পাতি থাকিলে বা তাৰ কোনো এটা চুকত দাগ থাকিলে সেই অংশই দাপোণৰ উদ্দেশ্য সাধনত ব্যাঘাত জন্মায় আৰু সৌন্দৰ্য্য হানি কৰে। সেইদৰে বুৰঞ্জীয়ে গৰকা অথচ বুৰঞ্জীত ঠাই নোপোৱা অতীত কীৰ্ত্তি বিলাকে পাঠক আৰু ভৱিষ্যৎ বংশধৰ বিলাকক আচল সত্য উদ্‌ঘাটনত হেঙাৰ স্বৰূপ হৈ পৰিব। 'অতীতক যোৱাহে পাহৰি' আৰু 'অতীতক নেযাবা পাহৰি' ইয়াৰ মাজৰ আছল সত্য-টো আমি উপলব্ধি কৰিব লাগিব।

সামৰণিত, প্ৰথম কথা হ'ল আমি দুশাসনৰ বক্ত পান, দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, বাপেকক হত্যা কৰি বা বন্দীশালত থৈ পুতেক বজা হোৱা ইত্যাদি শিশুৰ বাবে অশাগতিয়াল কথাবোৰ বুৰঞ্জীত ঠাই দি শিশু অৱস্থাৰে পৰা মানসিক উদ্বেগৰ সৃষ্টি কৰাত কৈ সদাই দেখি শুনি থকা আৱশ্য-কীয় কথা খিনিক নিৰ্ভুল ভাৱে বুৰঞ্জীত ঠাই দি শিশুৰ মনৰ কৌতূহল নিবাৰণ কৰাহে অধিক আৱশ্যকীয়।

দ্বিতীয় কথা, জাৰজ সন্তানে বাপেকক চিনি নোপোৱাৰ দৰে আমি যদি আমাৰ অসমৰ পুৰণি কীৰ্ত্তি দল-দেৱালয়, মঠ-মন্দিৰ, দেবোত্তৰ-ব্ৰহ্মোত্তৰ, ৰাজকাৰেং, ৰজাৰ বাৰী, মৈদাম আদিৰ আংশিক আৰু স্থায়ী, আৱ-শ্যক মতে উভয় সংৰক্ষণৰ ব্যৱস্থা নলওঁ অদূৰ ভৱিষ্যতে হাড়ছালে কলেৱৰ লয় পোৱা অসম মাতৃৰ সন্তানে অসমীয়া বুলি চিনাকি দিবলৈও মাত থোকাথুকি হ'ব। গড়গাওঁৰ ৰাজকাৰেং দখল কৰি মৈদাম খহাই ঘৰৰ ভেটি বন্ধাৰ দৰে বুৰঞ্জীৰ অতীত গৌৰৱ ধ্বংস কৰিবলৈ হলে কালক্ৰমত অসমী-য়াই 'গৌৰৱ' শব্দটোকে ই পাহৰি যাব।

তৃতীয় কথা, বৈৰাগী গীতত যদিও কামাখ্যাত উইৰ হাফলু উঠিব বুলি গায়, তথাপি সেইদিন অহাৰ সময় হোৱা নাই বুলি অনুমান কৰি ৰামাখ্যাকো সেই শাৰীতে পেলোৱা হ'ল। যিহেতু ঐতিহ্যৰ লগতে এচাম লোকে ৰামাখ্যালৈ যুৰ-দৌৰাই পাৰ্থিৱ অশান্তিত সকাহ পোৱা যেন পায়।

এনে অনুষ্ঠান বিলাকক গৌৰৱোজ্জ্বল অতীতৰ স্বাক্ষৰ হিচাবে জীয়াই ৰাখিবলৈ প্ৰতি-জন অসমীয়াৰে সহানুভূতি থকাটো নিতান্তই বাঞ্ছনীয়।

★★★

# নলিনী বালাৰ "সন্ধিয়াৰ সুৰ"

যোগমায়া সন্দিকৈ
১ম বাৰ্ষিক প্ৰাক্ স্নাতক।

যি সকল কবি কোকিলৰ কাকলিয়ে গোটেই অসমৰ কাব্য কানন মুখৰিত কৰি ৰাখিছে, সেই সকলৰ ভিতৰত নলিনী বালা দেৱীও অন্যতম। অসমীয়া সাহিত্য জগতত নলিনী বালা দেৱীয়ে কবি হিচাবে প্ৰসিদ্ধি লাভ কৰে 'সন্ধিয়াৰ সুৰ'ৰ মাজেৰে। এই কবিতা পুথি খনি প্ৰকাশৰ পথ্থলৈ আহে ১৯৩৪ চনত। যৌৱন কালত স্বামীক হেৰুৱাৰ দুখ উপশম নৌহওঁতেই নিষ্ঠুৰ বিধাতাই দুটিকৈ সন্তান তেওঁৰ বুকুৰ পৰা কাঢ়ি নিলে। তথাপি 'আধ্যাত্মিক সাহত সাহিয়াল' কবি গৰাকী নিৰাশ নহল। বৰং এই দুখ-শোকক ভগৱানৰ ফুল চন্দন কবিতা ৰূপে প্ৰকাশ পালে 'সন্ধিয়াৰ সুৰ'ত। এজন সমালোচকে কৈছে 'কবিৰ ব্যক্তিগত বিচ্ছেদ আধ্যাত্মিক বিচ্ছেদৰ জোৰ বস্তি ৰূপে উজ্বলি উঠিল।

'সন্ধিয়াৰ সুৰ'ক নলিনী বালা দেৱীৰ আধ্যাত্মিক মনৰ মূৰ্ত্ত বিকাশ বুলি কব পাৰি। সাংসাৰিক শোক-তাপত জৰ্জৰিতা কবি গৰাকীৰ অন্তৰত বৈ থকা ফল্গুধাৰা কবিতা স্বৰূপে ওলাই আহিছিল 'সন্ধিয়াৰ-সুৰ'ৰ মাজেৰে। সাংসাৰিক শোক-তাপৰ পৰা শেষত কবিয়ে কোনো এক শান্তি নিকেতনত উপনীত হব পাৰিছে। পৰম পুৰুষৰ ওপৰত নিৰ্ভৰ কৰি সেয়েহে কবিয়ে গাইছে—

“হিয়া যদি নিৰাশাৰ হয় মৰুভূমি
শান্তি বাণী নীৰৱে শুনাবা,
ভাগৰত ভগা হিয়া ভাগৰি পৰিলে
তুমি মোক সাবটি ধৰিবা।”

সন্ধিয়াৰ সুৰ তুকুৰি কবিতাৰ সমষ্টি। সমালোচকৰ ভাষাত কবলৈ গলে এই সকলো খিনি কবিতা কবিৰ ব্যক্তিগত জীৱনৰ ধ্যান-ধাৰণা, আবেগ অনুভূতিৰ ৰূপ ৰেখা। কবিতা খিনিক এই কাৰণে গীতি কবিতাৰ শাৰীলৈ টানিব পাৰি। সন্ধিয়াৰ সুৰত সন্নিবিষ্ট কবিতা সমূহ ঘাইকৈ অতীন্দ্ৰিয় ধাৰা বিশিষ্ট। অতীন্দ্ৰিয় বাদৰ চাব মোহৰ নপৰা কবিতাও দুই এটি আছে। অতীন্দ্ৰিয় অনুভূতিৰ ৰঙেৰে বোলোৱা কবিতা খিনিয়ে এটি নবীন সৌন্দৰ্য্য পৰিগ্ৰহণ কৰিছে। এই কবিতা খনৰ কবিতা সমূহক মুঠ চাৰিটা ভাগত ভাগ কৰিব পাৰি—

১) শোক কবিতা ২) দেশপ্ৰেম মূলক ৩) প্ৰকৃতি বিষয়ক আৰু ৪) অতীন্দ্ৰিয় বাদী কবিতা। তলত এই বিভিন্ন দিশৰ ওপৰত কিঞ্চিত আলোচনা কৰা হ’ল।

পুতলী নামৰ কবিতাটিয়েই একমাত্ৰ মনোডি জাতীয় শোক কবিতা। পাঁচ বছৰীয়া সন্তান পুতলীৰ মৃত্যুত কবিৰ অন্তৰত যি একুৰা শোক বহ্নি জ্বলি উঠিছিল সি প্ৰকাশ পাইছে উক্ত কবিতাটিৰ মাজেৰে। কৱিয়ে তেওঁৰ প্ৰাণৰ পুতলীক সুধিছে।

“আছানে সুখেৰে মোৰ প্ৰাণৰ পুতলী
সি পুৰীৰ অজান দেশত,
নাই য’ত জৰা-মৃত্যু ৰোগৰ যাতনা
দেৱতাৰ অমৰ পুৰত।”

আকৌ পিছত কবিয়ে নিজে সমাধান দিছে এইদৰে—

“নহয় তোমাক আহি বিশ্বজননীয়ে
সাদৰেৰে লয়হি কোলাত,
দেৱ বালা গণে লয় কোলাত সাৱটি
মোহ গৈ লাৱণী মাতত।”

পুতলী কবিতাৰ কবিৰ অন্তৰত বৈ থকা শোকৰ সুৰ শেষত আধ্যাত্মিক সুৰত পৰিণত হোৱা দেখা যায়।

“তুমি পুত পুষ্প ৰেণু পৰম সুন্দৰ
আছাগৈ অমিয়া পুৰত;
এটি ক্ষুদ্ৰ চিৰ দীপ্ত আনন্দ স্বৰূপ
লীন হ’লা চিন্ময় ৰূপত।”

সন্ধিয়াৰ সুৰত দেশপ্ৰেম মূলক কবিতা মাত্ৰ এটাহে পোৱা যায়, সেইটো হ’ল—‘জনম ভূমি’। জনম ভূমি কবিতাত কবিৰ স্বদেশৰ প্ৰতি থকা গভীৰ ভালপোৱা সুন্দৰ ভাৱে প্ৰকাশ পাইছে। মৃত্যুৰ পিচত কবিয়ে যেন স্বদেশৰ আকাশত পখী হৈ উৰি ফুৰিব, তৰাহৈ আৰতি কৰিব, নদী হৈ চৰণ পখালিব, মেঘহৈ শেঁতা পৰা দুখনি ওঠত ৰঙা হাঁহি বিৰিঙাব, কবিৰ মনত স্বদেশ তীৰ্থ আৰু দুখীয়াৰ পঁজা একো খনি

'পুণ্যৰ আশ্ৰম' স্বৰূপ। সেই কাৰণে কবিয়ে মৃত্যুৰ পিছত আকৌ চেনেহৰ শীতলী কোলাত ঠাই বিচাৰিছে।

সন্ধিয়াৰ সুৰত সন্নিবিষ্ট প্ৰকৃতি বিষয়ক কবিতাৰ ভিতৰত 'পুৱা', 'কেতেকী' আৰু পূৰ্ণিমা কবিতাই উল্লেখ যোগ্য। 'পুৱা' কবিতাত ৰাতিপুৱাৰ এখন সুন্দৰ চিত্ৰ অঙ্কিত কৰা হৈছে। ৰাতিপুৱাৰ এই ৰূপৰ মাজতো যেন কবিয়ে চিৰ সুন্দৰৰ পৰশ লভিছে।

"তোমাৰ মালাৰ
পুষ্পৰ পৰাগে
সুৰভিত তনু মোৰ
তুমি নাই, আছে
তোমাৰ পৰশ
নন্দন অগৰুৰ।"

'কেতেকী' কবিতাত কেতেকীক কবিয়ে স্বৰগৰ দেৱদূতী বুলি কল্পনা কৰিছে।

"কোন স্বৰগৰ দেৱদূতী ঐ আহিলি
শুৱলা গীতেৰে সুৱদি গীতটি শুনালি।"

প্ৰকৃতি বিষয়ক কবিতা হলেও ইয়াতো যেন এটি মিলন সুৰ শুনিবলৈ পাইছে।

"যুগে যুগে যাক বিচাৰি ফুৰিছ
পাবিনে বিচাৰি তাক?
যদি পাৱ তই গা চিৰকাল
যায় যদি যাক ইকাল সিকাল
নিদিওঁ নিদিওঁ হাঁক।"

এই 'নিদিওঁ নিদিওঁ হাঁক' — বোলা কথা খিনিতেই মূৰ্ত হৈ উঠিছে, আত্মাই পৰম-আত্মাত বিলীন হোৱাৰ আকাংক্ষা।

'পূৰ্ণিমা' হ'ল কবিৰ মানত সৌন্দৰ্য্যৰ ৰাণী আৰু পৃথিৱীৰ বুকুত যেন পূৰ্ণিমা ৰাণীয়ে ৰূপৰ মেলা পাতিছে।

নলিনী বালা দেৱী অতীন্দ্ৰিয় বাদী কবি হিচাবে অসমৰ সাহিত্য জগতত পৰিগণিত। 'সন্ধিয়াৰ সুৰ' এই অতীন্দ্ৰিয় বাদৰে এক উজ্বল নিদৰ্শন। পুত্ৰ-স্বামীৰ বিয়োগজনিত শোকত প্ৰথমতে কবি বিচলিত হৈছিল যদিও পিচত এই শোক-তাপ আধ্যাত্মিক স্তৰলৈ উন্নীত হয়। কিয়নো তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছে গীতাৰ এই অমৰ বাণী—

"বাসাংসি জীৰ্ণানি যথা বিহায়
নবানি গৃহ্লাতি নৰোই পৰাণি
তথা শৰীৰাণি বিহায় জীৰ্ণা
ন্যান্যানি সংযাতি নবানি দেহী॥"

আত্মা যে অবিনশ্বৰ সেই কথা H. W. Longfellow ৰ কবিতাটোত অনুৰণিত হোৱা দেখা যায়।

"Life is real, life is earnest
And the grave is not its good
For dust thou art to dust returnest

ফুলি উঠে তযু নাম
ব্ৰহ্মাণ্ড বিচাৰি।"

আমাৰ অতীন্দ্ৰিয় বাদী কবি নলিনী বালাৰ সন্ধিয়াৰ সুৰতো এই ভাৱেই অনুৰণিত হৈছে।

"তাত মাথো তুমি, তুমি
মই নাই নাই।"

'সন্ধিয়াৰ সুৰত' যদিও শোকৰ প্ৰকৃতিৰ আৰু দেশ প্ৰেমৰ সুৰ প্ৰতিধ্বনিত হোৱা দেখা যায়, তথাপি এই কাব্য খনিক এটা বৈশিষ্ট্যই অসমীয়া সাহিত্য জগতত অমৰ কৰি ৰাখিব সেইটো হল অতীন্দ্ৰিয় বাদী সুৰ।

"ডালে পাতে সম্পূৰ্ণৰূপে অতীতক বৰ্ত্তমানৰ পৰিপ্ৰেক্ষিতত প্ৰয়োগ কৰিবলৈ যোৱা মানে যুগৰ প্ৰগতিক বাধা দিয়াটোহে বুজাব। প্ৰগতিৰ বাট ৰুদ্ধ হৈ যাব। এনে অৱস্থা মানৱ প্ৰকৃতি আৰু স্বভাৱ বিৰোধী। মানুহ কেতিয়াও স্থবিৰ হ'ব নোৱাৰে। গতিচঞ্চল বাবেই মানুহ মহৎ।"

—হেম বৰুৱা।

# নিশাৰ উচুপনি

★

—জিন্নু কাকতী
স্নাতক ১ম বাৰ্ষিক।

গভীৰ নিশাৰ ভয়াবহ নিস্তব্ধতা ভঙ্গ কৰি কাৰোবাৰ উচুপনিবোৰ মোৰ কাণত পৰিছিলহি। তন্দ্ৰালস চকুদুটা মেলি মই কেউপিনে চাইছিলোঁ। তন্দ্ৰাৰ জড়তাৰে বুজিবলৈ চেষ্টা কৰিছিলো কান্দোনৰ উৎস ক'ত……। লাহে লাহে মোৰ চকুৰ আগত ভাঁহি উঠিছিল এখনি করুণ কাতৰ মুখ। মালতীৰ।

মালতী! এটা গভীৰ হুমুনিয়াহ মোৰ বুকু ভেদি ওলাই আহিছিল। মালতী মোৰ বাবে এটি বিষাদৰ স্বপ্ন। মোৰ বাবে মালতী বেদনাৰ এটি মূৰ্ত্ত প্ৰতীক। জীয়াই থকাৰ শেষ আশাকণো হেৰুৱাই তাই প্ৰতি নিশা উচুপি উচুপি কান্দে। আৰু মালতীৰ গভীৰ হুমুনিয়াহ আৰু উচুপনিবোৰে প্ৰতিনিশা মোৰ টোপনি ভাঙি দিয়েহি। টোপনিৰ জড়তাৰে মই প্ৰথমতে ভাবো কোনে কান্দিছে? তাৰপিছত মোৰ চকুৰ আগত ভাহি উঠে এখনি অশ্ৰু বিজড়িত মুখ —মালতীৰ।

মালতীৰ বয়সে আঁজুৰি যোৱা মুখখন মই সৰুৰে পৰাই দেখিছোঁ। কিমানদিনৰ পৰা তাই আমাৰ ঘৰত কাম কৰিছে মই নেজানো। মালতীৰ ঘৰ ক'ত, তাইৰ কোনোবা আপোন মানুহ আছেনে নাই তাকো মই নেজানিছিলো। কিন্তু জানিছিলো দিনটোৰ কঠোৰ পৰিশ্ৰমৰ পিছতো তাই আমাৰ ঘৰৰ কাৰোৰে পৰা এষাৰো মিঠা মাত নেপায়। আৰু জানিছিলো সকলোবিলাক সহ্য কৰি হ'লেও তাই আমাৰ ঘৰতেই কাম কৰিব লাগিব। কিন্তু কিয়, তাক হ'লে নেজানিছিলো। অৰ্থাৎ জনাৰ সুযোগ মই পোৱা নাছিলো। সৰুৰে পৰাই মালতীক মই আমাৰ ঘৰতেই পাইছোঁ যদিও তাইক নিবিড় ভাৱে লগ পোৱাৰ সুযোগ মই এদিনো পোৱা নাই। মোৰ মা দেউতায়েই প্ৰকৃততে মোক সৰুৰে পৰা মালতীৰ পৰা আঁতৰত ৰাখিবলৈ যত্ন কৰিছিল। তাৰ কাৰণ মই নেজানিছিলো। কিন্তু যিমানেই মাইঁতে মোক মালতীৰ পৰা আঁতৰত ৰাখিবলৈ যত্ন কৰিছিল, সিমানেই মালতীক নিবিড় ভাৱে জনাৰ হেঁপাহ মোৰ বাঢ়ি গৈছিল। মালতীক অকলশৰীয়াকৈ লগ পোৱাৰ সুযোগ মই বিচাৰিব ধৰিলো। এদিন সেই সুযোগ মই পালো। কোনোবা এটা আবেলিত মা-দেউতা দুয়ো ফুৰিবৰ বাবে ওলাই গৈছিল। ঘৰত কেৱল মালতী আছিল। সেইবাবেই নেকি তেওঁলোকে মোক ঘৰত অকলে এৰি যাবলৈ ইচ্ছা কৰা নাছিল। মোকো তেও-

লোকৰ লগতে নিবলৈ চেষ্টা কৰিছিল। কিন্তু মই নগলো। সকৰে পৰাই মই বৰ জেদী আছিলো। একমাত্র সন্তান কাৰণেই নেকি তেওঁলোকেও মোৰ কথা কেতিয়াও পেলাব পৰা নাছিল। তথাপিও ওলাই যোৱাৰ আগমুহূৰ্ত্তত পাৰ্য্যমানে চেপি ৰাখিবলৈ চেষ্টা কৰা সত্বেও তেওঁলোকৰ চকু-মুখৰ উৎকণ্ঠাখিনি মোৰ চকুত ধৰা পৰি গৈছিল। সি যি কি নহওঁক, তেওঁলোক যোৱাৰ পিছত মই মালতীৰ লগত অকলশৰীয়াকৈ কথা পতাৰ সুযোগ পাইছিলো। কথাই কথাই তাইৰ পৰা বহুত কথাই উলিয়াই পেলাইছিলো। কিন্তু, তাইৰ ঘৰৰ কথা উলিওৱাত তাই যেন চমক খাই ৰৈ গৈছিল। প্ৰসঙ্গ সলনি কৰি লৰালৰিকৈ কৈছিল— "চাওঁ সোণপোনা, তুমি বহাচোন! মই গধূলিৰ খোৱাৰ যোগাৰ কৰোঁগৈ। আই-দেউতাও পায়হিহে লাগে। আহি মোক এনেদৰে কাম-বন এৰি তোমাৰ লগত কথা চোবাই থকা দেখিলে খং কৰিব। ……মালতীৰ ভয় কোনখিনিত মই বুজিছিলো। গধূলিৰ খোৱাৰ যোগাৰ কৰিবলৈ তেতিয়াও বহুত সময় বাকী। মা-দেউতাও এতিয়াই নেপায়হি। প্ৰকৃততে মালতীৰ এয়া কথা সলনি কৰাৰ চেষ্টা। নহ'লেনো আবেলি তিনি বজাত কিয় তাই ৰন্ধা বঢ়াৰ কথা উলিয়াব? মালতীক মই নেৰিলো। উপায়হীন হৈ তাই সেইদিনা কৈ গৈছিল তাইৰ কথা। …দূৰৰ গাওঁ এখনত তাইৰ ঘৰ। ঘৰত মোৰ সম-বয়সীয়া ল'ৰা এটাও আছে। নাম ৰজনী। সি গাৰঁৰ ডম্বৰু মহাজনৰ ঘৰত থাকি খেতি কৰে, ইত্যাদি। … মালতীৰ কথা শুনি মই আচৰিত হৈ গৈছিলো। মালতী যে বিবাহিতা তাকো মই নেজানিছিলো। ……"ৰজনীৰ দেউতাক নাই নেকি" বুলি সুধিবলৈ গৈ মই থমক্ খাই ৰৈ গৈছিলো। লগে লগে চকু গৈছিল মালতীৰ উকা কঁপাল খনলৈ। এৰা, মালতীকতো মই কোনোদিনেই ফোঁট লোৱা দেখা নাই। তেন্তে……? মূৰ তুলি দেখিছিলো মালতীয়ে মোলৈকে ৰ' লাগি চাই আছে। চকুত পানী। তাইৰ বুকুখন যেন অবুজ বেদনাত ভাঙি গৈছে। তাইৰ দুখ ক'ত মই বুজিছিলো। হয়তোবা তাইৰ পুতেকলৈ মনত পৰিছে। প্ৰসঙ্গ সলনি কৰিবৰ বাবেই মই তাইক কৈছিলো "বাৰু মালতী, তুমি ৰজনীক এদিনো আমাৰ ঘৰলৈ অনা নাই কিয়? নহ'লেবা এদিন মোকেই লৈ যাবাচোন তোমালোকৰ গাওঁ খনলৈ। গাওঁলৈ যাবলৈ মোৰ খুউব ইচ্ছা হয় কেতিয়াবা। মোৰ কথা শুনি আচৰিত হৈ মোলৈ চাই ৰৈছিল মালতী। একো নোকোৱা কৈয়েই তাই সেইদিনা মোৰ কাষৰ পৰা লাহে লাহে আঁতৰি গৈছিল…।

কিয় জানো, সেইদিনা মালতীলৈ মোৰ এটা বেলেগ মৰম সোমাল। তাইৰ যে মোৰ সমান এটা ল'ৰাও আছে সেই কথা মই মাক ক'ম বুলি ভাবিলো। মই ভাবিলো হয়তো বা মায়েও সেই কথা নেজানে। সেয়ে, সেইদিনা গধূলি ভাতৰ টেবুলত মই মালতীৰ কথা উলিয়াইছিলো। মাক

কৈছিলো "এটা কথা মা, মালতীৰ গাৱঁৰ ঘৰত মোৰ সমান এটা ল'ৰাও আছে হেনো। মই মালতীৰ পৰা আজি বহুত কথাই উলিয়াই পেলালো। তাই চোন পুতেকক আমাৰ ঘৰলৈকে লৈ আহিব পাৰে...।" .. মোৰ কথা শুনি কিয় জানো মা-দেউতা দুয়ো উচপ্ খাই উঠিছিল। মায়ে মোক ডবিয়াই কৈছিল — 'কি দৰকাৰ আছিল তোৰ সোণ-পোনা মালতীৰ লগত যা-তা কথা পতাৰ? চাকৰনীক চাকৰনী হিচাবেই থাকিবলৈ নিদিয় কিয়? আৰু কি কথা পাতিছিলি তাইৰ লগত? মাৰ কথা শুনি মই কিন্তু উৎসাহেৰেই কৈছিলো— "বহুত কথাই পাতিলো মা। মই ৰজনীক আমাৰ ঘৰলৈ লৈ অহাৰ কথা কওঁতে" ......মোৰ কথা শেষ নৌ-হওঁতেই মা দেউতা দুয়ো চিঞৰি উঠিল। মই ভয় পাই ৰৈ গৈছিলো। মোলৈ গভীৰ দৃষ্টি নিক্ষেপ কৰি আধা খোৱাকৈয়ে দেউতা উঠি গৈছিল। মায়ে মোক সেইদিনাৰ পৰা তাইৰ স'তে কথা পাতিবলৈ মানা কৰিছিল॥ মালতীকো মাতি আনি সাৱধান কৰি দিছিল। নিৰ্ব্বাক-নিস্তব্ধ হৈ মই সেইদিনা ভাতৰ টেবুলৰ পৰা উঠি গৈছিলো। দুখ আৰু হতাশাত মই শোৱা কোঠাত সোমাইছিলোগৈ। সেই-দিনা বহুত ৰাতিলৈকে মোৰ টোপনি অহা নাছিল। বাৰে বাৰে মনলৈ এটা প্ৰশ্নই আহিছিল কিয় এনে হ'ল? মালতীৰ লগত কথা পতাত মোৰ দোষ কি? মালতীৰেই বা দোষ ক'ত? মালতীৰ পৰা মোক আঁত-ৰাই ৰাখিবলৈ মাহঁতৰ ইমান চেষ্টা কিয়? ইয়াৰ অন্তৰালত কিবা ৰহস্য লুকাই নাই-তো? হঠাতে মোৰ কাণত পৰিছিলহি কিছুমান অস্পষ্ট কথাৰ টুকুৰা। মোৰ কাষৰ কোঠাটোতেই দেউতা শোৱে। তাৰে পৰাই কথাবোৰ ভাহি আহিছিল। স্থিৰহৈ মই শুনিবলৈ চেষ্টা কৰিছিলো। বুজিছিলো মোৰ বিষয়েই দেউতাহঁতে কিবা আলোচনা কৰিছে। দেউতাৰ মাতটো মই বুজিছিলো "তুমি তাক তাইৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিবা। মালতীকো সাৱধান কৰি দিবা যাতে তাৰ লগত মিলা-মিছা নকৰে। তাইৰ কোনো বিশ্বাস নাই। যিকোনো মূহূৰ্ত্ততেই তাক কৈ দিব পাৰে। সি জানিব লাগিলে বৰ দুখ পাব। কি কৰি পেলায় একো ঠিক নাই। মই তাক সোনকালেই গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা কৰিম। মাৰ মাতটোও মই বুজিছিলো— আপুনি একো চিন্তা নকৰিব। মালতীক মই সাৱধান কৰি দিছো। তাকো মানা কৰিছোঁ। সি যদি জানিব পাৰে যে, সি প্ৰকৃততে আমাৰ সন্তান নহয়, উস্ ভগৱান! সি কিনো হৈ যাব মই ভাবিবই নোৱাৰো। তাক সোনকালে পঠাই দিয়ক। মালতীকতো আঁতৰাই পঠা-বই নোৱাৰি। খণ্ডত তাই কথাটো সদৰি কৰি দিব লাগিলে আমাৰ মান-ইজ্জত সক-লো যাব।

আৰু মই শুনিব নোৱাৰিলো। মোৰ মূৰটো ঘুৰাই যোৱা যেন লাগিল। মোৰ জন্মৰ মাজত যে ইমান এটা ডাঙৰ ৰহস্য লুকাই

আছে মইতো নেজানিছিলো। মই তেন্তে কাৰ সন্তান? মোৰ মা-দেউতা তেন্তে প্ৰকৃত-তে কোন? এই কথা নিশ্চয় মালতীয়ে জানে। সেয়েহে মালতীৰ পৰা মোক আঁত-ৰাই ৰখাৰ ইমান চেষ্টা। আৰু মায়ে যে কলে 'মালতীকতো আঁতৰাই পঠাব নোৱাৰি" ইয়াৰ কাৰণ কি? এইবোৰ প্ৰশ্নই মোক অস্থিৰ কৰি তুলিলে। গোটেই ৰাতি মোৰ টোপনি নাহিল। পাছদিনা কথাটো মালতীক সুধিবলৈকে স্থিৰ কৰিলো।

ৰাতি পুৱাল। আনদিনাৰ দৰে মই মা-দেউতাৰ ওচৰত সহজ হ'বলৈ চেষ্টা কৰিলো। কিন্তু নোৱাৰিলো। কিবা যেন এক বাধাৰ প্ৰাচীৰ আহি আমাৰ মাজত থিয় হ'ল। মালতীক এই বিষয়ে সুধিবলৈ-কে সুযোগ উলিয়াব নোৱাৰিলো। মা-দেউ-তায়ে মোক প্ৰতিটো মুহূৰ্ত্ত প্ৰহৰীৰ দৃষ্টিৰে আবদ্ধ কৰি ৰাখিলে। মই মোৰ বাবে চিন্তা কৰা নাছিলো। ভয় আছিল মালতীৰ বাবে।

ইতিমধ্যে মোক গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা কৰা বুলিও শুনিবলৈ পালো। কিন্তু হঠাতে সকলো ওলট/ পালট হৈ গ'ল। মায়ে হিয়া ঢাকুৰি কান্দিলে। মইও যেন কেউফালে আন্ধাৰ দেখিবলৈ পালো। মালতী-য়েও তাইৰ কোঠাৰ দুৱাৰ বন্ধ কৰি কেই-বাদিনো উচুপি উচুপি কান্দিলে। মটৰ দুৰ্ঘটনাত দেউতা ঢুকাল। এজাক বা মাৰলীয়ে যেন আমাৰ ঘৰ খনৰ অৱশিষ্ট সুখ-শান্তিক-ণো উৰুৱাই লৈ গ'ল। মা নিৰ্ব্বাক হৈ গ'ল। মালতীও যেন আগতকৈ বহুত বেছি গহীন হৈ গ'ল। মই মাথো ধৈৰ্য্য ধৰিবলৈ চেষ্টা কৰিলো।

দিনবোৰ লাহে লাহে পাৰহৈ গ'ল। মা লাহে লাহে সুস্থিৰ হৈ আহিল। কিন্তু মালতী? মালতীৰহে মই অকণো পৰিবৰ্ত্তন নেদেখিলো। দেউতাৰ মৃত্যুৱে তাইকহে যেন বেছি দুখ দি গ'ল। কোঠাৰ ভিতৰত মই কেইবাদিনো মালতীক গোপনে কন্দাও দেখিলো। ভাবিলো দেউতা তাইৰ আশ্ৰয়-দাতা আছিল বাবেই দেউতাৰ মৃত্যুত তাই ইমান দুখ পাইছে। হ'লেও দিনবোৰ যোৱাৰ লগে লগেই তাইৰ চকুৰ পানীবোৰো শেষ হৈ যাব। কিন্তু মালতীৰ কান্দোন আৰু বন্ধ নহ'ল। দুদিনমানৰ কাৰণে গাওঁৰ ঘৰলৈ গৈ ঘুৰি আহি আকৌ হিয়া ঢাকুৰি কান্দিলে। দুদিনৰ জ্বৰতে ৰজনী ঢুকাল। মালতীৰ প্ৰতি সদায়েই কঠোৰ ব্যৱহাৰ কৰা মায়েও সেইদিনা সান্ত্বনা দি তাইৰ কান্দোন বন্ধ কৰিব নোৱাৰিলে। কেইবাদিনো তাই কোঠাৰ দুৱাৰেই নুখুলিলে। যিদিনা তাই বন্ধ কোঠাৰ দুৱাৰ খুলি ওলাই আহিল— সেইদিনা তাইক দেখি মই স্তব্ধ হৈ গৈছিলো। তাই যেন বহুত সলনি হৈ গ'ল। তাইৰ বয়স যেন আৰু ১০ বছৰ আগুৱাই গ'ল। কোঠাৰ পৰা ওলায়েই মোক দেখি সাৱটি ধৰি হুক্-হুকাই কান্দিলে। "সোণপোনা, ৰজনী কলৈ গ'ল সোণপোনা? মোৰ এয়া কি হ'ল? মইযে সকলো হেৰুৱাই পেলালো সোণপোনা,

সকলো হেৰুৱাই পেলালো। মই………” মালতীৰ কথা শেষ হ'বলৈ নেপালে। হঠাতে মা আহি সেই ঠাইত উপস্থিত হ'লহি। মালতীয়ে কথা বন্ধ কৰিলে যদিও মোক সাৱটি ধৰি কান্দিয়েই থাকিল। …কিছুপৰ নিৰ্ব্বাক নিস্তব্ধ হৈ মায়ে দৃশ্যটো চাই থাকিল। মই ভয় খাইছিলো। কিন্তু, হঠাতে মায়েও মালতীৰ গাত ধৰি হুকুহুকাই কান্দিবলৈ ধৰিলে। মই আচৰিত হৈ কি কৰিম কি নকৰিম ভাবোতেই মায়ে মোক কলে—“তইও কান্দ। সোণপোনা তইও কান্দ। তইযে তোৰ নিজৰ ককায়েৰক হেৰুৱালি। আৰু মই… মইও মোৰ নিজৰ সন্তানকেই হেৰুৱালো। কান্দ সোণপোনা……।” —মাৰ কথাশুনি মই অবাক বিস্ময়ত চিঞৰি উঠিলো —“তুমি এয়া কি কৈছা মা? মইযে এইবোৰ একোকে বুজি পোৱা নাই। মোক সকলোখিনি খুলি কোৱা মা!” —মায়ে কিন্তু সেইদিনা একোকে কোৱা নাছিল মোক। অব্যক্ত বেদনাত মই দিনবোৰ কিবাকৈ কটাব ধৰিলো। ৰাতি মোৰ টোপনি নাহে। গভীৰ নিশা মালতীৰ উচুপনিবোৰে মোৰ টোপনি ভাঙি দিয়েহি। হয়তোবা মাৰো। সুধিম সুধিম বুলি ভাবিও মই মাক একোকে সুধিবলৈ সাহ কৰা নাছিলো। কিন্তু এদিন মোৰ ধৈৰ্য্যৰ বান্ধ ছিড়ি গ'ল…। সেইদিনা ৰাতি মালতীয়ে উচুপি উচুপি কৈছিল। “তেখেতৰ আত্মাক শান্তি দিয়া, প্ৰভু! আৰু ৰজনী……” কথাষাৰ শেষ কৰিব নোৱাৰি মালতীয়ে বেছিকৈ উচুপিছিল। সেইদিনা ৰাতি পুৱাই মই মাক কথাটো সুধিবলৈকে স্থিৰ কৰিলো।

……মোৰ কথা শুনি মা কিছুপৰ নিস্তব্ধ হৈ ৰ'ল…। মই ভাবিছিলো মায়ে কান্দিব। নেকান্দিলে। কিছুসময়ৰ পিছত মায়ে লাহে লাহে কৈ গৈছিল সেই গোপন অভিশপ্ত কথাটো “ৰজনী তোৰেই ককায়েৰ সোণপোনা। আৰু মালতী…। মালতীও তোৰ মাৰেই। তোৰ জন্মৰ আগতেই ৰজনীৰ জন্ম হৈছিল। কিন্তু পৰ-চৰ্চ্চাৰ ভয়ত আৰু নীচ-বংশৰ দুখীয়া মালতীক বিয়া কৰাবলৈ কুণ্ঠাবোধ কৰি দেউতাৰে মালতীক গোটেই জীৱন পোহ-পাল দিয়াৰ ভাৰ ল'লে। কিন্তু এটা সৰ্ত্তত। সেই সৰ্ত্ত হ'ল তোক মালতীয়ে কেতিয়াও ক'ব নোৱাৰিব আৰু ৰজনীক কেতিয়াও কোনোদিন আমাৰ ঘৰলৈ আনিব নোৱাৰিব। তোৰ আৰু ৰজনীৰ চেহেৰাৰ আচৰিত মিল আছে। এইবোৰ কাৰণতেই মালতীক তোৰ পৰা আঁতৰত ৰাখিবলৈ ইমান চেষ্টা কৰিছিলো সোণপোনা। কিন্তু মোৰ ভুল ভাঙি গ'ল। মালতী প্ৰকৃততেই খুব ভাল তিৰোতা। আমাৰ পৰা পোৱা ইমানবোৰ কষ্ট সহ্য কৰিও তোৰ পৰা সকলো কথা লুকুৱাই ৰাখিলে। সেইবাবে দেউতাৰৰ আত্মাই মৰণৰ পিছতো শান্তি পাইছে। কিন্তু, এদিন দেউতাৰে মোক কৈছিল—“মই মৰাৰ পিছত সকলো কথা তাক খুলি ক'বা। সেইদিনা সোণপোনাই মোক অভিশাপ দিয়ে পুতৌ কৰে যি কৰে কৰিব।

মোৰ এই ভুলৰ বাবে সোণপোনাক মই কেতিয়াও শাস্তি দিব নোখোজো।" আৰু সেইবাবেই মই আজি তোৰ আগত সকলো কথা খুলি কলো সোণপোনা।"

...মাৰ কথা শুনি অবাক বিস্ময়ত থৰ হৈ গৈছিলো। কিন্তু প্ৰকৃততে মই কাৰ সন্তান? সেই কথাতো মায়ে মোক নকলে। এই কথা কিন্তু মই মাক সুধিবই লাগিব— "কিন্তু মা, এটা কথা তুমি নকলা। দেউতাৰ ভুলৰ বাবে আজি মোৰ কোনো আক্ষেপ নাই। মানুহ মাত্ৰে ভুল হয়েই। কিন্তু এটা কথা তুমি মোক কোৱা মা মই প্ৰকৃততে কাৰ সন্তান? মই জানো মই......।" মোৰ কথা শেষ হ'বলৈ নৌপাওঁতেই মায়ে চিঞৰ মাৰি দিছিল। হয়তোবা মই এই নিষ্ঠুৰ সত্যটো জানো বুলি মায়ে নেজানিছিল। কিবা এটা ভয়ত যেন মা ঠক্ ঠক্কৈ কঁপিছিল। "তই তই এইবোৰ কি কৈছে সোণপোনা? তইতো মোৰেই ল'ৰা। তোক এইবোৰ মিছা কথা কোনে কৈছে? মালতীয়ে? তাই......।" মাৰ কথা শেষ হ'ৰলৈ নিদি মই অবালবিকৈ কৈ উঠিছিলো— "নহয় নহয় মা, তুমি মিছাতে মালতীক ভুল বুজিছা। মই এইবিলাক কথা তোমালোকৰ পৰাই শুনিছিলো!" মা উচপ্ খাই উঠিছিল। ইমান পৰে সুস্থিৰ হৈ থাকিবলৈ চেষ্টা কৰা মায়ে এইবাৰ হুকহুক্কৈ কান্দি নিজৰ কোঠালৈ দৌবি গ'ল আৰু কোঠাত সোমাই দুৱাৰ বন্ধ কৰি দিলেগৈ। মই লাহে লাহে আঁতৰি আহিছিলো। মূৰটো যেন ঘূৰাইছিল। কোঠাত সোমাই মইও দুৱাৰ বন্ধ কৰি দিছিলো। নানাবোৰ চিন্তাই মোৰ মনত খেলি-মেলি লগাইছিল। সকলোবোৰ কথা মায়ে মোক নিসংকোচে কলে, কিন্তু এইযাৰ কথা কিয় লুকালে? নে মায়ে নিজৰ অযোগ্যতাৰ কথা প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰিলে?

দিনবোৰ লাহে লাহে পাৰ হৈ গ'ল। কিন্তু আমাৰ ঘৰখনৰ পৰিস্থিতিৰ কোনো পৰিবৰ্ত্তন নহ'ল। সুস্থিৰ হৈ আহিব ধৰা মা আকৌ ভাঙি পৰিল। আৰু মালতী? মালতীক দেখিলে মোৰ বুকু খন বিষাই উঠে। দিনত সুস্থিৰ হৈ কামবোৰ কৰি যাবলৈ চেষ্টা কৰা মালতীয়ে প্ৰতি নিশা উজাগৰে উচুপি উচুপি কান্দে। প্ৰতি নিশা মালতীৰ উচুপনিবোৰে মোৰ টোপনি ভাঙি দিয়েহি। গভীৰ নিশাৰ গভীৰ নিস্তব্ধতাখিনি মালতীৰ উচুপনিয়ে থান্ বান্ কৰি দিয়ে।

"হে প্ৰভু!" মালতীৰ অস্ফুট স্বৰত মোৰ চিন্তাৰ আঁতডাল ছিগি গৈছিল। মোৰ কাষৰ কোঠাটোত তেতিয়াও মালতীয়ে উচুপি উচুপি কান্দি আছিল। ঘড়ীটোলৈ চাই দেখিলো ৰাতি পুৱাবলৈ আৰু আধা ঘণ্টামানহে বাকী। খিৰিকিখন খুলি পূৱৰ ৰঙচুৱা আকাশখনলৈ চাই চাই মই ভগৱানক খাটিছিলো— "মালতী মোৰ যিয়েই নহওঁক, তাইক অলপ শান্তি দিয়া, প্ৰভু!"

# "ৰুক্মিণী হৰণ"

# নাটকৰ ৰস

কুমাৰী তিলো গগৈ
দ্বিতীয় বাৰ্ষিক স্নাতক শ্ৰেণী

"ৰুক্মিণীহৰণ" মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে ৰচনা কৰা এখনি সৰ্বোৎকৃষ্ট অঙ্কীয়া নাট। এই নাটৰ ৰস সম্পৰ্কে যদি আমি বিচাৰ কৰি চাওঁ, তেতিয়া দেখিবলৈ পাম যে, ইয়াৰ প্ৰধান ৰস 'ভক্তিৰস'। সাধাৰণতে 'ভক্তিৰস' বুলি এক প্ৰকাৰ ৰস সংস্কৃত কবিসকলে উলিওৱা নাছিল। ই বৈষ্ণৱ যুগত উদ্ভুত এক ৰস। বৈষ্ণৱ কবি সকলে তেওঁলোকৰ সাহিত্যত ভক্তিক প্ৰাধান্য দি ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰিছিল আৰু সেয়ে এই ভক্তিক ৰস হিচাবে গ্ৰহণ কৰে। এই ভক্তিৰসক অৱশ্যে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত নাট্যকাৰে আদি ৰসৰ সহায় লৈছে। আৰু আদিৰসৰ প্ৰাধান্য নাটক খনিত ভক্তিৰসৰ প্ৰায় সম-পৰ্য্যায়ৰ বুলি কলেও বঢ়াই কোৱা নহব। নাটকৰ নায়ক কৃষ্ণলৈ যদি আমি দৃষ্টি নিক্ষেপ কৰো, তেতিয়া ৰুক্মিণীৰ প্ৰতি কৃষ্ণৰ যি প্ৰেম সঞ্চাৰিত হৈছে, সি হ'ল আধ্যাত্মিক প্ৰেম আৰু ৰুক্মিণীৰ কৃষ্ণৰ প্ৰতি যি প্ৰেম সঞ্চাৰিত হৈছে সেয়া জাগতিক প্ৰেম। অৰ্থাৎ ৰুক্মিণীক ভক্তা আৰু কৃষ্ণ পৰম ঈশ্বৰ। কৃষ্ণ পৰমাত্মা, ৰুক্মিণী জীৱাত্মা। ভক্তই যেনেদৰে ভগৱানক পাবলৈ ইচ্ছা কৰে, তেনেকৈ ৰুক্মিণীয়েও ভগৱান কৃষ্ণক পাবলৈ বাঞ্ছা কৰিছে। ভগৱানে ভক্তক সহায় কৰাৰ দৰেই ৰুক্মিণী ভক্তাৰ ঐকান্তিক ভক্তিত তুষ্ট হৈ ভক্তাক সহায় কৰি বিপদত উদ্ধাৰ কৰিছে। এইদৰে দেখা যায় যে নাটক খনিত ভক্তিৰসে প্ৰাধান্য লাভ কৰিছে।

এই ভক্তিৰসৰ সুস্থ পৰিবেশনৰ বাবে নাট্যকাৰে আদি ৰসৰ সহায় লৈছে। কিয়নো আমি প্ৰথমেই দেখা পাওঁ যে সুৰভি ভাটে দ্বাৰকা পুৰত শ্ৰীকৃষ্ণৰ সন্মুখত ৰুক্মিণীৰ ৰূপ গুণ বৰ্ণনা কৰে আৰু সুৰভিৰ মুখত ৰুক্মিণীৰ বৰ্ণনা শুনি শ্ৰীকৃষ্ণ ৰুক্মিণীৰ প্ৰতি আকৃষ্ট হয় আৰু — "ৰুক্মিণীময় মাত্ৰ দেখিয়ে সৰ্বথা ৰহল।" সেইদৰে হৰিদাস নামে আন এজন ভাটে কুণ্ডিললৈ গৈ ৰুক্মিণীক লগ ধৰি কৃষ্ণৰ ৰূপৰ বৰ্ণনাকে আদি কৰি বিভিন্ন গুণানুকীৰ্ত্তন কৰে। কৃষ্ণৰ দৰে ৰুক্মিণীয়েও কৃষ্ণৰ প্ৰতি আকৃষ্ট হৈ "স্বামী ভাৱে বৰল"। এইদৰে দুয়ো নায়ক নায়িকাৰ মনত পূৰ্ব্বৰাগ সৃষ্টি হোৱাৰ পাচত ভীষ্মক প্ৰমুখ্যে পাত্ৰমন্ত্ৰী, জ্ঞাতিসৰ আৰু শশীপ্ৰভাই ৰুক্মিণীক কৃষ্ণলৈকে দিবলৈ স্থিৰ কৰে যদিও ৰুকায়েক ৰুক্মী এই কথাত কৃষ্ণ-ৰুক্মিণীৰ মিলনৰ অন্তৰায়হে থিয় দিয়ে। আৰু শিশুপাললৈহে দিবলৈ স্থিৰ কৰে।

ৰুক্মিণীয়ে কোনো উপায় নেদেখি বেদনিধি নামে এজন প্ৰিয় ব্ৰাহ্মণৰ হতুৱাই চিঠি দি কৃষ্ণক উদ্ধাৰ কৰিবলৈ অনুৰোধ জনায়। কৃষ্ণয়ো এই কথাত অনতি বিলম্বে ৰুক্মিণীক হৰণ কৰি উদ্ধাৰ কৰিছে। ইয়াৰ যোগেদি নাট্যকাৰে আদিৰসৰ যোগান ধৰিছে।

নাটকখনিত ভক্তি আৰু আদি ৰসৰ উপৰিও আন আন ৰসৰ সমাবেশো দেখা য়ায়। সেইবিলাক হ'ল—কৰুণ, বীৰ, ৰৌদ্ৰ, হাস্য ইত্যাদি। ৰুক্মিণীক কৃষ্ণই হৰণ কৰি নিয়াৰ পাচত কৃষ্ণক শিশুপালে খেদা দিয়ে। কৃষ্ণই শিশুপাল প্ৰমুখ্যে সকলো ৰজাক যুদ্ধত পৰাস্ত কৰে। কৃষ্ণক উদ্দেশ্য কৰি ৰজাসকলে— "অয়ে যাদৱ অনাচাৰ, হামাৰ বিবাহক কন্যা ৰুক্মিণীক যদি নাহি ছোড়ব, যত শকতি থিক আমাক যুদ্ধ দেহ" আৰু কৃষ্ণৰ — "আৰে কুলকণ্টক ৰুক্মী, হামাক গাৰি দেহি, ওহি বাণে যমপুৰ দেখাৰব, ৰহ"— আদিত বীৰৰসৰ সমাবেশ ঘটিছে।

তাৰপাছত ভীষ্মকে যেতিয়া কৃষ্ণলৈ ৰুক্মিণীক দিবলৈ স্থিৰ কৰে তেতিয়া ৰুক্মী এই কথাত অমান্তি হৈ শিশুপালক কন্যা দিবলৈ স্থিৰ কৰে। এনে অৱস্থাত ৰুক্মিণী কৰুণ-কাতৰ হৈ পৰিছে। ৰুক্মিণীক হৰণ কৰাৰ পাছত ৰুক্মীৰ কৃষ্ণৰ লগত যুজ লাগে আৰু ৰুক্মী পৰাজিত হয়। তেতিয়া কৃষ্ণই তেওঁৰ মূৰটো কাটি পেলাবলৈ তৰোৱাল উলিয়াই লয় আৰু ৰুক্মিণী ভয় বিহ্বলা হৈ কাতৰ ভাৱে কয় যে — "হে স্বামী, তোহাৰি চৰণে লাগু' ভায়াক প্ৰাণদান দেহু। তোহো পৰম ঈশ্বৰ। ওহি পাপী তোহাক মহিমা নাহি জানল, যৈচে পতঙ্গ অগনিত জাস কৰল। হামাক দেখিতে ওহি দোষ মৰস স্বামী। "হে স্বামী যব ভাতৃক ৰক্ষা নাহি কৰবি, তব আগু হামাক জীৱ লেহু।"...আদি বাক্য সমূহত কৰুণ ৰস ফুটি উঠিছে।

নাটক খনিত কৰুণ ৰসৰ প্ৰাধান্য যদিও হাস্যৰসৰ প্ৰভাবো কম নহয়। প্ৰথমেই দেখো যে বেদনিধিক মুখ্য কৰিয়েই হাস্য ৰসৰ সঁফুৰা মেল খাইছে। তেওঁৰ যেনে কথা কাৰ্য্যত তাৰ বিপৰীত ফালটোহে আমাৰ পৰিলক্ষিত হয়। সেয়ে আমি হাঁহিবলৈ সুবিধা পাওঁ। কিয়নো তেওঁ এঠাইত কৈছে— "তপক মহিমায়ে আকাশক চন্দ্ৰ আনি দিতে পাৰি, হামু দ্বাৰকা এই চলল, যে বাত থিক তা কহ।" সেইজন বেদনিধি বাপুৱেই আকৌ যেতিয়া দ্বাৰকালৈ গৈ কৃষ্ণৰ লগত দ্ৰুত বেগী ৰথত আহোঁতে মূৰ ঘুৰণি হোৱাত চকুৰে জলক তৰক দেখি কৃষ্ণক— "হে বাপু, তেহো কে? কি নিমিত্তে এথা আৱলি থিক?" —ইত্যাদি প্ৰশ্ন কৰি থিয় হোৱা আৰু কৃষ্ণই উত্তৰত— "হামু দ্বাৰকাৰ কৃষ্ণ, তোহো বেদ-নিধি, ৰুক্মিণী পঠাৱল, তন্নিমিত্ত তুহু হামু কুণ্ডিল চলইছি।" আকৌ ৰথৰ বেগ সহিব নোৱাৰি — "শ্ৰুতিভঙ্গ হুৱা পৰল। হাত, পাৱ সব থিৰ ভেল। পেট ওফন্দল। নাসাত নিশ্বাস নাহি নিঃসৰে। যৈচ মৃতক তদ্বৎ

অচেতন ভেল।" আকৌ এই বেদনিধিয়েই কৃষ্ণৰ শুশ্ৰূষাত কোনোমতে চেতন লভিলেও তেওঁ আকাশত নে পাতালত আছে তাৰ গমেই নাই। গতিকে তপৰ মহিমাত আকাশৰ চন্দ্ৰ আনিব পৰা লোকৰ এনে অৱস্থা দেখি হাঁহি উঠে। দ্বিতীয়তে ৰুক্মিণীয়ে ভবানী মন্দিৰৰ পৰা ওলাই যেতিয়া ৰাজসভাত প্ৰবেশ কৰে – "তদন্তৰ ৰুক্মিণীক নবীন ৰূপ যৌৱন পেখিয়ে যত ৰাজাসৱ কামবাণে মূৰ্চ্ছিত হুয়া আসন হন্তে ঢলি ঢলি পৰল। আকৌ ৰুক্মিণীৰ বিয়াত বিয়াৰ কাম সমাধা কৰিবলৈ অহা পুৰোহিত স্বয়ং ব্ৰহ্মাই যেতিয়া ৰুক্মিণীক দেখে তদন্তৰ মুখচন্দ্ৰিকা কৰিতে ৰুক্মিণীক ভুৱন মোহন ৰূপ নিৰেখিয়ে ব্ৰহ্মা মাটি লুটি পৰল।" তেতিয়া পুত্ৰ নাৰদে– "হে পিতা স্বস্থ হৱ স্বস্থ হৱ! তোহাৰ ব্যৱহাৰ নাহে" বুলি কয়। অৰ্থাৎ ৰুক্মিণীৰ ৰূপ দেখি ৰজা-সকল ঢলি পৰা, ব্ৰহ্মাও মাটিত লুটি খাই পৰা আৰু বেদনিধিৰ কাৰ্য্যই নাটকখনিত লঘু হাস্যৰসৰ যোগান ধৰি নাটকীয় সৌন্দৰ্য্য অব্যাহত ৰাখিছে।

এইদৰে ৰুক্মিণীহৰণ নাটত ভক্তিৰসক প্ৰাধান্য দি বিভিন্ন ৰসৰ সমাবেশ ঘটোৱা হৈছে। বৈষ্ণৱ কবিৰ আদৰ্শও এয়ে যে বিভিন্ন ৰসৰ মাধ্যমেৰে বিভিন্ন শ্ৰেণীৰ মন জুৰাই ভক্তিধৰ্ম্ম প্ৰচাৰ কৰাটোহে।

"টিপচী পাখিৰে আকাশ জুখি চোৱাৰ বিলাসী ব্যৰ্থ প্ৰয়াস যেনেকৈ মূৰ্খতা, আদৰ্শ নোহোৱাকৈ নতুন আদৰ্শত ব্ৰতী হোৱা বুলি দম্ভ কৰাও তেনেকৈয়ে মূৰ্খতা।"

—ইমৰাণ শ্বাহ।

জীৱনী

# মাদাৰ টেৰেছা

শ্ৰীৰেখা বৰঠাকুৰ
স্নাতক ১ম বাৰ্ষিক।

এখনি শুভ্ৰ বগা শাৰীৰে শোভিতা। যীশুৰ মন্ত্ৰেৰে দীক্ষিতা। বক্ষত এটি ক্ৰচচিহ্ন। সেয়া মাদাৰ টেৰেছা— যেন সচাঁ মৰমৰ আধাৰ। সকলোকে বিলাই দিছে সচাঁ মৰম আৰু সচাঁ ভালপোৱা।

"মহিমাময়, করুণাময় ঈশ্বৰে এই পৃথিৱীখনি অতীৱ সুন্দৰকৈ গঢ়ি তুলিছে। মাথো মানৱ দৃষ্টিয়েহে এই সুন্দৰতম পৃথিৱীখনি অ-সুন্দৰ দেখে, সেয়া মাথো আমাৰ বাবেই হৈছে। সেয়েহে আত্মগৌৰৱেৰে গৌৰবান্বিত মানৱৰ এই ধৰাখনি অসুন্দৰ কৰি তোলাৰ অধিকাৰ নাই।" —হৃতভগীয়া, পীড়িত সকলৰ বাবে অকৃত্ৰিম সেৱাৰ মনোভাবেৰে আগবাঢ়ি অহা মাদাৰ টেৰেছাৰ মুখৰ পৰা ওলোৱা এইষাৰ মহান বাণী। সচাঁকৈয়ে এই গৰাকী মানৱ-সেৱীৰ মুখৰ পৰা ওলোৱা প্ৰতিটো বাণীয়েই প্ৰতি মানৱৰে হৃদয়ৰ্ত ক্ষন্তেকৰ বাবে হলেও কঁপনি তুলি যায়। কেৱল কথাৰেই নহয় কামতো পোৱা যায় ইয়াৰ পৰিচয়। —গৃহহীন অশেষ যাতনা ভুগি থকা আন মানবৰ দৃষ্টিত যিবোৰ অঘৰী, মগনীয়া, সিহঁত হীন, কাৰণ সিহঁত পৰি থাকে ফুটপাথৰ কোনো এক নৰকৰ দৰে ঠাইত। কিন্তু মাতৃস্বৰূপিণী মাদাৰ টেৰেছাৰ মানত সিহঁতো মানুহ, ঠিক আনবোৰ মানুহৰ দৰেই। সেয়েহে মাদাৰে সিহঁতৰ ওপৰত সঞ্জীৱনী দৃষ্টি নিক্ষেপ কৰিলে। পথৰ কাষৰ পৰা সিহঁতক আলফুলকৈ তুলি আনিলে আৰু সিহঁতৰ সকলো দিশৰ উন্নতিৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিলে।

মাদাৰ টেৰেছা নামৰ সৰ্বজন বিদিতা মানৱসেৱী গৰাকী আছিল আলবেনিয়াৰ এগৰাকী সন্ন্যাসিনী। এই গৰাকী মাতৃস্বৰূপিণী নাৰীক সকলোৱে জানিছিল আৰু অন্য এক নামেৰে—'চিষ্টাৰ'। সচাঁকৈয়ে যেন প্ৰকৃত চিষ্টাৰৰ অকৃত্ৰিম আন্তৰিকতা এই চিষ্টাৰৰ অন্তৰতেই থুপ খাই আছে। সেয়েহে চিষ্টাৰে চিন্তাৰ সাগৰত বুৰ মাৰিলে দুখীয়া জনৰ দুখৰ ওৰ পেলাবৰ উপায় চিন্তি। চিষ্টাৰৰ মতে সেই চাম মানুহৰো দায়িত্ব আমাৰ ওপৰত— যি টকা পইচা তথা খাদ্যৰ অভাৱত হাহাঁকাৰ কৰি ফুৰিছে আৰু তাৰ লগে লগে বঞ্চিত হৈছে শিক্ষা লাভৰ পৰা, লগতে সেইচাম মানুহৰো দায়িত্ব আমাৰ ওপৰত যি টকা পইচাৰে পৰিপূৰ্ণ হৈয়ো মানসিক শান্তি বিচাৰি হাবাথুৰি খাই ফুৰিছে।

১৯২৮ চনত মাদাৰ টেৰেছা ভাৰতবৰ্ষলৈ আহিছিল। ভাৰতবৰ্ষলৈ আহি প্ৰথমে কলিকতাৰ St. Mary's Schoolত শিক্ষকতা

কৰি আছিল। তেখেতে এই স্কুলত প্ৰায় বিশ বছৰ ধৰি শিক্ষকতা কৰে। হয়তো পৃথিৱীৰ আন দহ গৰাকী শিক্ষকৰ দৰে চিষ্টাৰেও অভাৱ গ্ৰস্ত সকলৰ কাৰণে চিন্তা কৰি জটিলতাৰ মাজত নোসোমাই সাধাৰণ ভাবেই জীৱন অতিবাহিত কৰিব পাৰিলেহেঁতেন। কিন্তু সৰ্ব্বসাধাৰণতকৈ বেলেগ চিষ্টাৰে চিন্তা কৰিলে হতভগীয়া সকলৰ মুখত এটি সচাঁ হাঁহি দিবলৈ, অলপ সচাঁ মৰম দিবলৈ। চিষ্টাৰে যিখন স্কুলত শিক্ষকতা কৰিছিল সেই স্কুলৰ কাষতে মতিঝীল বস্তী নামৰ বস্তী এটা আছিল আৰু তাত বাস কৰা লোকসকলৰ জীৱন আছিল অতি কষ্টকৰ। তেওঁলোকৰ অবৰ্ণনীয় কষ্টকৰ জীৱনটোৱে চিষ্টাৰৰ হৃদয়ত ৰেখাপাত কৰিলে আৰু তেওঁ উঠি পৰি লাগিল সেই হতভগীয়া সকলৰ উন্নতিৰ কাৰণে। হয়তো মতিঝীল বস্তীৰ সেই হতভগীয়া লোক সকলৰ অসীম দুখ কষ্ট দেখিয়ে নিজকে উচৰ্গা কৰিলে মানব সেৱাৰ কামত।

ইংলেণ্ডৰ নিচিনা চৰম উন্নতিৰ শিখৰত উঠা দেশখনৰো হেনো কিছুমান স্কুলীয়া ল'ৰা-ছোৱালী আজৰি সময়ত কিছুমান বৃদ্ধ লোকৰ কাষলৈ যায়, তেওঁলোকক ক্ষন্তেকৰ কাৰণে হ'লেও সহায় কৰিবলৈ, ক্ষন্তেকৰ বাবে হ'লেও তেওঁলোকৰ মানসিক শান্তিত ইন্ধন যোগাবলৈ। কাৰণ এই বৃদ্ধ লোক সকলক নিজ সন্তান সকলে বৰকৈ কাণসাৰ নকৰে, যেতিয়াই সেই সন্তান সকল নিজৰ ভৰিত থিয় দিব পৰা হয়। চিষ্টাৰে এই বৃদ্ধ সকলৰ বাবেও চিন্তা কৰি, তেওঁলোকৰ সেৱাৰ বাবেও বিভিন্ন সেৱা অনুষ্ঠান গঢ়ি তুলিছিল। কিমান মহান এই মাদাৰ টেৰেছা।

কৰ্ম্মক্ষেত্ৰত নমাৰ প্ৰথম অৱস্থাত তেখেতে এক জটিল সমস্যাৰ সন্মুখীন হৈছিল, কাৰণ এনে মহৎ কাৰ্য্য সমাধা কৰিবৰ জোখাৰে তেওঁৰ হাতত সম্বল নাছিল ; কিন্তু মনত আছিল সেৱাৰ এক দুৰ্ব্বাৰ বাসনা। প্ৰথমে তেখেতে এই মহৎ কাৰ্য্য সমাধা কৰাৰ উদ্দেশ্যে পাটনাত থকা মিচনেৰী সন্ন্যাসিনী সকলৰ ওচৰ পালেগৈ। সেই সন্ন্যাসিনী সকলৰ মাজত প্ৰাথমিক চিকিৎসা সম্পৰ্কে সাধাৰণ জ্ঞান লাভ কৰিলে, হয়তো ঈশ্বৰেও এই কাৰ্য্যত সন্তোষ পালে, আগবাঢ়ি আহিল সন্ন্যাসিনী সকল মাদাৰ টেৰেছাক সহায় কৰিবলৈ আৰু আগবাঢ়ি আহিল কিছুমান ডেকা-গাভৰু। ৰুগীয়া, বিকলাঙ্গ, জন্মান্ধ সকলৰ মাজত সোমাই পৰিল মাদাৰ টেৰেছা। হৃদয়ৰ সমস্ত আন্তৰিকতা ঢালি সেৱা কৰিলে অসহায় জনসাধাৰণক। বহুতো লোকে চিষ্টাৰৰ সেৱা কাৰ্য্যলৈ অনুদান আগবঢ়ালে। এই অনুদানেৰে অৱহেলিত শিশু সকলৰ বাবে চিষ্টাৰে প্ৰতিষ্ঠা কৰিলে "শিশু ভৱন"। চিষ্টাৰৰ বাবে হয়তো এয়াই পৰম আনন্দ যে হতভগীয়া শিশুহঁতে নিজৰ দুখলগা অৱস্থাৰ কথা কোনো দিনে ভাবি নেপাব, কাৰণ কোনো এক জাবৰৰ দ'মৰ মাজৰ পৰা তুলি অনা শিশুৰ মানত চিষ্টাৰৰ শিশু ভৱনটি স্বৰ্গতকৈয়ো শ্ৰেয়। এতিয়া মাদাৰ টেৰেছাই কেৱল কলিকতাতে সেৱাৰ কাম আৱদ্ধ ৰাখি থোৱা নাই। এই আঁচনি ভাৰতৰ উপৰিও

অন্যান্য ঠাইলৈকো সম্প্ৰসাৰিত হৈ পৰিছে। বৰ্ত্তমান মাদাৰ টেৰেছাৰ অকৃত্ৰিম চেষ্টাৰ মূৰত গঢ়ি উঠা "মিশ্যনেৰী অৱ চেৰিটি" প্ৰতিষ্ঠানটি মাদাৰ টেৰেছাৰ গৌৰৱেৰে গৌৰবান্বিত। এই অনুষ্ঠানটিৰ শাখা প্ৰশাখা সমূহ ভাৰতবৰ্ষ তথা আন আন ৰাষ্ট্ৰতো বিয়পি পৰিছে আৰু ইয়াৰ সংখ্যা বৰ্ত্তমান ৮৯ খন আছে।

মাদাৰ টেৰেছা দৃঢ় প্ৰতিজ্ঞ — যাতে পৃথিৱীৰ প্ৰত্যেক মানৱৰ বাবে এখনি শান্তিৰ শয্যা ৰচনা কৰিব পাৰে য'ত নাই মানৱৰ নিষ্ঠুৰ যাতনা। — সেয়েহে তেখেতে প্ৰতিষ্ঠা কৰিলে "শান্তি নগৰ"। ইয়াত আশ্ৰয়হীন, চিকিৎসাহীন, দুৰাৰোগ্য, কুষ্ঠৰোগী সকলে শান্তি বিচাৰি পাইছে। ইয়াত সেই সকলৰ বাবে চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। তেওঁ আৰু প্ৰতিষ্ঠা কৰিছে "নিৰ্মল হৃদয়" নামৰ এটি সেৱাৰ অনুষ্ঠান। ইয়াত সমাজৰ প্ৰাপ্যৰ পৰা বঞ্চিত সকলক আশ্ৰয় দিয়া হৈছে। সচাঁকৈয়ে মহান মাদাৰ টেৰেছাৰ মহানুভৱতাৰ কথা স্বীকাৰ তথা প্ৰশংসা কৰিব লগীয়া। তেখেতৰ এই মহানুভৱতা তথা অপৰিসীম চেষ্টাৰ বাবেই সেৱা কাৰ্য্য পৃথিৱীৰ সকলো ঠাইলৈকে সম্প্ৰসাৰিত হৈছে।

১৯৬২ চনত মাদাৰ টেৰেছাক "পদ্মশ্ৰী" উপাধিৰে বিভূষিত কৰা হৈছিল।

কৈ কৈ শেষ কৰিব নোৱাৰি এই গৰাকী মহান মানৱ সেৱিকাৰ কথা। অকৃত্ৰিম মানৱ-সেৱী গৰাকীক ভগৱানে অমৰত্ব দান কৰক।

## Long live our "Mother"

**

> "যি দেশক মানুহে নিজৰ বুলি লৈ বুদ্ধি, প্ৰেম আৰু কৰ্ম্মৰ দ্বাৰা গঢ়ি তোলে সেই দেশেই তেওঁৰ স্বদেশ। মানুহৰ দেশ মানুহৰ চিত্তৰ সৃষ্টি।"
>
> ৰবীন্দ্ৰনাথ ঠাকুৰ।

[ ৰস ৰচনা ]

# বলদৰ বক্তব্য

শ্ৰীসুলোচনা বৰা
প্ৰাক্তন ছাত্ৰী

শ্ৰদ্ধেয় মণিপুৰীয়া, বলদ বন্ধু সকল, গাই বান্ধৱী সকল আৰু মোৰ মৰমৰ দমৰা-চেউৰী ও দামুৰি সকল। আজি আমাৰ এই সভাত আমাৰ চিৰকলীয়া দুখ দুৰ্গতিবোৰ দূৰ কৰাৰ উদেশ্যে চৰকাৰৰ আগত কেইটামান প্ৰস্তাৱ দাঙি ধৰাৰ সপক্ষে দুআষাৰমান কবলৈ আগবাঢ়িছোঁ।

আমি গৰু বুলি আজি এই কুৰি শতিকাতো আমাৰ ওপৰত মানুহে যেনে ধৰণৰ অত্যাচাৰ কৰিছে সেইবোৰ দেখি শুনি মোৰ অতি অসহ্য অনুভৱ হৈছে। বন্ধু সকল যি গৰুক স্বয়ং ভগৱান শ্ৰীকৃষ্ণ, শিৱ আদিয়েও আদৰ সন্মান কৰি লৈ ফুৰিছিল সেই গৰুৰ আজি এনে অৱস্থা কিয়? সেই কালৰ গৰু সকলে যেনে ধৰণৰ মণিমুক্তা বস্ত্ৰ পৰিধান কৰিছিল আজি সেইবোৰ দেখিলে আমাৰ পথাৰত এবাল ছিঙি ঢাপলি মেলিবলৈ মন যায়। আমাৰ অৱস্থা পানীত হাইঁ-নচৰাৰ নিচিনা হৈছে। ......হে'ৰা আগত বহি থকা দমৰা-চেউৰী সকল তোমালোকে কিয় লঠিয়া লঠি কৰিছা অলপ ধৈৰ্য্য ধৰাহঁক। তদুপৰি আপোনালোকে জানেই আমাৰ গাত মহ-ডাঁহ পৰি কিমান যে বিষাক্ত কামোৰ মাৰিছে তাক জানো মানুহে উপলব্ধি কৰিব পাৰিছে? আমাৰ বাবে জানো কিবা ভাল ব্যৱস্থা লৈছে? আমি গাঁৰ্ত উকুখনি পৰা গোহালিত থাকি ইমান কষ্ট ভোগ কৰাৰ উপৰিও আমাৰ থিয় হব নোৱাৰা বুঢ়ী গাইকে ইগৰাকীয়ে মলমূত্ৰ ত্যাগ কৰে, আমি বাৰু ইমান লেটিপেটিকে কেনেকৈ থাকোঁ? আমাৰ বাবে সিহঁতে জানো বেলেগ বেলেগ গাই সকল থকা ঘৰ, বলদ সকল থকা ঘৰ সাজি দিব নোৱাৰে। আমাৰ নিচিনা এক শ্ৰেণী মাৰোৱাৰীৰ গৰুৱে দাইল-ভাত খাবলৈ পাইছে, থাকিবলৈ ভাল ঠাই পাইছে কিন্তু আমি কেইডালমান শুকান খেৰ বা ঘাঁহ টানিটানিয়েই ৰাতি কটাইছো। দিনে ৰাতিয়ে ইমান আধুনিক পদ্ধতিৰ সা-সজুলি, যান বাহন, ওলোৱা স্বত্বেও মানুহে আমাৰ ওপৰত বোজাই নিদিয়াকৈ কোনো কামেই কৰিব নোৱাৰে। কি কম বন্ধু সকল কথাতে কয় নহয় "আনৰ বেলিকা বৰচৰিয়া, খাবৰ সময়ত পিতলৰ বাতি" আমাৰও সেই একে গতিহে হৈছে। ইয়াৰ উপৰিও জানো আমাৰ কিছুমান অসুবিধা হোৱা নাই বন্ধু সকল? ৰাতি নৌপুৱাবে পৰা কানত যুঁৱলী লৈ পেট চুঁচৰি যোৱা দ মাটি বা বাম মাটিতে টিকাত এচাবিৰ খোঁচ, কোব ইত্যাদি খাই হাল টনা স্বত্বেও কিছুমান ঘৃণনীয় শব্দ ব্যৱহাৰ কৰে যেনে —আগেত আগেত, ঘূৰি আহ, পিছো

আহ ইত্যাদি। ছোৱালীবোৰৰতো কথাই নাই বাটত কেতিয়াবা বৈ থাকিলে সিহঁতে আমাক উপযুক্ত শব্দৰ অভাৱত "ঘৃৰ" বুলি কবলৈ পাহৰি অতিশয় নিম্ন স্তৰৰ গালি পাৰে, "এই গৰু কমালেই মাৰিম এতিয়া"। ইমাননো কুকুৰৰ দৰে ব্যৱহাৰ কৰিব লাগেনে? মানুহৰ বেমাৰ হলে ভাল বিচনাত শুৱলৈ পায় বা ভাল শুশ্ৰূষা পায় কিন্তু আমাৰ আকৌ ডাক্তৰে বেমাৰ হলে পঘাৰে বান্ধি পেলাই লয়। কি যে দুখলগা অৱস্থা আমাৰ ভাবিলেই গা ৰাইজাই কৰে। বহাগ বিহু আহিলে মানুহৰ মাজত মৰম স্নেহৰ আদান প্ৰদান কৰা দেখো কিন্তু আমাৰ বেলিকা বিহুৰ দিনাখন দীঘলতি মাখি লতিৰ কোবহে খাব লগীয়া হয়। মানুহে আমাৰ বাবে ভাল শিক্ষাৰ ব্যৱস্থা আজিপৰ্য্যন্তও কৰি দিয়া নাই। আগৰ কালত আমাৰ ককা-বলদহঁতে ভাল ভাল লাউৰ টোকাৰিৰ মাতকে শুনিবলৈ পাইছিল পিছে এতিয়া তেনেকৈও শুনিবলৈ নোপোৱা হলো।

সিদিনা বাটেদি গৈ থাকোতে হঠাৎ চিনেমা হলত সোমাই এখন চিনেমা চালো। কিমানে যে মোক খেদি খেদি পঠাইছিল কিন্তু মই এটা পালোৱান বলদ বুলিহে কাণ-মূৰ জোকাৰি সোমাই গলো। আচৰিত! আমি হয়তো চিৰজীৱনেই ডিঙিত বোজা কঢ়িয়াব লাগিব। চিনেমাত বিভিন্ন ধৰণৰ গৰুৰ গাড়ী দেখিলো কিন্তু কোনো খনতেই ভিৰ ভাৰটো আমাক নিদিয়াকৈ তৈয়াৰ কৰিবই নোৱাৰে। চিনেমাখন চাই খুউব দুখ লাগি লাহেকৈ শেষ নৌহওঁতেই আহিলো। ইতিমধ্যে মোৰ গিৰিহঁতে বিচাৰি আহি দুচাটমান দি লৈ গৈ গোঁহালিত বান্ধি থলেগৈ। মুঠতে আমাৰ স্বাধীনতা বোলা বস্তুটোও নাইকিয়া হল। মানুহে কথাতে কয়—

"যাৰ নাই গৰু
সি সবাতোকৈ সৰু"।

আৰু কয় —"গো লক্ষ্মী মহা লক্ষ্মী"। এই কথাবোৰ উপলব্ধি কৰিও আমাক বেচা-কিনা কৰিবলৈ নেৰে। অকল জানো তাকে কৰিছে? আমাৰ যি সকল "হালৰ বৰ বগা, নাঙল দেখিলে শোৱা" সেই সকলৰ টিকাৰ খোঁচবোৰত চুণ সানি বজাৰত বিক্ৰী কৰে। আমি এটা কথাতেই অলপ গৌৰৱ কৰিব পাৰো বন্ধু বান্ধৱী সকল, সেইটো হৈছে মানুহে পাপ কাম কৰিলে আমাৰ গোবৰৰ পানীকণ খালেহে শুচি হব পাৰে। তথাপিও আমাৰ দুখ কুলাই পাচিয়ে নধৰা বুলিয়েই কব পাৰি।

মুঠতে আমি এই প্ৰস্তাৱবিলাক অতি সোনকালেই দক্ষিণ হেঙেৰা গৰু চৰকাৰলৈ পঠিয়াব লাগিব। যদি প্ৰস্তাৱবিলাক আপোনালোকে সমৰ্থন কৰিছে তেতিয়া হলে সমূহ গৰু বৃন্দৰ ফালৰ পৰা হেম্বেলনি জনাওঁক। আমাৰ দুখ-দুৰ্গতি আতঁৰ কৰিবই লাগিব। ইতিমধ্যে মোৰ কবলগীয়া প্ৰায় শেষেই হৈছে। সদৌশেষত মোৰ বলদ বন্ধু ও বান্ধৱী গাই সকল আৰু কণ কণ দমৰা চেঁউৰীহঁতলৈ চেলেকা চেলেকি জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ★★

কবিতা

# ॥ গীতালি ॥

অধ্যাপক সুৰেশ ফুকন এম্, এ,

(১)

ভাঙিদে ভাঙিদে ভাঙিদে আজি ভাঙিদে
ভাঙ ভাঙ আজি ভাঙিদে
বন্ধ ঘৰৰ যত দুৱাৰ খিৰিকী
আজি ভাঙিদে ।

নতুন পুৰুষৰ ন-প্ৰতিভা প্ৰকাশৰ
বাটত আছে যত বাধাৰ প্ৰাচীৰ
আজি ভাঙিদে ।
ভাঙ ভাঙ আজি ভাঙিদে ।

নানা জাতি উপজাতি
ধৰ্ম্ম ভাষা আৰু কৃষ্টি আদি
বুজি পোৱাত বুজাই দিয়াত
বাধা দিবলৈ যত শক্তি আছে
কৰিদে কৰিদে আজি চূৰমাৰ কৰিদে
ভাঙ ভাঙ আজি ভাঙিদে ।

পুৰণিক ভাঙি-ছিঙি চূৰমাৰ কৰি
নতুন সমাজ গঢ়িবলৈ
আছে যত আজি নতুন পুৰুষ
সেই পুৰুষক বাধা দিবলে
বিভেদকামী যত শক্তি আছে
কৰিদে কৰিদে আজি চূৰমাৰ কৰিদে ।

(২)

বিজন বনত
দুবৰি দলিছাত
এতিয়া শেৱালি নসৰে
নিজান পৰত
পখীৰ মাতত
এতিয়া জোনাক নগলে
সোঁৱৰণি মাথো
বেদনাৰে ভৰা
এতিয়া চকুলো সৰে ।

বন্ধ্যা পৃথিৱীৰ
ওৰণি তলত
জীৱন নীৰৱে গলে
অশ্ৰুমতীৰ
দুটি ওঁঠত
হাঁহি ফুল নুফুলে
সোঁৱৰণি ভৰা
তৰালি আকাশ
উচুপে অকলে নীৰৱে ।

...শিল্পী বন্ধুলৈ

# এটি অনুৰোধ

শ্ৰীইন্দিৰা শইকীয়া

এখনি ছবি আঁকা বন্ধু !
য'ত......
নিষ্পেষিত ভগ্ন মনৰ
ক্ৰোধৰ অনিৰ্ব্বাপিত অগ্নি, আৰু
সৃষ্টি বীৰ্য্যৰ মূৰ্ত্ত প্ৰকাশ !!
যাৰ চকুত জ্বলিছে সহস্ৰ ড্ৰেগনৰ
বুভুক্ষাৰ দাবানল ।
সতেজ দেহৰ সেউজী চাৱনিৰ
ছবিখন যদি আঁকিছিলা,
আৰু যদি আঁকিছিলা
যৌৱনৰ উন্মাদনা ভৰা নৱ বধুৰ হাঁহি
আৰু—
চুম্বনৰত প্ৰেমৰ আল্পনা
কামনাৰ সাত ৰঙেৰে তুলিকা বোলাই,
সেই ছবি মোক নালাগে বন্ধু !!
তুমি আঁকা সেই ছবিখন—
য'ত.........
শ্বাপদৰ হিংস্ৰ আক্ৰমণ, আৰু
শাৰ্দ্দূলৰ নৃশংসতাত বুভুক্ষু যান্ত্ৰণাৰ নিত্য সন্মিলন ।
আঁকা বন্ধু,
তোমাৰ সমস্ত শিল্পী শক্তিৰে, সেই ছবিখন আঁকা -
য'ত .........
সংগ্ৰামৰ নগ্ন ৰূপত
সত্যৰ আত্ম প্ৰকাশ ।
( কবৰৰ তলিত কঙ্কালৰ তৃপ্ত হাঁহি । )
আঁকা বন্ধু, বিপ্লৱৰ তেজেৰে
তেজ ৰঙীন,
ৰক্ত বিধৌত নিষ্পাপ দেৱশিশুৰ
বিপ্লৱী ছবিখন, আৰু—
অত্যাচাৰ, অনাচাৰ, ব্যভিচাৰ বৰ্জ্জিত
নিৰ্ম্মল নিষ্কলুষ সমাজ
আৰু,
সচাঁ মানৱৰ, সচাঁ জীৱনৰ
সেই সচাঁ ছবিখন আঁকা !!

# এই জুই ঃ
## বুভুক্ষাৰ...

শ্ৰীজিন্নু কাকতী
স্নাতক প্ৰথম বাৰ্ষিক

এতিয়া দুপৰ নিশা।
মোৰ খিৰিকিৰ ইপাৰত
ঘনঘোৰ বাৰিষাৰ উত্তাল সংগীত।
আৰু, খিৰিকিৰ এইপাৰে
মোৰ ভগা পঁজাত
জ্বলি আছে একুৰা প্ৰচণ্ড জুই।
বুভুক্ষাৰ উত্তপ্ত জুই ॥
বজ্ৰৰ তালে তালে
বাহিৰত সাৰে আছে
বৰ্ষাক্লান্ত পৃথিৱী।
আৰু, মোৰ ভগা পঁজাৰ ভিতৰত
ঢিমিক ঢামাক শলিতাৰ পোহৰত
মই সাৰে আছোঁ,
আৰু সাৰে আছে
জেঁকা মজিয়াৰ গোন্ধৰ মাজত
সেমেকা খেৰৰ উমৰ মাজত
মোৰ হতভাগ্য ৰুগ্না মাতৃ
অপেক্ষা :
এটি মাথো ঔষধৰ বাবে।
জানো মই
বাৰিষাৰ উত্তাল সংগীতৰ তালে তালে
মজিয়াত চট্‌ফটাই আছে
জীয়াই থকাৰ কামনাৰে

—পোহৰ দেখাৰ বাসনাৰে
মোৰ ডিগ্ৰীধাৰী ভাই
চিন্তা ঃ
এটি চাকৰীৰ বাবে।
শুনিছোঁ
খুৰা ভগা শেতেলীত
ধনবৰইঁতৰ বেঁকা চাৱনিৰ অশ্লীলতা সহ্য কৰিব নোৱৰা
মোৰ গাভৰু ভন্টীৰ উচুপনিৰ অনিবাৰ সুৰ
এখনি বস্ত্ৰৰ বাবে।

অনুভৱ কৰিছোঁ মই
ধুমুহাৰ প্ৰচণ্ডতাৰে
বজ্ৰৰ কঠোৰতাৰে
বিদ্ৰোহত জ্বলি আছে
মোৰ আত্মা
এমুঠি অন্নৰ বাবে।
এতিয়াও,
মোৰ খিৰিকিৰ ইপাৰত
ঘন ঘোৰ বাৰিষাৰ উত্তাল সংগীত।
আৰু, খিৰিকিৰ এইপাৰে
মোৰ ভগা পঁজাত
জ্বলি আছে একুৰা প্ৰচণ্ড জুই।
বুভুক্ষাৰ উত্তপ্ত জুই॥

●●●

# ॥ মুহূৰ্ত্তৰ গিচত ॥

শ্ৰীউষা দত্ত
২য় বাৰ্ষিক স্নাতক

মোৰ চেতনাৰ চোতালত
আছাৰ খাই পৰিলহি
নিমাত ৰাতিৰ
কিছুমান
বিষণ্ণ নীৰৱতা।

চকুৰ পাহিত
উজাগৰী ৰাতিৰ অলসতা।
ক'ৰবাত শুনিলো
বেদনাকাতৰ উচুপনি
আৰু যেন শুনিলো
হিয়াত কাৰোবাৰ
নোপোৱাৰ ক্ষুধাৰ
ৰিক্ত হুমুনিয়াহ ‼

মন সেয়ে
বেদনাত আড়ষ্ট।
নিজান মুহূৰ্ত্তৰ ফাঁকেৰে
সেয়ে জুমি চাওঁ কেতিয়াবা
সেই পৃথিৱী খনলৈ
য'ত আছে মাথো আশাৰ পাহি, আৰু
আছে য'ত
জীৱন ৰঙচুৰা কৰা
সুৰুযৰ ৰাঙলী আভা॥

# ঃ ৰঙা সূৰুয ঃ

শ্ৰীজ্যোতিৰেখা বুঢ়াগোহাঁই
প্ৰাক্ স্নাতক ১ম বাৰ্ষিক

ৰঙা সূৰুযলৈ
এতিয়াও বহুত বাকী
এয়া নিয়ৰৰ এন্ধাৰ নিশা
শুনিছো ৰিণি ৰিণি কুকুৰাৰ মাত,
বন্ধু, এতিয়াও বহুত বাকী॥
কাতি মাহৰ উদং পেটত
গাত তত নাইকিয়া
মন মোৰ থৰক বৰক॥
সেয়া কোনোবা শিশুৰ
করুণ ক্ৰন্দন মাতৃৰ বাবে
অজানিত এটি আশা
হয়তো পোৱা
হয়তো নোপোৱাৰ॥
বন্ধু!
এয়া বেছি সময় নাই
কোনোবা গাভৰুৰ ভৰিত নাচে
ঢেঁকীৰ থোৰা, জীৱনৰ আশা॥
সেয়া বুঢ়ী আইতাৰ কাহ
সময় আৰু নাই
এলাহ নিহালি থোৱা‼

# —ঃ ভালপোৱাৰ প্ৰ তি দা ন ঃ—

কুমাৰী টুনুৰাণী গগৈ
২য় বাৰ্ষিক প্ৰাক্‌স্নাতক

—নিৰন্ধ্ৰ এন্ধাৰত বন্দীত্ব. তোমালোকৰেই।
(১) দুৰ্ব্বহ বোজা কঢ়িয়াই অনা পিঠিটোৰ
আঁচল খন এৰালেই দেখা পোৱা
বঞ্চনা আৰু লাঞ্ছনাৰ—
চাবুকৰ কোবৰ চাব—
আৰু সেই একেটা দুখৰ দুৰ্ব্বহ জ্বালাতেই
বৈ অহা চকু পানীবোৰ — তোমালোকৰেই।
—এনেকৈয়ে, প্ৰত্যহৰ শত শতবাৰ সংঘটিত
তোমালোকৰেই—
একে অন্যায়, সেই একেই অত্যাচাৰ (?)
(২) মই, তোমালোকক ভাল পাবলৈ শিকিলোঁ!
অশৰীৰী সাহসে মোক আগবঢ়াই দিলে —
মোৰ বজ্ৰকঠোৰ কলমৰ আগেদি
এন্ধাৰ গৰকি পোহৰ আনিবলৈ!!
(৩) ক্ৰমশ :—
এয়া নতুন ভাৱ,
নতুন আশা,
আৰু নতুন জীৱনৰ চাঞ্চল্যৰে
উঠি অহা সুখবোৰ—তোমালোকৰেই—।
—এয়া, এয়াও মাথো ভালপোৱাৰেই —
প্ৰতিশ্ৰুতি, ভালপোৱাৰেই প্ৰতিদান!
—মোৰ, মোৰ মানুহবোৰ উঠি উঠি আহি আছে,
আহি আছে, আহি আছে— !! ●●

# জীৱন নদীত তেজৰ জুই

শ্ৰীপূৰবী চক্ৰৱৰ্ত্তী
প্ৰাক্‌স্নাতক প্ৰথম বাৰ্ষিক

ঘন আঁউসীৰ দৰে উৎকট আন্ধাৰ
ক'লা ৰাজপথটোৰেদি আগবাঢ়িছিলো মই।
অকলশৰে। মাথোন মই।
বন্ধ্যা নগৰখন এখন কবৰখানা যেন লাগিছিল।
বীভৎস।
শিলৰ টুকুৰাবোৰে মোৰ ভৰিত বৰকৈ বিন্ধিছিল।
জোঙা শিলত ঘঁহনি খাই ওলোৱা
তেজৰ কণিকাবোৰে ৰাজপথত চেকুৰা বান্ধিছিল।
দূৰৱিত পৰিথকা নিয়ৰৰ টোপালবোৰ
মোৰ চকুত ধৰা দিছিল ভূতৰ চকুহৈ।
ৰাস্তাৰ লাইটপষ্ট বোৰে
প্ৰহৰীৰ দৰে—বৈ—
হঠাতে যেন বিকট অট্টহাস্য কৰি উঠিছিল
মোৰ দুখময় জীৱনৰ সংগ্ৰাম দেখি।
বিপ্লৱৰ পতাকাৰ দৰে উৰিছিল
মোৰ সংগ্ৰামৰ শ্লগান।
কপালৰ ঘামৰ টোপালবোৰ
হেৰাই পৰিছিল — বিগত জীৱনৰ
ক্লান্ত দিনবোৰৰ মাজত।
আৰু মই?
সদ্যস্নাতা গাভৰুৰ দৰে
লাজত কুঁচি-মুচি সোমাই পৰিছিলো
ঘন ক'লা আঁউসীৰ
কোলাৰ মাজত।

●●●

# ॥ অনুৰোধ ॥

কুমাৰী নিৰ্ম্মলা দেৱী হাজৰীকা।
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক

হে শিল্পী বন্ধু
তোমালৈ মাথোন এটি অনুৰোধ মোৰ,
তুমি এখন ছবি আঁকা
বাস্তৱ জীৱনত জৰ্জৰিত হোৱা নিষ্পেষিত
এচাম জনতাৰ।
যেন সিহঁতৰ ক্ৰন্দসী জীৱনৰ চাৱনিত
সাৰ পাই উঠক ভদ্ৰ সমাজৰ
মুখা পিন্ধা এচাম
শোষকৰ হৃদয়।
এনে এখন ছবি আঁকা বন্ধু
যি ছবিৰ দ্বাৰা
শোষকৰ হৃদয় কৰিব পাৰে জয়।
শিল্পী বন্ধু,
সিহঁতৰ যাযাবৰী জীৱনৰ
হাজাৰ আশাৰ কলি
ফুটাই তোলা তোমাৰ ছবিৰে॥
হে, শিল্পী বন্ধু,
মোৰ শেষ অনুৰোধ,
তুমি যেন সিহঁতক পাহৰি নোযোৱা।
তোমাৰ ছবিৰে
শেষ হৈ যাব খোজা
অৱহেলিত লোকক যেন আদৰি লোৱা।
তোমালৈ থাকিল
শত সহস্ৰ অনুৰোধ
মোৰ !!

# সংগ্ৰাম জীৱনৰ

শ্ৰীদীপিকা গগৈ
প্ৰাক্ স্নাতক ১ম বাৰ্ষিক

মোৰ মানস পটত মূৰ্ত্তিমান সেই ছবিখনি,
যাৰ—
দুটি নয়নত আছে অযুত আশা, জীয়াই থকাৰ।
কিন্তু—
নোৱাৰে, এই নিৰ্ম্মম সমাজ খনত
পেটৰ ভোকত দগ্ধ হোৱা এটা শৰীৰ লৈ,
সৰ্ব্বশ্ৰান্ত এটা মন লৈ।
তথাপি—
জীয়াই থকাৰ অযুত তাৰকা জ্বলে
সেই দুনয়নত।
আৰু—
প্ৰাণৰ প্ৰতিটো স্পন্দনত স্পন্দিত হয় সেই জাগ্ৰত
আশাবোৰ।
ৰাস্তাই-ঘাটে লাম-লাকটুবোৰ লৈ সেই পাগলীজনী,
জীয়াই থকাৰ সপোন দেখি দেখি ভাগৰি পৰা নাই,
তাই ভাগৰি নপৰে।
কাৰণ—
তাইবো প্ৰাণৰ মমতা আছে।
তাইবো জীয়াই থকাৰ দুৰ্ব্বাৰ বাসনা আছে।
আৰু ??
আৰু আছে সেই জীৰ্ণ শৰীৰটোলৈ
অহেতুক হেপাহ।
তাই নমৰে।
তাই মৰিব নোৱাৰে।
মৰিব তাই নিৰ্বিচাৰে॥ ✶✶

# অনন্ত বিশ্বাস? ভগ্ন হিয়াৰ

শ্ৰীসোণমাই বৰুৱা
স্নাতক ১ম বাৰ্ষিক

প্ৰভাতৰ নতুন কিৰণত জন্ম হৈ
জুগ্নুৱে ভাৱিছিল—
বহুত হেঙুলী ৰহণ সানি সানি
সৰি পৰা আকাশৰ উল্কাফুলেৰে
লানি লানি মালা গাঁঠিব!
কিন্তু, আশাবোৰ জানো বাস্তৱ হয়?
পুৱাৰ সুন্দৰ সূৰুয দুপৰীয়া বিমৰ্ষ হয়,—
গধূলি ক্লান্ত হয়, তাৰ পাচত অসহায় ভাবে সৰি পৰে।
লচমীহঁতৰ হাতবোৰে পাত তোলে আশাৰ নিচাৰে।
জুগ্নুৱে ভাগি পৰা শৰীৰত
ইন্ধন বিচাৰে, জীয়াই থকাৰ।
এয়া মোৰ সন্মুখত
দুৰ্গন্ধেৰে ভৰা নৰকঙ্কালৰ কেচাঁ তেজ;
সংগ্ৰামে নিঃশেষ কৰা ৰূপলালৰ নিস্তেজ চকুৰ
সৰি পৰা দুটোপাল তপত অশ্ৰু।
পৃথিৱীলৈ বসন্ত আহে, ফুল ফুলে
কিন্তু, সিহঁতৰ জীৱন ফুল নুফুলি শুকাই যায়।
এআকাশ তৰাৰে শৰতৰ পৃথিৱী মায়াবী হয়।
জ্যোৎস্নাৰে প্লাবিত কৰা, বাবুহঁতৰ মনৰ চোতালবোৰত
আনন্দৰ অদম্য আলোড়ন
পূৰ্ণতাৰ উজ্জ্বল স্বাক্ষৰ।
কিন্তু ফটা বস্ত্ৰেৰে ঢকা জুগ্নু, আৰু লচমীহঁতৰ গাত,
শীতে পৰশি যায়।
অভাৱে খুচৰি যায় সিহঁতৰ সংসাৰ।
শৰতৰ জোনাক নাহে কদাপি
সিহঁতৰ মাজলৈ।
আঁউসীৰ ঘন ঘোৰ বিভীষিকাৰে ভৰা
নিবিড় তিমিৰে পূৰ্ণগ্ৰাস কৰে
সিহঁতৰ জীৱন। ★★

॥ একাঙ্কিকা ॥

# আমি বিপ্লৱী

ৰচনা ঃ— অধ্যাপিকা মনোৱাৰা বেগম।

**চৰিত্ৰ সমূহ ঃ—**

১) অমলা।
২) লীনা।
৩) ইন্দিৰা।
৪) দীপালী।
৫) ৰুমী।
— কলেজীয়া সমনীয়া ছোৱালী।

৬) অণিমা। (বাইদেউ)
—আধুনিকা বোৱাৰী, সমাজ কৰ্ম্মী।

(আঁৰ কাপোৰ দাং খোৱাৰ লগে লগে বহা কোঠাত অমলা, লীনা, ইন্দিৰা, ৰুমী আৰু দীপালীক গীতৰ বিহাৰ্চেল কৰি থকা দেখা যাব।)

গীত

খা খা খা চাউল বুলি শিলগুটি খা খা
সময়ৰ লগতে খোজ মিলাই যা—।
নিগমৰ গম নাই চিন্তা কিয়?
প্ৰগতিৰ গতি নাই শংকা কিয়?
চিনিব নোৱাৰিলে—
চোবাং হাটৰ এন্ধাৰ বাট
মূৰ্খ তই মৰি যা।
অন্যায়ৰ প্ৰতিবাদ নকৰিবি,
দুৰ্নীতিৰ বিৰুদ্ধে নেমাতিবি।
আয়োগৰ বিয়োগত কান্দিব নেলাগে
অন্তহীন তদন্ত চা—।
পৰি পৰি কৰা পৰিকল্পনা
কেতিয়া নো দিব উঠি থিয় দণ্ডা……।
কি খাবি তেতিয়া নেভাবিবি এতিয়া
আশ্বাস বাণীকে খা—।

(গীত শেষ হোৱাৰ লগে লগে আটাই-কেইজনীয়ে নিজে নিজে শলাগে, এজনীয়ে 'বঢ়িয়া হৈছে', এজনীয়ে 'সুন্দৰ হৈছে', এজনীয়ে 'excellent' এজনীয়ে 'বাঃ বাঃ' ইত্যাদি কৈ সন্তুষ্টি প্ৰকাশ কৰে। দুজনীমান বহে, এজনী বা দুজনী থিয় হৈয়ে থাকে। আৰু কথা পাতিবলৈ ধৰে।)

অমলা— মই ন দি কব পাৰোঁ যে আমাৰ এই গীতে জনসাধাৰণৰ মাজত নব-জাগৰণৰ ঢৌ তুলিব।

ৰুমী— নিশ্চয় তুলিব।

ইন্দিৰা— তাত কোনো সন্দেহ নাই।

দীপালী— আমাৰ গীতে ৰাইজক উন্মাদ কৰিব।

লীনা— সভাস্থলীতেই ৰাইজে আমাৰ লগত কণ্ঠ মিলাই দিব।

অমলা— আমাৰ বিপ্লৱত অংশ গ্ৰহণ কৰি-

বলৈ ৰাইজৰ মাজত হেতা ওপৰা লাগিব ।

ৰুমী+ইন্দিৰা (একেলগে)— লাগিবই লাগিব ।

দীপালী— (চিন্তা কৰি) আমাৰ বক্তৃতাও কিন্তু খুব ভাল হ'ব লাগিব।

লীনা— বক্তৃতাৰ যোগেদিও আমাৰ বিপ্লৱৰ উদ্দেশ্য ৰাইজক ভালদৰে বুজাই দিব লাগিব।

ৰুমী— অমলাই উদ্দেশ্য ব্যাখ্যা কৰিব যেতিয়া সেই বিষয়ে চিন্তাই কৰিব নেলাগে।

ইন্দিৰা— অমলা, তোৰ ওপৰতেই কিন্তু সকলো নিৰ্ভৰ কৰিছে।

অমলা— তহঁতে সেই বিষয়ে একো ভয় নকৰিবি। মই আমাৰ বিপ্লৱৰ প্ৰকৃত উদ্দেশ্য মুকলিকৈ ৰাইজক বুজাই দিম।

দীপালী— তই বুজাই দিবি যে, ইমান দিনে আমি অসমীয়াবোৰে বিপ্লৱ কৰিব জনা নাই।

লীনা— অৰ্থাৎ শিকা নাই।

ৰুমী- অৰ্থাৎ ভুল উদ্দেশ্য লৈ ইমান দিনে আমি বিপ্লৱ কৰি আহিছোঁ।

ইন্দিৰা— সেই ভুল এতিয়া শুধৰাবৰ সময় হৈছে।

অমলা— মই ক'ম যে, কুৰি শতিকাৰ শেষাৰ্দ্ধত অন্যদেশৰ মানুহে ডাঙৰ ডাঙৰ কাৰণ লৈ বিপ্লৱ কৰাৰ সময়ত আমি মূৰ্খ অসমীয়া বোৰে পেটৰ ভাত আৰু মুখৰ মাতৰ দৰে নগণ্য কথাৰ বাবে আন্দোলন কৰি শ্বহীদ হোৱাৰ সপক্ষে কোনো যুক্তি নাই।

ৰুমী+ইন্দিৰা+দীপালী+লীনা— (একেলগে) কোনো যুক্তি নাই।

অমলা— গতিকে এতিয়া সময় হ'ল বিপ্লৱৰ মূল উদ্দেশ্য বুজি পোৱাৰ, এতিয়া সময় হ'ল বিপ্লৱৰ শুদ্ধ পথ বিচাৰি লোৱাৰ। (কবিতাৰ দৰে গায়)

ৰুমী+ইন্দিৰা+দীপালী+লীনা— (একেলগে) নিশ্চয়, নিশ্চয়।

(কলিং বেল বাজে। অমলা ওলাই যায় আৰু অণিমাৰ সৈতে সোমাই আহে। অমলাই কৈ আহে—)

অমলা— নবৌ কালি ঘৰলৈ গ'ল পৰহিলৈহে ঘূৰি আহিব।

(বহিবলৈ কোৱাত অণিমা বহে)

অণিমা— আটাইকেইগৰাকী বান্ধৱী গোট খাইছা দেখোন। কিবা নাটক চাটক কৰিব খুজিছা নেকি? সিদিনা হ'লে তোমালোকে কৰা নাটক খন বৰ ভাল হৈছিল। First Prize পালা নহয়?

(আটাইকেইজনীয়ে 'হয়' 'পালো', ইত্যাদি কৈ শলাগে)

অমলা— আজি পিচে নাটক চাটক নহয়। আজি আমি এটা বেলেগ কামহে কৰিবলৈ লৈছোঁ।

ৰুমী— এটা বেলেগ কাম।

ইন্দিৰা— সম্পূৰ্ণ বেলেগ।
দীপালী— এটা মহৎ কাম।
লীনা— অতি মহৎ।

(অণিমাই আটাইৰে মুখলৈ চায়)

অমলা— অলপ পাছতেই আমি এটা মহৎ কাৰ্য্যত জপিয়াই পৰিম।
অণিমা— (হাঁহি) মহৎ কাৰ্য্যত জপিয়াই পৰিবা? কি কাৰ্য্য?
অমলা— আমি এটা বিপ্লৱ কৰিম।
ৰুমী— বিপ্লৱ কৰিম।
ইন্দিৰা— এক মহান বিপ্লৱ।
দীপালী— এক নতুন বিপ্লৱ।
লীনা— শুদ্ধ বিপ্লৱ।
অণিমা— বিপ্লৱ কৰিবা? মানে?
অমলা— মানে………। মানে, বিপ্লৱ।
ৰুমী— তাণ্ডৱ।
ইন্দিৰা— প্ৰলয়।
দীপালী— ধ্বংস।
লীনা— সৃষ্টি।

(অণিমাই অবাক হৈ আটাই কেইজনীৰ মুখলৈ চায়)

অমলা— বাইদেউ, আপুনিও আমাৰ বিপ্লৱত অংশ গ্ৰহণ কৰিব বুলি আমি আশা কৰিব পাৰোঁনে?
অণিমা— মই।
ৰুমী+ইন্দিৰা+দীপালী+লীনা— হয়, আপুনি।
অণিমা— কিন্তু তোমালোকৰ বিপ্লৱটোনো কি? মানে কেনেধৰণৰ? কিহ'ৰ বাবে?
অমলা— আমাৰ বিপ্লৱ পুৰণিক ধ্বংস কৰি নতুনক সৃষ্টি কৰিবৰ বাবে।
ৰুমী— নতুন জীৱনৰ প্ৰস্তুতিৰ বাবে।
ইন্দিৰা— নতুনক আদৰি আনিবৰ বাবে।
দীপালী— নতুন পথেদি আগবাঢ়ি যাবৰ বাবে।
লীনা— নতুন সমাজ গঢ়িবৰ বাবে।
অমলা— মুঠতে, সমাজ জীৱন আৰু ব্যক্তি জীৱনৰ প্ৰত্যেক দিশতে পুৰণিক বিসৰ্জ্জন আৰু নতুনক গ্ৰহণ, এয়ে হ'ল আমাৰ বিপ্লৱৰ নীতি।
অণিমা— সেইটো বাৰু বুজিছোঁ। কিন্তু বিপ্লৱৰ কিবা এটা নিৰ্দ্দিষ্ট ……মানে …..মই আচলতে মোৰ প্ৰশ্নটো তোমালোকক ঠিক বুজাব পৰা নাই। (ইজনীয়ে সিজনীৰ মুখলৈ চায়) বাৰু, বিপ্লৱটো ক'ত, কেনেকৈ আৰম্ভ কৰিবা?
অমলা— ইয়াতেই আৰম্ভ কৰিম। অলপ পাছতে।
ৰুমী— এতিয়াই।
ইন্দিৰা— এইমাত্ৰ।
দীপালী— আমি সাজু হলোৱেই।
লীনা— আপুনিও ওলাওকনা বাইদেউ আমাৰ লগত।
অমলা— আপুনি ওলালে মই আপোনাক নেতৃত্ব এৰি দিম।
দীপালী— আপুনিয়েই হ'ব আমাৰ নেত্ৰী।
লীনা— বৰ ভাল হ'ব দেই।
ৰুমী— উত্তম হ'ব।
ইন্দিৰা— অতি উত্তম।
অণিমা— (ইতস্ততঃ কৰি) কিন্তু বিপ্লৱৰ

বিষয়ে খৰচি মাৰি নজনাকৈ.........। মানে সঁচা কথা কবলৈ হ'লে মই কথাটো ভালদৰে বুজাই নাই বুজিছা ? অৰ্থাৎ উদ্দেশ্য.........

অমলা— উদ্দেশ্য বিধেয় বুজিবলৈ একো নাই বাইদেউ। মুঠতে, কথা এইটো- ৰেই যে আমি এটা বিপ্লৱ কৰিম।

দীপালী— অৰ্থাৎ বিপ্লৱযে কৰিম সেইটোৱেই আমাৰ উদ্দেশ্য।

ইন্দিৰা— তাত কোনো সন্দেহ নাই।

ৰুমী— গতিকে আপুনি নিশ্চিন্তমনে আমাৰ লগত যোগ দিব পাৰে বাইদেউ।

অমলা— আপোনাৰ দৰে প্ৰখ্যাত সমাজ কৰ্ম্মীয়ে যোগ দিলে আমাৰ বিপ্লৱৰ মূল্যইযে অকল বাঢ়িব সেইটো নহয় বাইদেউ, আপোনাৰো সুবিধা হ'ব।

অণিমা— মোৰ সুবিধা ?

অমলা— হয়, বাইদেউ। এই নতুন বিপ্লৱৰ নেত্ৰী হিচাবে আপোনাৰ নাম ফুটি ফাটি যাব। ইয়াৰ যোগদিয়েই আপুনি অহা নিৰ্ব্বাচনৰ বাবে Field তৈয়াৰ কৰি ল'ব পাৰিব।

অণিমা— (আনন্দিত হৈ) সেইটো অৱশ্যে হয়। মই ইমান পাৰে সেইটো ভবাই নাছিলো।

অমলা— আপুনি চাই থাকিব বাইদেউ— নৰ্ব্বাচনত আপুনি জয়ী হ'বই।

(ৰুমী + ইন্দিৰা + দীপালী + লীনাই 'হয় ; 'জয়ী হবই,' নিশ্চয় হ'ব,' 'কোনো চিন্তা নাই' —ইত্যাদি মন্তব্য কৰে। )

অণিমা— (ভাবি) এৰা, সুযোগটো ল'ব পৰা যায় দেখোন।

অমলা— লওঁকনা বাইদেউ, এইটো আপো- নাৰ বাবে সোণালী সুযোগ।

অণিমা— পিছে, মোক তোমালোকে বিপ্লৱত নমাই দি ফালৰি কাটা যদি ?

অমলা— নাই, বাইদেউ, আপুনি তেনেকৈ নেভাবিবই। আমি আপোনাক সকলো প্ৰকাৰে সহায় কৰিম।

ৰুমী— আমি আপোনাক কেতিয়াও নেৰোঁ।

ইন্দিৰা— আমি আপোনাক জয়ী কৰিমেই।

দীপালী— আপোনাৰ জয়েই আমাৰ জয়।

লীনা— আপোনাৰ জয়েই আমাৰ বিপ্লৱৰ জয়।

অমলা— আপুনি ভালদৰে ভাবি চাওক বাইদেউ, এনে সুযোগ মানুহৰ জীৱনলৈ বাৰে বাৰে নাহে।

অণিমা— কথাটো হওঁতে মিছা নহয়। পিচে, তোমালোকে যে বিপ্লৱ এতিয়াই আৰম্ভ কৰিম বুলিছিলা ?

অমলা + ইন্দিৰা + লীনা + ৰুমী + দীপালী— হয় এতিয়াই কৰিম। (ওপৰা উপৰিকৈ)

অণিমা— ইয়াতেই ?

অমলা— হয়, ইয়াতেই। মানে ইয়াৰ পৰাই।

অণিমা— ঘৰখনক বিপ্লৱৰ কেন্দ্ৰ কৰিব- লৈ...... ?

অমলা— ঘৰত আজি মই অকলে আছোঁ। মা-দেউতা, দাদা-নবৌ কোনো নাই। সেই সুযোগতে বিপ্লৱৰ আয়োজন কৰি- ছোঁ। এবাৰ আৰম্ভ কৰি ল'ব পাৰিলে

পাচত আৰু কোনেও বাধা দিব নোৱাৰে। পাচৰ কাম্র খিনিতো বাহিৰতে হ'ব।

অণিমা— তোমালোকৰ বিপ্লৱৰ নেত্ৰী হিচাবে মইনো বাৰু এতিয়া কি কৰিব লাগিব ?

অমলা— বিশেষ একো কৰিব নালাগে। আপুনি মাথোন আমাৰ লগত যাব।

কমী— শোভাযাত্ৰাৰ আটাইতকৈ আগত আপুনি থাকিব।

ইন্দিৰা— মিটিঙত আৰামত বহি থাকিব।

দীপালী— এটা Lecture দিব।

লীনা— বচ্। হৈ গ'ল।

অণিমা— শোভাযাত্ৰাও কৰিবা নেকি ?

অমলা— কৰিম। শোভাযাত্ৰা নহ'লে বিপ্লৱ কেনেকৈ হ'ব ?

অণিমা — এবা, হয়তো ! কিন্তু শোভাযাত্ৰাৰ বাবে আৰু মানুহ ?

অমলা— মানুহ নিজে নিজে আহিব। আপোনাক আগতলৈ আমি যেতিয়া ৰাস্তাই দি শ্লগান দি যাবলৈ ধৰিম দেখিব, শত সহস্ৰ বিপ্লৱী জনতাই আমাৰ পিচত শাৰী পাতিব।

কমী— এটা বিৰাট সমদলৰ সৃষ্টি হ'ব।

ইন্দিৰা— সমদলটো লাহে লাহে ডাঙৰ হৈ গৈ থাকিব।

দীপালী— ডাঙৰ আৰু ডাঙৰ।

লীনা— অতীতৰ সকলোবোৰ বিপ্লৱী সমদলতকৈ ডাঙৰ।

অণিমা— শ্লগান কি হ'ব ?

অমলা— আমাৰ শ্লগান একেবাৰে নতুন ধৰণৰ হ'ব।

অণিমা— নতুন ধৰণৰ ? কেনে ?

অমলা— যি শ্লগান আগতে কাৰো মুখত কোনেও শুনা নাই।

কমী— অমলা, তই কিন্তু আমাক শ্লগান এতিয়াও শিকোৱা নাই।

ইন্দিৰা— যাবৰ হলেই দেখোন, কেতিয়া শিকাবি ?

দীপালী— ক সোনকালে। আমি শিকি লওঁ।

অমলা— শিকাম ৰ'চোন। আগতে বাইদেউৰ মনৰ সন্দেহ দূৰ কৰি লওঁ।

অণিমা— (হাঁহি) এঃ মোৰনো মনত সন্দেহটো কি আৰু ! এবাৰ আখৰা কৰি ল'ব লাগিছিল।

অমলা— মই ভাবিছোঁ যে— "ইনকিলাব জিন্দাবাদ", "আমাৰ দাবী মানিবই লাগিব"— এনে ধৰণৰ মান্ধাতা যুগৰ শ্লগান দি লাভ নাই। জনসাধাৰণৰ মন জয় কৰিবলৈ আমি এক বেলেগ ধৰণত শ্লগান দিম।

কমী + ইন্দিৰা + দীপালী + লীনা— কেনেকৈ ?

অমলা— গান গাই গাই।

অণিমা— গান গাই গাই ?

ইন্দিৰা + কমী + লীনা + দীপালী— ভাল হ'ব, বৰ ভাল হ'ব, জমিব, ইত্যাদি।

লীনা— আখৰা কৰাহে কথা।

অণিমা— কৰা তেন্তে।

অমলা— (অণিমালৈ চাই) আপুনি চাব দেই কেনে হয়। (অণিমাই হাঁহি মূৰ

জোকাৰে) মই গাম—

"সৌ আকাশত প্ৰখৰ জ্যোতিৰে সূৰ্য্য জ্বলে চোঁৱানা" তহঁতে গাবি—

"তাৰ পোহৰত এই পৃথিৱীত আমি বিপ্লৱ কৰোঁ আঁহানা"।

(আটাইকেইজনীয়ে হাঁহি হাঁহি শলাগে। অমলাই প্ৰথম শাৰী আৰু বাকী বোৰে দ্বিতীয় শাৰী গায়। অমলাই পুনৰ বিশেষ ভঙ্গীৰে 'আঁহানা' বুলি কয়। )

অণিমা— সুন্দৰ, সুন্দৰ, ! অমলাৰ দেখিছো যথেষ্ট প্ৰতিভা আছে। তোমালোকৰ বিপ্লৱ নিশ্চয় সফল হ'ব।

আটাইকেইজনী— হ'বই হ'ব।

অমলা— তেনেহ'লে আমি এতিয়া যাবহে লাগে আৰু !

(আটাইকেইজনীয়ে সন্মতি জনায়। অমলাই ইজনীৰ পাচত সিজনীকৈ থিয় কৰায়। আটাইৰে আগত অণিমা। )

অমলা— এতিয়া মই কেইটামান প্ৰয়োজনীয় কথা কৈ লওঁ। (আটায়ে সন্মতি জনায়) এটা কথা নিশ্চিত যে আমাৰ শোভা-যাত্ৰা আৰু সভাত বিৰাট জন সমাবেশ হ'ব। (আটায়ে মূৰ জোকাৰি শলাগে) তেতিয়া হয়তো চৰকাৰী কৰ্তৃপক্ষই ভয় খাই জনতাক ছত্ৰভংগ কৰিবলৈ যত্ন কৰিব। [ আটায়ে মনোযোগেৰে শুনে ] তেনে কাৰ্য্য জনতাই জানো নীৰৱে সহ্য কৰিব ?

আটাইকেইজনী— নকৰে, কেতিয়াও নকৰে।

অণিমা— তেনেকুৱা হ'লেগৈ পিছে কথাটো বেয়া হ'ব।

অমলা— কিন্তু তেনে হোৱাৰ সম্ভাৱনাই বেছি।

দীপালী— অৱশ্যে...... ।

ইন্দিৰা— তেনেহ'লে শেষতগৈ পুলিচৰ সৈতে জনতাৰ সংঘৰ্ষ হ'ব। [ অণিমাই ভয় খোৱা যেন কৰে ]

লীনা— তাৰ পিচত ১৪৪ ধাৰা, কাৰফিউ... ।

ৰুমী— কান্দুৱা গেচ, লাঠী চাৰ্জ। (অণিমা শাৰীৰ পৰা আঁতৰি দূৰত ৰয়। )

অমলা— ফায়াৰিং, মৃত্যু। [ ভয় খাই ইজনীয়ে সিজনীৰ মুখলৈ চায় ]

অণিমা— হেৰা, তোমালোকে মোক বাদ দিয়া বুজিছা ? মই পাহৰিছিলোৱেই, এটা জৰুৰী কামত মোৰ এফালে যাব লগীয়া আছে। অমলা, নবৌৱেৰা আহিলে ক'বা, মই বিচাৰি আহিছিলো বুলি। মোলৈ ফোন কৰিবলৈকে ক'বা। যাওঁ দেই।

(কৈ কৈ ওলাই যায়। অমলাই ভেঙু চালি কৰে। বাকী কেইজনীয়ে অণিমা যোৱাৰ ফালে বিষণ্ণ মনেৰে চাই থাকে। )

অমলা— যাবলৈ দে। তেখেত নহ'লে কি আমাৰ বিপ্লৱ নহ'ব নেকি ?

ৰুমী— কিয় নহ'ব, হ'বই।

ইন্দিৰা— আগতে কিবা আমি তেখেতৰ কথা ভাবিছিলো নেকি ?

দীপালী— ইয়ালৈ আহিছিলে কাৰণেহে।

লীনা— নহ'লেনো তেখেতক বিচাৰি কোন গৈছিল।

অমলা— ইস্। আমি জানিবা অকলে নোৱাৰিমহে। ব'ল যাওঁ। ভয় কৰিলে নহ'ব। প্ৰয়োজন হলে আমি পুলিচৰ গুলীৰ আগত বুকু পাতি দিম। মনত ৰাখিবি, আমাৰ দেশ বীৰাঙ্গনাৰে দেশ।

ৰুমী— আমাৰ দেশ জয়মতীৰ দেশ।

ইন্দিৰা— মূলাগাভৰুৰ দেশ।

দীপালী— কনকলতাৰ দেশ।

লীনা— ভোগেশ্বৰীৰ দেশ।

অমলা— সেই গৰাকীয়ে আহি মিছাতে পলম কৰি দিলে। ইমান পৰে যাবই পাৰিলোহেতেন। ওলাই যোৱাৰ আগতে শ্ল'গানটো আকৌ গাই চাওঁ আহ।

[ পুনৰ আগৰ দৰে গায়। ৰুমীৰ উৎসাহ লাহে লাহে কমি আহি শ্ল'গানৰ শেষত একেবাৰে নোহোৱা হয়। ]

অমলা— ৰুমী তোৰ কি হ'ল? পাহৰিলি নেকি?

ৰুমী— (কওঁ নকওঁ কৈ) হেৰি নহয় অমলা, এটা কথা অ'।

অমলা— কি কথা?

ৰুমী— আমাৰ যে মাহী আহিছিল দিল্লীৰ পৰা, আজি যাবগৈ। ট্ৰেইনৰ সময় হলেই। যাবৰ সময়ত মোক লগ নেপালে বৰ বেয়া পাব। মই যাওঁ বুজিছ? তহঁতে বিপ্লৱ কৰ।

অমলা— [খঙেৰে] তেনেহ'লে আহিছিলিনো কিয়? তোকতো আমি জোৰ কৰা নাছিলো। এতিয়া সময়ৰ মূৰত এনেকৈ দলৰ Member গুছি গলে বিপ্লৱ হব কেনেকৈ?

লীনা— এনেয়ে সৰু দল। তই গুছি গ'লে কি হ'ব?

[ এইখিনিতে ইন্দিৰা আৰু দীপালী মঞ্চৰ এচুকলৈ যায় আৰু ফুচফুচাই কথা পাতিবলৈ ধৰে ]

ৰুমী— মই ভাবিছিলো বিপ্লৱ কৰি হোৱাৰ পাছত সময়মতে ঘৰ পামগৈ। ইমান দেৰি হ'ব বুলিতো আগতে জনা নাছিলো। জনাহেঁতেন নাহিলোৱেই হেঁতেন।

অমলা— যা যা। তই নহলেও আমাৰ বিপ্লৱ হ'ব।

[ ৰুমী লাহে লাহে ওলাই যায় ]

ব'ল আমি যাওঁ।

[ লীনা অমলাৰ ওচৰত থিয় হয়, ইন্দিৰা আৰু দীপালী আহিব নোখোজে। ]

এই, তহঁত দুজনীৰ আকৌ কি হল? নাহ কিয়?

ইন্দিৰা— নহয় মানে......।

দীপালী— আমি মানে......।

অমলা— কি? বেগেতে ক। ৰবৰ সময় নাই। এনেয়ে দেৰি হৈছে।

লীনা— হয় পাই বহুত দেৰি হৈছে।

ইন্দিৰা— আমি দুজনী মেটিনী শ্ব' চাবলৈ যোৱাৰ কথা আছে।

দীপালী— Advance ticket কৰা আছে অ'।

ইন্দিৰা— সময় হ'লেই, আমি যাওঁ।

অমলা— (খঙেৰে) কি ? বিপ্লৱ এবি চিনেমা চাবলৈ যাৱ। আহিছিলি কিয় ?

লীনা— চিনেমাই যদি চাবৰ মন, বিপ্লৱ কৰিবলৈ আহিবই নেলাগিছিল।

ইন্দিৰা— ভাবিছিলো বিপ্লৱ শেষ হলে চিনেমা চামগৈ।

দীপালী— বিপ্লৱ কৰেঁাতে দেখি হ'ল যেতিয়া উপায়তো নাই। ইন্দিৰা আহ। (ইন্দিৰাক টানি নিয়াদি লৈ যায়)

[ অমলা আৰু লীনা দুয়ো দুকাষে থিয় দি থাকি ইন্দিৰা আৰু দীপালী যোৱাৰ ফালে কিছু সময় চাই থাকে। তাৰ পিছত ইজনীয়ে সিজনীৰ মুখলৈ করুণ ভাৱে চাই লাহে লাহে ওচৰ চাপি যায়। ইজনীয়ে সিজনীৰ হাতত ধৰে। শ্ল'গানটো ধীৰে ধীৰে করুণ ভাৱে গায়। শেষ হোৱাৰ আগতেই বহি পৰে। শ্ল'গান শেষ হোৱাৰ লগে লগে আঁৰ কাপোৰ পৰে। ]

( **আৱশ্যকীয় নিৰ্দ্দেশনা** ঃ— কেইখনমান প্লে-কাৰ্ড — "পুৰণি সমাজ ধ্বংস কৰিম," "আমি গঢ়িম নতুন পৃথিৱী," ইত্যাদি লিখা থাকিব। এখন মেজত গীতৰ অন্তত কথা আৰম্ভ কৰাৰ পাচৰ পৰা দুজনী মানে প্লে-কাৰ্ড লগোৱা বা লিখি থকা দেখা যাব। দুখন মান আগৰ পৰাই বেৰত আওঁজাই থোৱা থাকিব দৰ্শকৰ চকুত পৰাকৈ। শ্ল'গানৰ আখৰা কৰাৰ আগতেই আটাইকেইখন সম্পূৰ্ণ হ'ব। শোভাযাত্ৰাৰ বাবে সাজু হওঁতে 'বাইদেউ' (অণিমা) ৰ বাদে আনকেইজনীয়ে এখনকৈ ল'ব। ওলাই যোৱা তিনিও গৰাকীয়ে প্লে-কাৰ্ড তিনিখন মেজৰ ওপৰত থৈ যাব। অমলা আৰু লীনাই গীতটো গোৱাৰ আগতেই পেলাই দিব। )

[ **বাৰ্ষিক "কলেজ সপ্তাহৰ" একাঙ্কিকা প্ৰতিযোগিতাত অভিনীত আৰু পুৰস্কৃত।** ]

## শ্ৰেষ্ঠা খেলুৱৈ



শ্ৰীৰীতামণি বুঢ়াগোহাঞি

## বিহু কুঁৱৰী



বীনা গগৈ

## সমাজ সেৱা শিবিৰ ১৯৭৮



চাউল কৰা ২নং গাৱঁত
ছাত্ৰীসকলক সামাজিক
আৰু শিক্ষামূলক
জৰীপ কৰি থকা
দেখা গৈছে।

## শ্ৰেষ্ঠা পৰিচালিকা



শ্ৰীমতী মধুলেখা শৰ্ম্মা

# SIBSAGAR GIRLS' COLLEGE

# M A G A Z I N E

## ENGLISH SECTION

**ANNUAL VOLUME-VI**

**1977 - 78**

*Editor :*
**Miss Indira Saikia**

*Professor-in-Charge :*
*Prof.* **Sirish Kumar Bhattacharyya**
" **Jamuna Borgohain**

# SIBSAGAR GIRLS' COLLEGE

# MAGAZINE

## ENGLISH SECTION

**ANNUAL VOLUME-VI**

**1977 - 78**

Professor-In-Charge :
Prof. Sirish Kumar Bhattacharyya
" Jamuna Borgohain

Editor :
Miss Indira Saikia

# Contents :

Eliot : The Romantic Pessimist : Prof. S. P. Sanyal (1) Wordsworth : Poet of Nature : Miss Indira Baruah (3) "Ophelia's character in Shakespeare's 'Hemlet' " : Miss Mrinalini Chetia (7) National Service Scheme : Report of the activities in 1978 : Prof. Mrs. Akhudi Duarah (10) Secretarial Reports & Results of the Competitions.

# Eliot : THE ROMANTIC PESSIMIST.

**Prof. S. P. Sanyal**

*The World revolves*
*Like ancient women*
*Gathering fuel in vacant lots.*

This is pessimism of the highest quality. Earthly values dissociated from the eternal cannot render a feeling of real happiness. The fair has dispersed. The tea-Stalls have been pulled down. Burnt-out fuels are left behind; they will never burn again. Pauper women have passed the day, spent the hours in great zeal gathering them in their tattered baskests. This is an image having similitude with man's barren socio-economic existence in an industrialised urban life today. Here man works and enjoys yet feels vapid. He works with his hands fills his belly ................and for enjoyment Eliot's graphic image is there.

*A rat crept softly through the Vegetation*
*Dragging its slimy belly on the bank*
*While I was fishing in the dull canal.*

We are going back to Wordsworth to pick up what man has missed in his break-neck 'Scientific' journey of a century. He has lost the 'Glory' of the feeling that he has come from his home, God, like 'trailing Clouds'. This feeling alone gives him to spy nature 'apparelled in celestial light'. There had been a blissful time when man enjoyed this spiritualised environment spontaneously. Else, why should we find in gray a piece of news how the 'forefathers' lived'. The busy housewives plying their evening cares. And the children running with one another for the envied kiss of their father. These are things of the past. Now a lonely cab-horse steams and stamps at the corner of the street. The envied kiss of the father gets lost in the saw-dust trampled streets. The 'instants' of Browning are bought and sold where she tossed a blanket from the bed. The eternal instants are simply masquarades of time. But, life truly remains in moments : "to give nothing but the highest quality to your moments as they pass, and simply for these moments' sake."

**The moments of happiness : —**

Not the sense of wellbeing, fruition, fulfilment, security or affection
Or even a very good dinner, but the sudden illuminatioh — (Eliot).

Rose-groves, or groups of sparkling children hidden behind the swaying leaves, sun-beams reflecting the stony stairs of a dried-up-lake,—similar other images offer moments of blissful existence. Eliot feels their absence. Wordsworth enjoyed them

very frequently. "My heart leaps up/when I behold a rainbow in the Sky."

Because modern urban life has been conspicuously depraved of spirituality, one finds in Eliot a constant anxiety about spiritual meaning of life. "What shall we do then, what shall we ever do? Let us go for a walk in a closed car, a hot bath, or let us play a game or chess:"

The soul or a modern city-dweller gets the kick of spiritual unrest, but gets into the mire of wrong co-relative. 'Game of Chess' will lead him to a more steep desperation.

